ফেব্রুবাৰি -২০০০-১০.০০ টাকা

চান্দমামা

I.T.KIDS centres in TAMIL NADU - Chennai : • Anna Nagar, Ph: 6285959/6285599 • Adyar, Ph: 4415866/5867 • Abhiramapuram, Ph: 4995942 • Alwarthirunagar : Ph: 4841636 • Chrompet, Ph: 2347922 • Kilpauk, Ph: 6415516 • Kodambakkam, Ph: 4804606 • Kotturpuram, Ph: 4422448 • Nanganallur, Ph: 2347922 • Nungambakkam, Ph: 8234900 • Shenoy Nagar, Ph: 6282590/6260834 • SIET College Road, Ph: 4364119 • Thiruvanmiyur, Ph: 4419110 • T.Nagar, Ph: 8217043/8216074 • Vepery, Ph: 6416007/ 6416038 • **Coimbatore:** FIT, Ph: 213080 • KRV, Ph: 433368, 445926 • Precitron, Ph: 315859, 312425 • **Dindigul :** Ph: 432351 • **Erode :** Ph: 262317, 262325 • **Kotagiri :** Ph: 73894 • **Kumbakonam :** Ph: 426090, 421246 • **Nagercoil** : Ph: 60499 • **Ooty :** Ph: 47121 • **Salem :** Ph: 446744 • **Tirupur :** Ph: 743989, 747112• **Trichy :** Ph:721582 • **Vellore :** Ph: 247913 **KERALA - Ernakulam:** Vinmat, Ph:318008 • Champion Academy, Ph: 371219, 367404 • Triponathura: Cyberkids, Ph: 780839 • **Trivandrum :** Aditya, Ph: 491339, 473994 • KCP, Ph: 337634 • **Trissur:** Kalliath, Ph: 331993 • **Alleppey:** Ph: 262362, 241921 **ANDHRA PRADESH Hyderabad : Malkajgiri :** Ph: 7056678 • **Srinagar Colony :** Ph: 3740647 • **Secunderabad :** Ph: 7897715 • **Vizag :** Ph: 595620 **KARNATAKA - Bangalore :** Basaveswaranagar, Ph: 3223616 • Cooke Town, Ph: 5462738 • Indira Nagar, Ph: 5274930• RT Nagar, Ph: 3338145, 3338146.

চান্দমামা

খণ্ড-২৩ ফেব্ৰুৱাৰী ২০০০ সংখ্যা-৩

এই সংখ্যাত আছে

গল্প
প্ৰজা শিক্ষা - ১১
প্ৰকৃতিৰ খেয়াল - ১৬
মুক্তি - ৩০
আশীৰ্বাদ - ৩৭
জাদুকৰীৰ বিনাশ - ৫৫
গুলবাজৰ গল্প - ৬১
ধাৰাবাহিক
স্বৰ্নসিংহাচন - ১৭
পুৰনি ধাৰাবাহিক
মহাভাৰত - ৪৩
ঐতিহাসিক ধাৰাবাহিক
ৰজা দম্ভোদ্ভৱ - ৫০
ঐতিহাসিক ৰচনা
প্ৰথম স্বাধীনতা সংগ্ৰাম - ২৫
ৰানী চেন্নাম্মা - ৫১
কাবেৰী নদীৰ পাৰত - ৩৩
বিশেষ আলোচনা বিভাগ
চাঁদমামাৰ সংবাদ - ৬২
বিশ্বৰ বাতায়নত - ০৯
এই মাহত জন্ম - ৬৩
ফোটো - নামকৰন প্ৰতিযোগিতা - ৬৬
প্ৰজা শিক্ষা - ১১
প্ৰকৃতিৰ খেয়াল - ১৬
মুক্ত - ৩০
আশীৰ্বাদ - ৩৭
জাদুকৰীৰ বিনাশ - ৫৫
গুলবাজৰ গল্প - ৬১
ধাৰাবাহিক
স্বৰ্নসিংহাচন -১৭
পুৰনি ধাৰাবাহিক
মহাভাৰত -৪৩
ঐতিহাসিক ধাৰাবাহিক
ৰজা দম্ভোদ্ভৱ -৫০
ঐতিহাসিক ৰচনা
প্ৰথম স্বাধীনতা সংগ্ৰাম -২৫
ৰানী চেন্নাম্মা -৫১
কাবেৰী নদীৰ পাৰত -৩৩
বিশেষ আলোচনা বিভাগ

এ-মাহৰ বিশেষ আকৰ্ষণ

স্বৰ্নসিংহাচন

প্ৰকৃতিৰ খেয়াল

প্ৰথম স্বাধীনতা সংগ্ৰাম

আশীৰ্বাদ

Printed and Published by B. Viswanatha Reddi at B.N.K. Press Pvt. Ltd., Chennai - 600 026 on behalf of Chandamama India Limited, Chandamama Buildings, Vadapalani, Chennai - 600 026. Editor : Viswam

THE MOST
ENDEARING
GIFT
YOU CAN
THINK OF
FOR YOUR
NEAR AND DEAR ONES
FAR AWAY

CHANDAMAMA

GIVE THEM
A
MAGAZINE
IN THE LANGUAGE
OF THEIR CHOICE

ASSAMESE, BENGALI, ENGLISH, GUJARATI, HINDI, KANNADA, MALAYALAM, MARATHI, ORIYA, SANSKRIT, TAMIL AND TELUGU

AND LET THEM ENJOY THE WARMTH
OF THE HOME AWAY FROM HOME

SUBSCRIPTION

BY AIR MAIL TO ALL COUNTRIES
Twelve issues Rs. 900

BY SURFACE MAIL WITHIN INDIA
Twelve issues Rs. 120

Send your remittances
by Demand Draft or Money Order
favouring 'Chandamama India Limited'

to:

PUBLICATION DIVISION
CHANDAMAMA INDIA LIMITED
CHANDAMAMA BUILDINGS, VADAPALANI, CHENNAI-600 026

Editor
VISWAM
Editorial Advisors
RUSKIN BOND
MANOJ DAS
Designing & Technical Advisor
UTTAM

HEAD OFFICE
Chandamama Buildings
Vadapalani, Chennai–600 026
Tel: 4841778/4842087
Fax: 4841778
e-mail: chandma@md4.vsnl.net.in

OTHER OFFICES

BHUBANESWAR
116-B, B.D.A. Duplex House
Baramunda
Bhubaneswar-751 003
Orissa. Phone: 550 534

DELHI
Flat No. 415, 4 th Floor
Pratap Bhawan
5, Bahadurshah Zafar Marg
New Delhi-110 002.
Phone: 3353406/7

MUMBAI
2/B Naaz Buildings
Lamington Road
Mumbai-400 004
Phone: 3889763-3886324-3877110
Fax: 3889670

**For
USA
Single copy
$2
Annual subscription
$20**

The stories, articles and designs contained in this issue are the exclusive property of the Publishers and copying or adapting them in any manner/ medium will be dealt with according to law.

বেয়া সপোনৰ অন্ত

বৰদিনৰ ৰাতিপুৱা কাঠমাণ্ডুৰ পৰা নতুনদিল্লী লৈ যোৱাৰ পথত ইণ্ডিয়ান এয়াৰলাইন্সৰ বিমান অপহৰন একমাত্ৰ তাৰ মৃত্যু, আহত, কিম্বা নিৰ্যাতিত যাত্ৰী বৰ্গ নাইবা ভাৰতবৰ্ষৰ নবয় এটা সমগ্ৰ মানব জাতিৰ কাৰনে এক দুঃখজনক ঘটনা। এইটা মানব জাতিৰ কাৰনো লজ্জা যে এই জঘন্য কৰ্ম আমাৰে এটা শ্ৰেনী অন্তভুক্ত।

কিন্তু ইহত কি সচাই মানুহ ? পুৰানে কলে, যেনেকৈ দেবতাসকল মানুহৰ ৰূপ ধাৰন কৰিব পাৰে, তেনেকৈ দুষ্ট, অসুৰ, পিহাচ আৰু দুষ্ট অত্মা ও এই টো কৰিব পাৰে। ঠিক এইদৰে সন্ত্ৰাসবাদী সকলও মানুবৰ ভেষত এনে দুষ্ট প্ৰানী।

ধৰ্ম, ৰাজনীতি, ভাবতত্ত্ব আদি এই সন্ত্ৰাসবাদীকৰ কাৰনে তুচ্ছ হৈ পৰে। এই বিকৃত বুদ্ধিৰ মানুহ সিহঁতৰ অসহায় শিকাৰৰ তেজৰ দৃশ্য আৰু গোন্ধত উত্তেজিত হৈ উঠে।

যি এজন অসহায় মানুহক নিষ্টুৰ ভাবে হত্যা কৰে, সেইজন মানু জগতত ভীৰু হিচাপে জনাজত হয়। সিজন মানুহ তাৰ প্ৰতিপক্ষক সাহস, দৃঢ়তা আৰু বৈধ শক্তিৰ দ্বাৰা মোকাবিলা কৰিবলৈ অপাৰগ সিহঁত এক অন্ধকাৰ জগতৰ প্ৰানী যিসকল পূৰ্ন ঘৃনাৰ দ্বাৰা পৰিপুন। ইতিহাসে ও এই জগতক নৰক বুলি আক্ষা দিয়ে।

এতিয়া সময় হৈছে সমগ্ৰ সভ্যদেশে দৃঢ়ভাবে এই নৰকৰ প্ৰানীৰ মোকাবীলা কৰাৰ আৰু সিহঁতৰ দুষ্টকৰ্মৰ শেষ কৰাৰ।

এইটো এটা ভাল খবৰ যি সকল যাত্ৰী কান্দাহাৰত আটক কৰি ৰখা হৈছিল শেষত কিছু মূল্যৰ বিনিময়ত সিহঁতক মুক্তি দিয়া হৈছে। সমগ্ৰ মানুহৰ চকো ৰখা উচিত যে ইমান বেছি মূল্য যাতে কোনো মানুহক দিব লাগিয়া নহয়। সান্ত্ৰাসবাদ চিৰদিনৰ বাবে যাতে শেষ হৈ যায়।

সংস্থাপক
চক্ৰপানী
বিঃ নাগীৰেড্ডী

সংবাদ চমক

পুৰাতন মৎস

ভাৰতীয়সকলৰ ধাৰনা, যে বিশ্বৰ আদিযুগে ভগাবান প্ৰকাশিত হৈছিল মাছৰ ৰূপত। বিৰ্বতন বাদেও জনাই যে উদ্ভিত পাছত প্ৰানীৰ প্ৰকাশ ঘটা পানীৰ তলত।

কিন্তু প্ৰথম মাছ কেতিয়া জন্ম হৈছিল

? এটি অনুসন্ধানত চীনদেশৰ চেনাজিয়াত দুটো মাছৰ জীবাশ্ম প্ৰমান কৰে সিহতৰ প্ৰানেৰ অস্তিত্ব : ৫৩০ মিলিয়ন বছৰ পূৰ্বে। যিহেতু মাছদুটা এটা আনটোৰ পৰা বেলেগধৰনৰ আছিল বিজ্ঞানী সকলৰ ধাৰনা যে সিহঁতৰ পূৰ্বপুৰুষ হয়তো আৰু বহুলক্ষ্য বছৰ আগত পৃথিবীত আহিছিল।

এই তথ্য তথাকথিত ভাবে মানি লোৱা হয় যে মাছৰ বয়সক অৰু : ৫০ মিলিয়ন বছৰ পিছলৈ ঠেলি দিয়ে।

আমাৰ চাৰিপাশত খুনী

বিশ্ব স্বাস্থ্য সদস্থাৰ এটি সম্মিক্ষা অনুযায়ী বায়ু প্ৰদূষনৰ ফলত গড়ে বছৰত প্ৰায় এক লাক্ষ মানুহৰ মৃত্যু হয়। এই

তথ্যটী তোমালোকৰ বন্ধুসকলক নিশ্চই জনাবা। আমাৰ নিজৰ মাধ্যমত চেষ্টা কৰা উচিত যে এই প্ৰদূষন প্ৰতিৰোধ কৰ। এনে, কিছুমান দেশ আছে য'ত ছাইকেল ব্যৱহাৰ হৈ আছে তাত মটৰছাইকেল ব্যৱহাৰ কৰাৰ কোন প্ৰয়োজন নাই।

মহা প্ৰলায়ন কাৰনো দায়ী কোন ?

কেমব্রিজ কোটীলা ৰীসৰ্চ্ ইউনিৰি মতত যেনেকুৱা মহাপ্ৰলয় উৰিষ্যাৰ সমুদ্ৰ তটবৰ্তী এলোকা ধ্বংস কৰি দিছিল, তাৰফলত হাজাৰ হাজাৰ মানুহৰ মৃত্যু। তাৰ ধ্বংস অনেক হলেহেতে যদিহে সমূদ্ৰতটৰ ফৰেষ্ট ধ্বংস কৰানহলে, মাত্ৰ চল্লিশ বছৰ ভিতৰত তাৰ আধা ফৰেষ্ট হেৰাইছে।

এই মাহত জন্মিছিল

আজি আমি যাক শ্ৰীমা কলি জানো, তেখেত শ্ৰী অৰবিন্দুৰ আদৰ্শক বহুদৃৰ আগুৱাই নিয়ে, তেখেত জন্মগ্ৰহন কৰিছিল পেৰিচ চহৰত ২১ ফেব্ৰুৱাৰী ১৮৭৮। সৰুকালত্ব পৰাই তেখেত জানিছিল যে তেওঁৰ জীৱনৰ উদ্দেশ্য মহৎ।

১৯১৪ চনত তেখেত পণ্ডিচেৰী আহিছিল আৰু তেখেতৰ পৰিচিত হয় শ্ৰী অৰবিন্দুৰ লগত। লগে লগেই তেখেত বুজিব পাৰিছিল জাক তেখেত দিখিছিল তেখেত হ'ল এক বিশাল জাগৰনৰ প্ৰতিমূৰ্ত্তি যিয়ে মানবজাতিৰ ভবিষ্যত দৰ্শন কৰিব পাৰে। ১৯২০ চনত শ্ৰীমা পাণ্ডিচেৰী ঘুৰি আহে। স্থায়ীভাবে বসবাস কৰিবৰ বাবে। তেখেঁত আহাৰ লগে লগে শ্ৰী অৰবিন্দেৰ আশ্ৰম গড়ি উঠিব লাগিল। ঠিক যেনেটক মাহে ঘিৰে বোচুৰা কাঢ়ি উঠে।

মানুহ সম্বন্ধে শ্ৰী অৰবিন্দুৰ ধাৰনা আছিল অলপ বেলেগ। কিছু নতুন তেখেতৰ মতে মনৰ দ্বাৰা চলিত মানুহ। বিবৰ্তনৰ চিড়িত আৰু এটা ধাপ ওপৰত উঠিব পাৰো। যি যনক উত্তীৰ্ন কৰিব পাৰে। মনক অতিক্ৰম কৰে সি হৈ উঠিব পাৰে এক ঐশ্বৰিক জাতি।

শ্ৰীমা আৰু শ্ৰী অৰবিন্দু যোগ অভ্যাস কৰিছিল। এই নতুন মানুহ জাতিৰ আবিৰ্ভবৰ পথ সুগম কৰিবৰ বাবে। অবশ্য তেওঁলোকৰ এই প্ৰচেষ্টা আছিল এক নবজাগৰনৰ যাতে এদিন আজিৰ মানব জাতি জাগি উঠে।

শ্ৰীমব ৰচিত কিছু অংশ ''জগতত এক উৰ্দ্ধমূখী বিবৰ্তন লক্ষ্য কৰি যায় যি কিনা পথৰ থাকে গছত, গছৰ পৰা প্ৰানী আৰু প্ৰানী যি কি চিন্তা কৰে আৰু কথা কোৱাৰ পক্ষম কিন্তু তাৰ বস্তবাদী স্বভাব আৰু সহজাত ধাৰনা বা প্ৰবৃৰ্ত্তিত যি এক প্ৰানী নিব সন্দেহ প্ৰকৃতি তাৰ এই অসম্পূৰ্ন সৃস্টিত কেতিয়াও সন্তুষ্ট হব নোৱাৰে। তেওঁৰ প্ৰচেষ্টা এটা মানব সৃস্টিত যি কিনা বাহিৰৰ মানুহৰ ৰূপ ধাৰন কৰিলেও অন্তৰ যাৰ জাগৰন হয় যন আৰু অজ্ঞানতাৰ দাপেত্বৰ বহু উৰ্দ্ধত।''

ধন্যবাদ সাংবাদিক গোষ্ঠী

চান্দমামাৰ সম্পূৰ্ন অভিভাবৰ সুখবৰটো নিঃসন্দেহত সৰু সকলৰ বাবে আনন্দদায়ক আৰু এইটো আছিল অতিমাত্ৰাত প্ৰত্যাশিত।

কিন্তু বেছি পোৱা হিচাপত যি আমাৰ ''প্ৰচাৰ মাধ্যমৰ দ্বাৰা পাইছো সেইটো হ'ল দৈনন্দিন ঘটনা বাতৰী কাকতৰ দ্বাৰা।

অন্যান্য মুখ্যসংবাদ পত্ৰ বিলাক (ইংৰাজৰ আৰু অন্য ভাষাত) পাঠক পাঠিকাসকলৰ ওচৰ পাবলৈ দিকে সিহঁতৰ অফুৰন্ত সম্ভাৰ আৰু বি. বি. সি. আৰ দূৰদৰ্শনৰ মেট্ৰো (টি.ভি.টুডেৰ ''আজতক'') প্ৰকাশক সকলৰ লৈ সাক্ষাৎকাৰ প্ৰচাৰ কৰিছে যাতে প্ৰকাশকৰ প্ৰকাশিৰ চৰিত্ৰৰ আলোকপাত কৰা হয়।

এটি অকল সৰু সকলক নতুন শতিকাৰ অভিনায় প্ৰবেশৰ পূৰ্ণ আশ্বাস দিয়া নাই দিকে মহান ভাৰতৰ বিভিন্ন গুনাবলীৰ পৰিচিত গল্প ৰূপত, কুইজ আৰু অন্যান্য বস্তুৰ মাজত।

আমি ধন্যবাদ জনাও সেই ''প্ৰচাৰ মাধ্যমক'' আৰু *চান্দমামাৰ* লগত সিহঁতৰ ''দীঘায়ু যাত্ৰ কামনা কৰিং এই নতুন শতকত।

ইয়াৰ লগত আমি ইয়াকেই কামনা কৰো যে, আমাৰ লগত অসংখ্য পাঠক পাঠিকা, লেখক, প্ৰচাৰক, এজেন্ট, সহযোগী আৰু শুভাঙ্কাখী সকলৰ বাবে যি সকল ইয়াৰ পূন আভিভাবৰ খবৰ সোনামাত্ৰই ইয়াৰ প্ৰকাশনৰ মামত সিহঁতৰ অমূল্য সহযোগীতাৰ হাত আগবঢ়াই দিয়ে।

প্ৰকাশক।

গঠনমূলক প্ৰতিযোগিতা

চান্দমামা

সকলো পাঠক পাঠিকাসকলক

আমন্ত্ৰন জনোৱা হৈছে যে সিহঁতৰ কল্পনা যুক্ত মনোভাব আৰু সুদক্ষতাৰ পৰিচয় দিবলৈ যি নিয়মাবলী নিৰ্ধাৰিন হৈছে। নিম্ন লিখিত বিষয় বিলাক হ'ল।

১. 'ছবিৰ নাম' এই প্ৰতিযোগিতাৰ বাবে সদস্য সকলে, আলোকচিত্ৰ পঠাব পাবে ইয়াৰ পছন্দনিচিনা এযোৰ ফটো যি হব সামঞ্জস্যপূৰ্ন অৰ্থাৎ ইয়াক আগৰ সম্পৰ্কিত কোনো নহয় কোনো বিষয়ে। পঠোৱাৰ সময় আলোক চিনৰ ফটুৰ নিজৰ বৰ্নন্য কৰা অত্যন্ত জুৰুৰী।

নিবাচিত আলোকচিত্ৰৰ বাবে (যোৰা) পুৰস্কাৰৰ মূল্য ৫00 টকা.

ফটু যি কোনো সময়ত পঠাব পাৰে।

২. পাঠক পঠিকাসকলে সিহতৰ নিজৰ অভিজ্ঞতা, গল্প (পৰান বা নতুন) অথবা কোনো ঘটনা যি চান্দমামাত উল্লেখি বা প্ৰচলিত যি অৰ্থপূৰন্য হয় যি হব ১৫০-১৭৫টা শব্দৰ ভিতৰত। দয়া কৰি মনত ৰাখিব আপোনাৰ পঠোৱা লিখাটো যেন আচল চান্দমামাৰ কাহিনীৰ লগত নিমিলে, ইটো হব লাগিত আপোনৰ সম্পূৰ্ন নিজৰ সৃষ্টি।

বৰ্তমান সাৰৰ্মম হল ''আঙুৰফল টক''.

নিবাচিত সঠিক প্ৰাথীৰ পুৰস্কাৰৰ মূল্য **৫00** টকা।

আপোনাৰ লিখাটো ফেব্ৰুয়াৰী ২০০০ ৰমাজত পাব লাগিব আৰু প্ৰতিযোগীতাৰ ফলাফল প্ৰকাশিত হব মে ২০০০ ৰ সংখ্যাত।

পঠোৱাৰ সঠিক ঠিকনা হল।

CHANDAMAMA INDIA LIMITED
CHANDAMAMA BUILDINGS, VADAPALANI, CHENNAI-600 026.

- সম্পাদক

WAY MAZE

Help Raju monkey find a way to his girlfriend Mini monkey.



Junglee

Look closely! How many horses can you see?

SHOW THE WAY





Rs. 30/-



Rs. 40/-



Rs. 30/-

Rs. 30/-



Rs. 25/-



Rs. 30/-

CHANDAMAMA BOOKS ARE ALREADY A LEGEND! THEY OPEN NEW HORIZON ON THE WORLD OF LITERATURE FOR THE YOUNG

Added to the six titles by **Manoj Das** is the charming seventh–

WHEN THE TREES WALKED

by the inimitable story-teller **Ruskin Bond**



Rs. 30/-

Among the titles in the process of production are:

STORY OF KRISHNA
STORY OF RAMA
STORY OF BUDDHA

For details, write to:

CHANDAMAMA BOOKS
Chandamama Buildings
Vadapalani, Madras - 600 026.

প্ৰজা-শিক্ষা

দৃঢ়ব্ৰতী ৰজা বিক্ৰমাদিত্য আগৰ দৰে ঘুৰি আহি গছৰ ডালৰ পৰা ঝুলন্ত শব নমাই নিজৰ কান্ধৰ ওপৰত ৰাখি যথাৰীতি শ্মশানাভিমুত চলিবলৈ আৰম্ভ কৰে। সেইসময়ত শবস্থিত বেতাল কৈ ওঠে, ''ৰাজন, এই মাজৰাতিত শ্মশান হৈ ওঠে ভূতপ্ৰেত ও বিষধৰ সাপৰ ৰাজ্য, সিঁহত নিজৰ ইচ্ছাত বিচৰন কৰি ঘুৰি ফুৰে। এইটো জনা সত্ত্বে ও কিয় এই বিপদসংকুল স্থানত আহিছন ? কি এনে উদ্দেশ্য যি সাধনৰ বাবে ইমান ঘুৰি ফুৰিছা ? কেতিয়াবা কি চিন্তা কৰি চাইছা, লক্ষ্যসাধনত কি পথ তুমি বিচাৰি উলিয়াইছা সেইটো সঠিক কিনা ? কেতিয়াবা জ্ঞানী মানুহ সকলে ভ্ৰমবশত ভাবে যে, যি কৰিছে সেইটো ঠিকেই কৰিছে আৰু সেইটোতেই সিহঁতৰ নিশ্চিত কল্যান হব। এই ক্ষেত্ৰত সিহতৰ ক্ষতি হয়। সেইবাবে তোমাক সাবধান কৰাৰ বাবে জয়চন্দ্ৰ নামৰ এজন ৰজাৰ কথা কৈ আছো। মনোযোগেৰে শোনা।'' বেতাল তাৰ কাহিনী শুৰু কৰে ঃ মহেন্দ্ৰগিৰিৰ ৰজা জয়চন্দ্ৰ আছিল জ্ঞানী, সকলো শাস্ত্ৰ তেখেতে অধ্যয়ন কৰিছে। সুশাসক হিচাপে প্ৰজা সকলে তেখেতক মান্য কৰিছিল।

এদিন ৰজা ছদ্মবেশত মহামন্ত্ৰী ধীৰবৰ্মাৰ সৈতে নগৰত ঘুৰি ফুৰিছিল। এঠাইত আহি ৰখি যায়। কোনো এটা ঘৰৰ পৰা চীঙঁৰী কথা কোৱাৰ শব্দ পাই দুয়োজনে ঘৰটোৰ ভিতৰত

সোমায় যায়।

গৌৰী নামৰ এজনী ছোৱালীয়ে কেইদিনমান ধৰি অসুখত ভুগি আছিল, ঘুৰই জ্বৰ আছে। সেই দিনটো আছিল কোনো পাৰ্বনৰ দিন। সেইবাবে ঘৰৰ মানুহ কেইজনে তাইক সেইটো অৱস্থাত জোৰ কৰি গা-পা ধোৱায়। ফলত, তাইৰ জ্বৰ অতিমাত্ৰাত বাঢ়ি যায়। এজন বৈদ্যক অনা হয়। বেচি জ্বৰ হওৱাৰ কাৰন জানি ঘৰৰ মানুহক গালি পাৰে। ঘৰৰ ভাঙৰীয়াই চিঙঁৰী কয়, ''ছোৱালী ভাগ্যত বাঁচি থকা লিখা থাকিলে বাঁচিব, আৰু যদি মৰাৰ থাকে তেতিয়া মৰিব। আমাৰ ৰীতি অনুযায়ী ইমানদিন যি কৰা হৈছে সেইটো আমি অবশ্যই কৰিম।''

বৈদ্য কোনো কথা নকৈ মনেমনে ঔষধ দি কিছুসময় অপেক্ষা কৰাৰ পাছত কয়, ''ভাগ্য ভাল যে বিপদ পাৰ হৈ গৈছে।''

বুঢ়া মানুহজন জোৰ গলাত উত্তৰ দিয়ে, ''বিপদ পাৰ হৈ যোৱাৰ কাৰন তাইৰ ভাগ্য, আপোনাৰ ঔষধ নহয়।''

ৰজা জয়চন্দ্ৰ খাৰা হৈ সকলো চালে। তেঁখেত যিমান ক্ষুব্ধ, তিমান দুখ পাইছে। প্ৰামাদত উভতি আহি মন্ত্ৰীক কলে, ''মহামন্ত্ৰী ! আমাৰ প্ৰজাসকলৰ মাজত মূৰ্খতা আৰু অন্ধবিশ্বাস কিমান জমা হৈ আছে চালেনে। ইয়াৰ বিনাশ প্ৰয়োজন। অতিশোনকালে উপায় বিচাৰি উলিয়াক।''

মন্ত্ৰী ধীৰবৰ্মা চিন্তা কৰি কলে, ''আধুনিক শিক্ষাৰ প্ৰজাৰই একমাত্ৰ এই অজ্ঞানতা দূৰ কৰিব পাৰে। আৰু এই বিষয়ত আইন সৃষ্টিৰ প্ৰয়োজন, তেতিয়াই জনগন মান্য কৰিব।''

ৰজা জয়চন্দ্ৰ মন্ত্ৰীৰ এই পৰামৰ্শত অন্ধবিশ্বাস আৰু সংস্কাৰ দূৰ কৰাৰ বিষয়ত আইন সৃষ্টি কৰে আৰু সেই আইন মান্য কৰাৰ আদেশও জাৰী কৰা হয়। প্ৰথাগত ৰীতিনীতিৰ বিৰুদ্ধে আছিল এই আইন। প্ৰজাগন ইয়াক গ্ৰহন কৰিব নোৱাৰে। প্ৰজাসকলে কয়, বহু বছৰ ধৰি যি ৰীতি, প্ৰথা চলি আহিছে সমাজত সংসাৰত, ৰজা সেইটো ভাগিব বিচাৰিছে। বিনায়ক নামত এজন মানুহক জনগনৰ প্ৰতিনিধি কৰি ৰজাৰ লগত আলোচনাৰ বাবে পঠোৱা হয়।

বিনায়ক ৰজাক কয়, ''প্ৰভু ! সমাজ-সংসাৰত পূৰ্বপুৰুষ হতঁৰ যি প্ৰথা চলি আহিছে সেইটোক আপনি বিনাশ কৰিব বিচাৰিছে। এইটোই আমাৰ সংস্কৃতি। আপনি এই আইন প্ৰচলন কৰিছে, তাৰ অৰ্থ আপনি দেশৰ সংস্কৃতিৰ বিৰুদ্ধত। ৰীতি-সংস্কৃতি বিনাশকাৰী এই আইন ৰাজ্যৰ প্ৰজাসকলৰ মাজত অশান্তি আনি দিছে। যদি আপনি এই আইন এতিয়াই বাতিল নকৰে তেতিয়াহলে প্ৰজাসকলে বিদ্ৰোহ

কৰিব, এজন প্ৰজাকত্ত আপনি আপনাৰ ওচৰত না পায়।''

যদিও বিনায়ক খুব বিনয়েৰে কথাখিনি কৈছিল, তথাপি তাৰ প্ৰতিটো বৃৰহৃত শব্দ আছিল যেন সতৰ্কবানী। খঁঙত ৰজাৰ চোখমুখ ৰঙা হৈ উঠে। এজন সামান্য নাগৰিকৰ ইমান সাহস যি বিদ্ৰোহ সম্পৰ্কত সতৰ্ক কৰি দিছে। ৰজা মনে মনে ভাঁবিছিল, তেতিয়াই বিনায়কক বন্দী কৰি চৰম শাস্তি দিব বুলি।

ৰজাৰ ফালে চাই মন্ত্ৰীৱয় গম পালে। ৰজাক ইঙ্গিত দি শান্ত হবলৈ দি তাৰপাছত কয়, ''মহাৰাজ, মূৰ্খ আৰু অন্ধ কুসংস্কাৰাচ্ছন্ন মানুহসকলৰ লগত সহজ সৰল ভাবে চলিলে জয়ী হব নোৱাৰে। মৰুভূমিত পানি সিঞ্চন কৰিব পাৰা যায়, কিন্তু মূৰ্খতা দূৰ কৰিব নোৱাৰি। স্বয়ং ব্ৰহ্মাত্ত মূৰ্খৰ আগত হাৰ মানিব। বিনায়কক এতিয়াই বন্দী কৰিলে তাৰ অৰ্থ হব বিদ্ৰোহ কৰাৰ বাবে প্ৰজাসকলক উস্কানি দেওয়া।''

''তেতিয়াহলে, এই ক্ষেত্ৰত অজ্ঞানী মূৰ্খক বাঁচি থাকিব দিম ? অন্ধবিশ্বাসৰ ফলত কিমান নিৰ্দোষীক বলি দিবলগীয়া হৈছে, এতিয়াও সিহতক সেই অবস্থাত এড়ি দিম ? মনে মনে সকলো সহ্য কৰি যাম ?'' আক্ৰোশৰ সৈতে ৰজা কলে।

ধীৰবৰ্মা চিন্তাত পড়ি যায়। কিছুসময়ৰ পাছত বিনয়কক মাতি কলে, ''চোৱা, কিছুদিনৰ বাবে নতুন আইনক স্থগিত ৰখা হল। ছিমান দিনত তুমি ভালদৰে পড়াশুনা কৰা, জ্ঞানী হৈ ওঠা। তাৰপাছতও যদি তুমি কোৱা যে এই আইন প্ৰজাসকলৰ মঙ্গলৰ বাবে নহয়, তেতিয়াহলে নতুন আইন বাতিল হব। তুমি কি এই প্ৰস্তাবত একমত ?''

বিনয়ক এই প্ৰস্তাব মানি লয়। সি পাঁচবছৰ ধৰি মনোযোগেৰে একান্তমনত বিদ্যাচৰ্চা কৰে।

বিদ্যালাভাৰ শেষত সি মহাৰজাৰ লগত সাক্ষাৎ কৰে। ৰজা তেতিয়া তাক খুদে, ''এতিয়া তুমি কি কব বিচৰা ?''

''মহাৰাজ, সচাকৈ মোৰ বিচাৰবিবেচনা পৰিবৰ্তিত হৈ গৈছে। এতিয়া অন্য প্ৰজাসকলৰ আৰু মোৰ চিন্তাভাবনা চিন্তাধাৰনা সম্পূৰ্ণ ভিন্ন। অতীতৰ ৰীতি এতিয়া অকল অন্ধবিশ্বাস। ইয়াৰ পৰা প্ৰজাসকলে কিমানদিনত ওলাই নাহে, তিমানদিন দেশেৰ প্ৰগতি, সঠিক উন্নতি অসম্ভব।''

''খুব ভাল। এতিয়া সেই নতুন আইন প্ৰজাসকলৰ মাজত প্ৰবৰ্তন কৰাৰ দায়িত্ব তোমাক দিয়া হ'ল।'' ৰজা তাক বিশ্বাস কৰি কলে।

''কিন্তু মহাৰাজ, এই আইন প্ৰজাসকলৰ মাজত প্ৰবৰ্তনত মোৰ কি লাভ হব ?'' বিনয়ক

প্ৰশ্ন কৰে।

''প্ৰতি মাহত তোমাক বহুতো মুদ্ৰা দিয়া হব, আৰু তাৰ লগত ৰাজকৰ্মচাৰীৰ পদ।'' ৰজা কলে।

''প্ৰভু, মই প্ৰজা-প্ৰতিনিধি। সেইবাবে বহুতো মুদ্ৰা মই প্ৰতিমাহত পাম। কিন্তু আপনিও তো প্ৰজাসকলৰ প্ৰতিনিধি। তেতিয়াহলে জানিব পাৰো, প্ৰতিমাহত আপনি কিমান পায় ?'' দৃঢ়তাৰে বিনয়ক খুদিলে।

ৰজা জয়চন্দ্ৰ খংখাই উঠিল। তেঁখেতে কঠিন ভাষাত তাক কলে, "আমাৰ পূৰ্ব পুৰুষ সকলে বহুদিন ধৰি এই দেশ শাসন কৰি গৈ আছে। মই তেঁখেত সকলৰ উত্তৰাধিকাৰী এই ৰাজ্যৰ ৰজা। মোৰ লগত তুমি তোমাৰ নিজৰ তুলনা কৰিব বিচাৰিছা ?''

বিনয়ক হাঁহি কলে, ''ৰাজবংশত জন্ম হোৱাৰ বাবেই আপনি ৰজা হৈছে। এইটোও এটা পৰম্পৰা প্ৰথা আপনাক ৰজা কৰিছে। কিন্তু প্ৰজাসকলে মোক সিঁহতৰ প্ৰতিনিধি মনোনীত কৰিছে। পুৰনি প্ৰথা ভাঙি যোৱাৰ বাবেই আপনি আইন তৈৱী কৰিছে। ইয়াৰ অৰ্থ, আমাৰ দেশত পৰম্পৰানুযায়ী বংশগত প্ৰথাত ৰজা হোৱাৰ পুৰনি নিয়মৰ অবসান হব লগিব।''

বিনয়কৰ এই যুক্তি শুনি ৰজাৰ মুখ বগা পৰি যায়। তেঁখেতে বুজিব নোৱাৰিলে কি উত্তৰ দিব। মন্ত্ৰী ধীৰবৰ্মাক মাতি পাঠিয়ায়।

মন্ত্ৰী ধীৰবৰ্মা বিনয়কৰ সকলো কথা শুনি কলে, ''তোমাৰ বক্তব্যক উচিত যেন লাগিছে। কিন্তু প্ৰজাসকলৰ মতামত জনা প্ৰয়োজন এই বিষয়ত। যদি সিহতৰ মত তোমাৰ মতৰ অনুকূল হয় তেতিয়াহলে তোমাৰ হাতত সিংহাসনৰ দায়িত্ব দি ৰজা বনবাসত গুছি [illegible]। এটা শৰ্ত আছে। যেতিয়া দেশেৰ সকলো প্ৰজা শিক্ষিত হৈ উঠিব তেতিয়াই সিহতৰ মতামত গ্ৰহন কৰা হব।''

কিছুসময় নীৰব হৈ থাকি তাৰ মত জনায় বিনয়ক, ''ৰাজকৰ্মচাৰীৰ পদগ্ৰহন মোৰ ইচ্ছা।''

ৰজাৰ বিস্ময় জাগি ওঠে, ক্ৰোধও হয়। কেনেকৈ মন্ত্ৰী কব পাৰে যে, সিংহাসন তাক দি দিব !

''মহাৰাজ ক্ষমা কৰিব। মোৰ বক্তব্যত আছিল গভীৰ ৰহস্য। প্ৰজাসকল যিমানদিন অশিক্ষিত, কুসংস্কাৰাচ্ছন্ন, পুৰনি ৰীতিৰ বিশ্বাসী থাকিব, তিমানদিন ৰাজবংশৰ উত্তৰাধিকাৰী ৰজা হব। কোনো সাধাৰন প্ৰজাক ৰজা মানি লব নোৱাৰে-সেইটোও পুৰনি এটা প্ৰথা। বিনয়ক নিজেও বুজি পাইছে, আৰু প্ৰজাসকলক সি কলেও তাৰ কথা মানি নলয়। আৰু, মই দিয়া শৰ্ত, কেতিয়াও পূৰন হব

নোৱাৰে। সেইটো কথা বিবেচনা কৰি পেলাই তেঁখেতক কৈছো। আপনাৰ বিৰুদ্ধে যোৱাৰ কোনো অবকাশ ৰখা নাই মহাৰাজ।'' মন্ত্ৰী তেঁখেতৰ বক্তব্যৰ স্পষ্ট ব্যাখ্যা কৰি কলে। কিন্তু ৰজাৰ মুখৰ গম্ভীৰভাৱ নাযায়, কিছুসময় মনে মনে থাকি তাৰপাছত তেঁখেতে বেলেগ ঠাইত গুচি যায়।

বেতাল তাৰ নিজৰ কাহিনী শেষ কৰি প্ৰশ্ন কৰিলে, ''ৰাজন, প্ৰজাসকলে বিনয়কক সিহঁতৰ প্ৰতিনিধি নিৰ্বচন কৰিছিল। কিন্তু শিক্ষিত হোৱাৰ পাছত তাৰ আকাংখা বাঢ়ে, কিন্তু বুদ্ধি থকাৰ বাবে সি ৰাজসিংহাসন আৰু নাচায়, সি ৰাজকৰ্মচাৰী থকাৰ সিদ্ধান্ত গ্ৰহন কৰে। কিন্তু কিয় ?

''দ্বিতীয় প্ৰশ্ন, পৰিস্থিতি ৰক্ষাৰ বাবে মন্ত্ৰী ৰাজসিংহাচন বিনয়কক দিয়াৰ কথা উঠোৱাৰ পাছত ৰজা শংকিত হয় কাৰন সঁচাকৈ তেঁখেতৰ সিংহাচন যোৱাৰ ভয় আছিল। কিন্তু মন্ত্ৰী তেঁখেতক আশ্বাস দি কয় যে, যিমানদিন প্ৰজাসক অজ্ঞান অশিক্ষিত অন্ধবিশ্বসী থাকিব তিমানদিন সিংহাচন হেৰুৱাৰ ভয় নাই। ইয়াত ৰজাৰ প্ৰসন্ন হব লাগিছিল, কিন্তু গম্ভীৰভাবে গুচি গল কিয় ? মোৰ প্ৰশ্নৰ উত্তৰ জনা সত্ত্বেও যদি নীৰব থাকা তেতিয়াহলে তোমাৰ মূৰ কাটি যাব।''

বেতালৰ প্ৰশ্নৰ উত্তৰু বিক্ৰমাদিত্য কলে, ''যিমান ভাঙৰ শিক্ষিতই নহওক কিয় স্বাৰ্থক কোনেও এৰি দিব নোৱাৰে। বুদ্ধি বিকাশৰ লগত তাৰ আকাংখাও বাঢ়ি যায়। সেইবাবে শিক্ষিত বিনয়ক প্ৰথমে ৰাজসিংহাচনত বহিবলৈ আশা কৰে। কিন্তু শৰ্তানুসাৰত, সকলো প্ৰজা শিক্ষিত হৈ উঠিলে সকলোৱেই সিংহাচনৰ স্বপ্ন দেখিব। সেই অবস্থাত ৰজা হোৱাৰ সাফল্য নাহিবও পাৰে। সেইবাবে বিনয়ক ৰাজকৰ্মচাৰীৰ পদ গ্ৰহন কৰাই ভাল বুলি মনে কৰে।

''দ্বিতীয়ত, ৰজা তেঁখেতৰ ৰাজ্যৰ পৰা অশিক্ষা, কুসংস্কাৰ আদি দূৰ কৰিব বিচাৰিছিল। কিন্তু যেতিয়া বুজি পায় যে, বংশপৰম্পৰাত ৰজা হোৱাৰ এটা পুৰনি প্ৰথা, তেতিয়া তেঁখেতে ভীত হৈ উঠে ৰাজসিংহাচন হেৰুৱাৰ আশংকাত। ৰাজতন্ত্ৰৰ অস্তিত্ব ও লোপ পাব। সেইবাবে প্ৰজাসকলক আগৰ দৰে সেই অন্ধকাৰ অজ্ঞানতাৰ মাজত ৰাখি দিয়া উচিত। কিন্তু কোনটো ঠিক ? তাৰবাবে ৰজা চিন্তাত উঠি গুচি যায়।''

ৰজাৰ মৌনতাভঙ্গত সফল হৈ বেতাল সেই মুহূৰ্তত মৃতদেহ লৈ অদৃশ্য হৈ যায়।



প্ৰকৃতিৰ খেয়াল

এই বছৰত অতিমাত্ৰাত বৃষ্টিৰ বাবে চাৰিওফালে ঠাইয়ে ঠাইয়ে পানী জমি থাকে। কুশ নদীৰ বন্যাত ওচৰৰ সকলো গাঁও পানীৰ তলত ভুবি যায়। নদীৰ ওচৰতেই নায়েকৰ জমি। খুভব পৰিশ্ৰম কৰি ফচল লগাইছিল সি, কিন্তু সকলোবোৰ পানীত ভুবি নষ্ট হৈ যায়। বহুকষ্ট পোৱাৰ পাছত পৰিবাৰৰ সৈতে নায়েক বাঁচি পেলাই কোনো নিৰাপদ ঠাইত গৈ পাব পাৰিছে।

এইটো খবৰ যেতিয়া নায়েকৰ বন্ধু গায়েন জানিব পাৰে, সি চহৰৰ পৰা গুচি আহে নায়কৰ ওচৰত, সান্ত্বনা দিয়ে তাক, ''এইবোৰ প্ৰকৃতিৰ খেয়াল, যেতিয়া টকা পইচা অহাৰ সময় হয় তেতিয়া নাৰিকলৰ পানীৰ দৰে আহে, আৰু যেতিয়া যোৱাৰ সময় হয় তেতিয়া হাতীৰ বেল খোৱাৰ দৰে গুচি যায়। ভাগ্য এটা হাতত দি অন্য হাতত লৈ যায়। ইয়াত নতুন কি আছে?''

দুই মিনিট মান নীৰবে থাকি নায়েকে কলে, ''তিৰিচ বছৰ ধৰি দিনেৰাতি পৰিশ্ৰম কৰি যি উপাৰ্জন কৰিছো সেয়া এটা ৰাতিৰ মাজত হেৰাই মোৰ কষ্টই হৈছে। তুমি যাৰ কথা কৈছা, সেই প্ৰকৃতিয়ে মোৰ অলপ কৰি দিছে। যদি মোৰ পৰা অলপ অলপ কৰি নিলে হয় তেতিয়া হলে কোনো দুখ নহল হয়। কিন্তু সেইটো নকৰি মোৰ সকলো এটা ৰাতিৰ মাজত লৈ গ'ল। নহলে মোক তোমাৰ এইবোৰ কথা কব নালাগিল হয়।'' নায়েকৰ কথা শুনি গায়েন মনে মনে থাকে।

সোনৰ সিংহাচন

বহুদিনৰ আগত, দক্ষিন ভাৰতত চাৰিখন ভাঙৰ আৰু পৰাক্ৰমী ৰাজ্য আছিল - কালিন্দী, চম্পক, কুন্দ আৰু কৌণ্ডিল্য। ইয়াৰ বাহিৰেও আৰো ছখন সৰু ৰাজ্য আছিল।

কৌণ্ডিল্য ৰাজ্যত তেতিয়া হৈহয় বংশৰ ৰাজত্ব। ৰজা পৌৰস্বত আছিল খুবই পৰাক্ৰমী আৰু লগত সুশাসক। দক্ষিন ভাৰতৰ ৰাজ্য সমূহৰ মাজত কিবা না কিবা কাৰনত যুদ্ধ লাগি থকা দেখা পোৱা গৈছিল। পৌৰস্বত তেঁখেতৰ নিজৰ শৌৰ্য আৰু ৰাজনৈতিক কুশলতাত সকলো ৰাজ্যৰ মাজত মিত্ৰভাব আৰু ঐক্য আনি দিছিল। তেঁখেতৰ নেতৃত্বত সকলো দক্ষিন ভাৰত যেন এক সূত্ৰত হৈ গৈছিল। বেলেগ ৰজা সকলে তেঁখেতৰ নেতৃত্বক স্বীকাৰ কৰি তেঁখেতক সম্ৰটৰ স্বীকৃতি দিছিল। চাৰিওফালে তেঁখেতৰ সুখ্যাতি।

দুৰ্ভাগ্যবশত ৰজা আছিল নিঃসন্তান। তাৰবাবে তেখেতৰ মৃত্যুৰ পাছত তেঁখেতৰ ভায়েকৰ লৰা হয় গ্ৰীব ৰাজ্যভাৰ গ্ৰহন কৰে। হয়গ্ৰীব আছিল সৎ, ভালমানুহ, কিন্তু শাসক হোৱাৰ যোগ্যতা তাৰ নাছিল। এইকথা দৰবাৰৰ সভ্য, আধিকাৰিক আৰু সামন্তবিলাকৰ নজনা আছিল। ৰাজ্যৰ মাত্ৰ এজন তাৰ স্বভাব ও যোগ্যতা সম্বন্ধে ভালদৰে জানিছিল, তেখেঁত আছিল পুলিন্দ ভট্টাৰক।

পুলিন্দ ভট্টাৰক আছিল মন্ত্ৰশাস্ত্ৰৰ এজন মহাপণ্ডিত আৰু এজন কুশল ৰাজনীতিজ্ঞ। কাশীত শিক্ষাসমাপ্তিৰ পাছত তেখেঁতে পৌৰস্বতৰ ৰাজত্বকালত কৌণ্ডিল্য

ৰাজ্যত আহি আশ্ৰয় লয়। তেঁখেতে পণ্ডিত্যত প্ৰভাবিত হৈ পৌৰস্বত সমুচিত সম্মানেৰে পুলিন্দক আশ্ৰয় দিয়ে। ৰজা পৌৰস্বতৰ মৃত্যুৰ পাছত হয় গ্ৰীব তেঁখেতক গুৰু আৰু পিতাৰ দৰে সন্মান দি ৰাজ্যত তেঁখেতৰ প্ৰতিষ্ঠা আৰু বঢ়াই দিয়ে। ইয়াৰ পাছত ৰাজগুৰুৰ মৃত্যু হোৱাৰ পাছত পুলিন্দক কৌণ্ডিল্য ৰাজ্যৰ ৰাজগুৰু হিচাবে ঘোষনা কৰে হয়গ্ৰীব।

গুৰু-শিষ্য দুয়োজনই ভাল পায়। ৰাজগুৰু পুলিন্দ ৰজা হয়গ্ৰীবৰ ঘনিষ্ঠ হৈ উঠে, ৰজাৰ অযোগ্যতা সম্বন্ধে বুজি পায়। তাৰবাবে তেঁখেতৰ দুঃখ হয়, তেঁখেতক এক যোগ্য শাসক হিচাবে গঢ়ি তোলাত উদ্যোগী হৈ উঠে। পুলিন্দৰ ইচ্ছা পৌৰস্বতৰ দৰে হয়গ্ৰীবৰ সুনাম সুখ্যাতি দূৰ-দূৰান্তত বিয়পি পড়িব। অধীনস্থ সামন্ত ৰজাবিলাক যেন তেঁখেতৰ অনুগত থাকে। ৰজাক ৰাজনীতি-বিষয়ে শিক্ষা দি থাকে। আনকালে দৰবাৰ আৰু সামন্ত ৰজাসকলে যাতে তেঁখেতৰ দুৰ্বলতা বুজি পাই সুযোগ নিব নোৱাৰ তাৰবাবে সচেষ্ট হৈ ওঠে। কিন্তু পুলিন্দৰ আন্তৰিক প্ৰচেষ্টা সত্বে ও হয়গ্ৰীব যোগ্য শাসক হব নোৱাৰিলে।

এদিন কেইজনমান সৈন্যক লৈ হয়গ্ৰীব ওচৰৰ বনত যায় চিকাৰৰ বাবে। তাত এটা বন্য জন্তুক দেখি সেইটোক লক্ষ্য কৰি হয়গ্ৰীব তীৰ এৰে। কিন্তু লক্ষ্যভ্ৰষ্ট হয়, চিকাৰটো গুচি যায়। নিৰাশ হৈ যায় তেঁখেতে নিজেৰ অক্ষমতাৰ বাবে নিজৰ ওপৰত ঘৃনা হয়। সেইসময়ত তেঁখেতৰ কানত আহে, সৈন্যসকলে তেঁখেতৰ ব্যৰ্থতা দেখি হাঁহি আছে। তীৰবিদ্ধ হয় তেঁখেতৰ অন্তৰ। সন্যসকলে কয়, এটা সাধাৰন প্ৰানীক বধ কৰাৰ সামৰ্থ্য যদি ৰজাৰ নাথাকে, তেতিয়াহলে এই বিশাল সাম্ৰাজ্য শাসন কৰিব কেনেদৰে ? সঁচাকৈ কি পৌৰস্বতৰ নিচিনা পৰাক্ৰমী আৰু যোগ্য উত্তৰাধীকাৰী ৰাজসিংহাচনত বাহিব ? আহত.........দৰে তেঁখেতৰ অন্তৰ ছটফটাই থাকে। মনে মনে ভাবি থাকে, সেই সময়ত সন্যসকলৰ ধৃষ্টতাৰ বাবে দণ্ড দিয়া হব। কিন্তু তেতিয়া তেঁখেতে আন্তগ্লানি আৰু হীন মন্যতাত ইমানেই আক্ৰান্ত যে তেনেধৰনৰ সাহস প্ৰকাশ কৰিব নোৱাৰে। নিজৰ অযোগ্যতা তেঁখেতক দংশন কৰি থাকে। সন্যসকলক দণ্ড দিয়াৰ কোনো নৈতিক অধিকাৰ তেঁখেতৰ নাই।

নীৰবে নগৰত ওভতি আছে। ৰজাক

গম্ভীৰ আৰু নীৰব দেখি সন্যসকলে চিন্তিত হৈ ওঠে. কিন্তু প্ৰশ্ন কৰাৰ সাহস নহয়। নীৰবত তেঁখেতক অনুসৰন কৰি চলে।

হয়গ্ৰীব আছিল সংবেদনশীল, ভাল হৃদয়ৰ মানুহ। সেই বাবে সন্যসকলৰ অপমান অসহ্য লাগে। আৰু নিজৰ হীনতা আৰু দুৰ্বলতা সম্বন্ধে কুন্ঠিত আছিল। সাধাৰন সৈন্যসকলে যদি অযোগ্যতা দেখি যদি ইমান হাঁহি হাঁহিব পাৰে তেতিয়াহলে দৰবাৰৰ সভ্যবৃন্দ, বুদ্ধিজীবি নাগৰিকবৃন্দ, সামন্ত ৰজাসকলে তেঁখেতৰ বিষয়ে কি ভাবিছে ? সেয়া কল্পনা কৰিয়েই তেঁখেতৰ মনপ্ৰান শিউৰি ওঠে। ''ৰজা হিচাবে কিয়, এজন প্ৰজা হিচাবেও মোৰ বাঁচি থকাৰ কোনো অধিকাৰ নাই। মোৰ এনে জীৱনৰ প্ৰতি ধীক্কাৰ।'' এইবোৰ চিন্তা কৰি দুখৰ মনেৰে ৰাজপ্ৰাসাদত আহি পায়।

পিচদিনা ৰাতিপুৱা ৰাজগুৰু পুলিন্দ খবৰ পায়, মহাৰাজা হয়গ্ৰীবৰ হঠাৎ মৃত্যু হয়। ৰাজপৰিবাৰৰ সকলোৱে ভাবি থাকে, হঠাৎ অকাৰনত তেঁখেতৰ মৃত্যু কিয় হ'ল ? সকলোৰে মনত এটাই প্ৰশ্ন।

ৰাজগুৰু পুলিন্দ ৰজাৰ মৃত্যুৰ কাৰন সম্পৰ্কত চিন্তা কৰি নিজৰ বাসভবনত আছে। সেইসময়ত এজন সৈন্য তেঁখেতক এটা খাম দি ভয়ত কলে, ''আজি ৰাতি পুৱা মহাৰাজ এইটো আপোনাক দিবলৈ পাঠিয়াইছে। আপুনি সেইসময়ত মন্দিৰত পূজা কৰি আছিলে। তাৰপাছত আপনি সোনকালে ৰাজপ্ৰাসাদত উভতি আহে। তাৰবাবে এইটো দিবলৈ দেৰী হৈ গল।''

সেইটো খামৰ ভিতৰত আছিল মহাৰাজৰ লিখা এখন চিঠি। চিঠিখন পড়ি গম পালে যে মহাৰাজ আত্মহত্যা কৰিছে। হয়গ্ৰীব আত্মহত্যা কৰিছে সেই খবৰ শুনি পুলিন্দ বিচলিত হৈ পড়ে।

হয়গ্ৰীবৰ মৃতদেহ দাহ-সৎকাৰ কাম শেষ হৈ যোৱাৰ তিনি বছৰৰ লৰাৰ ৰাজ্যাভিষেক কৰা হয়। তাৰ হৈ শাসনকাৰ্য্য স্বয়ং ৰাজগুৰু পুলিন্দ পৰিচালনা কৰে।

হয়গ্ৰীবৰ শাসনকালতেই ৰাজ্যত বিদ্ৰোহ দেখা দিছিল। যি ৰজাসকলে মহাৰাজ পৌৰস্বতৰ পৰাক্ৰম দেখি আনন্দত তেঁখেতক সম্ৰাটৰূপে স্বীকাৰ কৰি লৈছিল, সিঁহতেই বিচাৰিছে কৌণ্ডিল্য ৰাজ্যৰ পৰা পৃথক হৈ যাবলৈ। ফলত বিদ্ৰোহীৰ সংখ্যা বাঢ়ি ওঠে। হয়গ্ৰীবৰ শিশুপুত্ৰৰ সাবালক হোৱাৰ আগতেই সকলো ৰাজ্য নিজৰ নিজৰ স্বাধীনতা ঘোষনা কৰি পৃথক হৈ যায়।



ছটা সৰু ৰাজ্যও বেলেগ হে যায়। তাৰবাবে হৈহয় ৰাজবংশৰ অধিকাৰত থাকে আগৰ দৰে কৌণ্ডিল্য ৰাজ্য।

সেইসময়ত কৌণ্ডিল্য ৰাজ্যত হৈহয় ৰাজবংশৰ পঞ্চম ৰজা শ্ৰীদত্ত ৰাজত্ব কৰিছিল। তেঁখেত কোমলস্বভাৱৰ হ'লেও এক সমৰ্থ শাসক আছিল। তেঁখেতৰ এটা পুত্ৰসন্তান হয়। সন্তানৰ জন্মৰ সময়তেই ৰানীৰ মৃত্যু হয়। ৰানীক তেঁখেতে বৰ ভালপাইছিল। তাইৰ মৃত্যু শ্ৰীদত্তৰ অন্তৰত গভীৰ আঘাতৰ সৃষ্টি কৰে। শ্ৰীদত্ত যুবক হ'লেও দ্বিতীয়বাৰ আৰু বিয়া কৰোৱা নাই। শিশুপুত্ৰক ভালপাই লালন পালন কৰি ডাঙৰ দীঘল কৰি তোলে। অলপ ডাঙৰ হোৱাৰ পাছত তাক সেই অঞ্চলৰ শ্ৰেষ্ঠ আৰু প্ৰখ্যাত গুৰু কৃষ্ণচন্দ্ৰৰ আশ্ৰমত বিদ্যাভ্যাসৰ বাবে পঠিয়ায়।

সেই বালক যুৱৰাজ বিজয়দত্ত শাস্ত্ৰ আৰু শস্ত্ৰবিদ্যাতে পাৰদৰ্শী হৈ গুৰু-গৃহত আলোকময় চন্দ্ৰৰ দৰে শোভা পাই থাকে। বুদ্ধিমত্তাত আৰু শস্ত্ৰকৌশলত অদ্বিতীয় হৈ উঠাৰ বাবে সি আছিল গুৰুৰ সবাতোকৈ প্ৰিয় ছাত্ৰ। বিদ্যাভ্যাস সমাপ্তিৰ পাছত গুৰু তাক ৰাজনীতি আৰু শাসনসংক্ৰান্ত বিষয়ত শিক্ষাদান কৰে, এজন সুযোগ্য ৰজাৰ বা প্ৰকৃত শাসকৰ কৰ্তব্য কি হব লাগে সেই বিষয়ত জ্ঞান দান কৰে। দেশ আৰু ৰাজ্যৰ ইতিহাস বিষয়ে জনায় আৰু তাৰলগত তাৰ বংশৰ কিছুমান কথা জনায় কেনেকৈ তাৰ পূৰ্বপুৰুষ ৰজা পৌৰস্বত নিজৰ বুদ্ধি আৰু পৰাক্ৰমৰ ফলত এখন সৰু ৰাজ্যক ডাঙৰ সাম্ৰাজত ৰূপান্তৰিত কৰিছিল। কিন্তু তাৰ উত্তৰাধিকাৰী দুৰ্বল আৰু অসমৰ্থ ৰাজাসকলৰ বাবেই সেই ডাঙৰ সাম্ৰাজ্য আকৌ বিভক্ত হৈ যায়। নিজৰ ৰাজবংশৰ এইবোৰ ইতিহাস জানি বিজয়দত্ত গভীৰ চিন্তাত ডুবি যায়, সদায় চিন্তাকৰিছিল, কেনেকৈ আকৌ সেই ৰাজ্যক এক অখণ্ড সাম্ৰাজ্যত পৰিনত কৰিব পৰা যায়।

যুৱৰাজ বিজয়দত্তৰ শিক্ষা যেতিয়া সমাপ্তি হয় তেতিয়া ৰজা শ্ৰীদত্ত দূতৰ সহায়ত আচাৰ্য কৃষ্ণচন্দ্ৰৰ ওচৰত সংবাদ পঠায়, তেঁখেতে যাতে বিজয়দত্তক অতিশোনকালে ৰাজধানীত পঠিয়াই দিয়ে। দেউতাৰ এনে অকস্মাৎ মাতি পঠোৱাৰ সংবাদত বিস্মিত হ'লেও সি গুৰুৰ আদেশত অতিশোন কালে অশ্বাৰোহনত ৰাজধানী অভিমুখত যাত্ৰা আৰম্ভ কৰে।

মহাৰজা ৰাজপ্ৰসাদৰ প্ৰবেশদ্বাৰত পুত্ৰক স্বাগত জনায়। কিন্তু দেউতাৰ মুখত চিন্তাৰ ছাপ লক্ষ্য কৰি বিজয়দত্ত বুজি পায়, ৰাজ্যত নিশ্চয়ই কোনো সমস্যাসংকট দেখা দিছে।

কিছুসময় বিশ্ৰাম আৰু খাইমেলি পিতাপুত্ৰ একান্তত বহিছিল। সেইসময়ত বিজয়দত্ত সুধিলে, ''দেউতা, মই কি জানিব পাৰো কিয় অকস্মাৎ মোক মাতি পাঠিয়ালে ?''

শ্ৰীদত্ত প্ৰশ্ন শুনি অলপসময় নীৰব থাকি তাৰপাছত কলে, ''পুত্ৰ, তুমি চাগে ইতিমধ্যে জানি থাকিবা যে আমাৰ পূৰ্বপুৰুষ ৰজা পৌৰস্বত সকলো দক্ষিন ভাৰতৰ সম্ৰাট আছিল আৰু সৰুভাঙৰ সামন্ত ৰাজ্যসকল তেঁখেতৰ অধীনত আছিল। তেঁখেতৰ ৰাজত্বৰ সময়ত সামন্ত ৰজাসকলে তেঁখেতক বহুতো মহামূল্যবান বস্তু উপহাৰ দিছিল। তাৰভিতৰত সোন-ৰূপ বা বহুমূল্য ৰত্ন-মনি আদিও আছিল। ৰাজকোষ বিৰাট এশ্বৰ্যৰ ভাণ্ডাৰ গঢ়ি উঠিছিল ধীৰে ধীৰে। মহাৰাজ পৌৰস্বতৰ পাছত যদিও সেইবোৰ ৰাজ্য স্বাধীনতা ঘোষনা কৰিছিল, তথাপি এতিয়ালৈকে সেই এশ্বৰ্যভাণ্ডাৰৰ বিষয়ে তেঁওলোকে একো কবলৈ সাহস পোৱা নাই। কিন্তু সকলো এশ্বৰ্য সুৰক্ষিত আছে। কিন্তু......''

ইমানখিনি কোৱাৰ পাছত শ্ৰীদত্ত এক গভীৰ মৌনতাত ডুবি যায়। ''কিন্তু কি দেউতা ?'' পুত্ৰ বিজয়দত্ত তেঁখেতৰ মৌনতা ভাঙি দিয়ে। ''কিন্তু এতিয়া সেই ভাণ্ডাৰৰ ওপৰত কাৰোবাৰ শকুনি-দৃষ্টি আহি পৰিছে।'' শ্ৰীদত্ত কলে।

''কোন সেই মানুহ যাৰ ইমান সাহস, দেউতা ?'' সংযত হৈ খংয়ক প্ৰশমিত কৰি বিজয়দত্ত কলে।





দীর্ঘনিঃশ্বাস ত্যাগ কৰি শ্ৰীদত্ত কলে, ''ষড়যন্ত্ৰকাৰী এজন নহয়, তিনিজন। দক্ষিনাঞ্চলৰ সকলো ৰজা একজোট হৈ। আমাৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছে।''

''সকলোৱে ?'' বিস্মিত বিজয়দত্ত তেঁখেতক সুধে। ''কালিন্দীৰ ৰজাও কি এই ষড়যন্ত্ৰত যোগ দিছে ?''

''ওঁ, তেঁখেতেও।''

উত্তৰ শুনি প্ৰচণ্ড আঘাত পালে বিজয়দত্ত। বিশ্বাসঘাতকতা ! ৰাজ্যৰ সমস্যা কিমান ভয়ানক ! বুজি পায়, দেউতা কিয় ইমান চিন্তাগ্ৰস্ত।

শ্ৰীদত্ত এটা এটাকৈ সকলো ঘটনাৰ সংক্ষিপ্ত বিবৰন দি কলে, ''এতিয়া বাকী ৰাজ্যবোৰ কৌণ্ডিল্য ৰাজ্যৰ পৰা স্বাধীন হৈ গৈছে। আগত সেইবোৰ ৰাজ্য সম্বন্ধে আমাৰ পূৰ্বপুৰুষৰ কোনো দুৰ্ভাবনা নাছিল। মোৰ ভনি ইন্দুমতীৰ বিয়াৰ বাবে স্বয়ম্বৰসভাৰ আয়োজন কৰে দেউতা। দেশ-বিদেশত আমন্ত্ৰনপত্ৰ পঠোওৱা হয়। ইন্দুমতী কালিন্দীৰ যুবৰাজ মাধৱসেনৰ গলাত মালা পিন্ধায়। বিয়া হোৱাৰ পাছত ইন্দুমতী কালিন্দী ৰাজ্যত যায় ৰাজবউ হিচাবে। কিন্তু কিছুদিনৰ পাছত তাঁইৰ মৃত্যু হয়। তাঁইৰ মৃত্যুৰ পাছত মাধৱসেনে বেলেগ ৰাজ্য এজনী ৰাজকন্যা বসুমতীক বিয়া কৰায়। এই বিয়া আমালোৰ প্ৰচেষ্ঠাত হয়। তাৰবাবেই বসুমতী মোক নিজৰ ভাইটিৰ দৰে চায়।

''ইমানদিন ধৰি আমাৰ দুয়োজনৰ সম্পৰ্ক আছিল মত্ৰী ভাবাপন্ন। ৰজা মাধৱসেন সদাই আমাৰ ৰাজ্যত আহিছিল। বসুমতীৰ আন্তৰিক বাসনা আছিল যে তাইৰ একমাত্ৰ ছোৱালী শ্ৰীলেখাৰ বিয়া তোমাৰ লগত হব, কালিন্দীৰ ৰাজ কুমাৰী কৌণ্ডিল্যৰাজ্যৰ ৰাজবধূ হৈ আহিব। মইও সম্মতি দিছিলো। মাধৱসেননেও এই বিষয়ত কোনো আপত্তি প্ৰকাশ কৰা নাই। কিন্তু আজি তেঁখেতেই আমালোকৰ বিৰোধী সকলৰ মাজত এজন।''

ইয়ালৈকে কৈ শ্ৰীদত্ত গভীৰ দুখত চুপ হৈ থাকে। আশ্চৰ্য হৈ চিন্তা কৰি থাকে বিজয়দত্ত, এনেকুৱা কি কেতিয়াও হব পাৰে! মাধৱসেনৰ বাবে তাৰ দেউতাঁয় বন্ধুতো কৰিছে। তাৰ পৰিনামত এই বিশ্বাসঘাতকতা।

লৰাক নীৰব দেখি শ্ৰীদত্ত তাৰ পিঠিত মাৰি কলে, ''পুত্ৰ ! মোৰো প্ৰথমে বিশ্বাস হোৱা নাই। ইয়াৰ সত্যতা বিচাৰি ওলিয়াৰ

ভাৰ দিয়া হৈছিল সেনাধ্যক্ষ বীৰবাহুৰ ওপৰত। গুপ্তচৰৰ পৰা সংবাদ পাই বিস্তাৰিত লিখি এক প্ৰতিবেদন তৈয়াৰী কৰিছে। সেইটো পঢ়ি মই সঁচাকৈ অচৰিত হলো।

বিজয়দত্ত দেউতাৰ কথা মনোযোগেৰে শুনিলে। এই সমস্যা তেঁওই ভাঙিব লাগিব। শ্ৰীদত্ত আকৌ কবলৈ ধৰিলে-''এই প্ৰতিবেদনত বেলেগ এটা গুৰুত্বপূৰ্ণ কথা প্ৰকাশ পায় সেঁয়া মনযোগেৰে শুনা। সকলো মিলি পেলাই এটা মহাসমস্যাৰ সৃষ্টি কৰিছে।''

''দক্ষিনাপথৰ চাৰিটা ভাঙৰ ৰাজ্যৰ এটা চম্পক ৰাজ্য। সেই ৰাজ্যৰ বৰ্তমান ৰজা মৰালভূপতি। তেঁখেতৰ দেউতা চক্ৰভূপতি তেঁখেতৰ ভাঙৰ ভায়েকক বিষ ঘোৱাই হত্যা কৰি ৰাজসিংহাচনত বহে। মৰালভূপতিও তেঁখেতৰ দেইতাৰ দৰে কুটিল স্বভাবৰ। তেঁখেতৰ দুই পুত্ৰ। ৰাজ্যৰ উত্তৰাধিকাৰী ভাঙৰলৰা চক্ৰভূপতি। দুয়োভাই কুটিলতাত সমান। পিতা-পুত্ৰ অকল বেয়াকামত নহয়, যুদ্ধবিদ্যাতও সিঁহত কুশলী। নিজৰ বেয়াকাম আৰু কুবুদ্ধি কুযুক্তি সম্বন্ধত ভাবি সিহত গৰ্ব কৰিছিল। সেই দুয়ো চয়তানৰ কুদৃষ্টি আমাৰ অমূল্য সম্পদ এক্য, মিত্ৰ ভাবক অকল নহয় দক্ষিনাপথৰ সাৰ্বভৌমত্ব শান্তি সমৃদ্ধিকও ভাঙিছে।

''চন্দন ৰাজ্যৰ বাঁওফালে পুবফালে কুন্দ ৰাজ্য আৰু সোঁফালে পশ্চিমফালে কালিন্দী ৰাজ্য। চন্দন ৰাজ্যৰ ৰজা বৃষভধ্বজ। তেঁখেত আছিল বুঢ়া আৰু অসমৰ্থ, আছিল নিঃসন্তান। দুৰ্ভাগ্যক্ৰমত তেঁখেতৰ নিজৰ কোনোও নাছিল যি সিংহাসন দাবি কৰিব পাৰে। তাৰবাবে সেই মৰালভূপতিৰ কৰাল কবলত সেই ৰাজ্য আহে অতিসহজত। ৰজা বৃষবধ্বজ কৈছিল যে, বুঢ়া অৱস্থাত কতো যোৱা তেঁখেতৰ সম্ভৱ নহব। কিন্তু সৈন্য য'ত প্ৰয়োজন সেইঠাইত পঠাব। চম্পক ৰাজ্যৰ পিতা-পুত্ৰ কিছুমান সৈন্য লৈ বৃষভধ্বজ ৰাজ্য আক্ৰমন কৰিলে সেই ৰাজ্য জয় কৰিছিল। কিন্তু সেয়া কৰা নাই, কাৰন তেঁখেতে কৌণ্ডিল্য ৰাজ্য দখল কৰিব বিচাৰিছিল। বেলেগ ৰাজ্যৰ লগত যুদ্ধত জড়িত হব বিচৰা নাই তাৰ আগত, তাত আমি সাবধান হৈ যাম।

''কুন্দ ৰাজ্যৰ ৰজা সিঁহতৰ লগত সন্ধি কৰে। নজৰ এতিয়া কালিন্দীৰ ওপৰত, আমাৰ বৃষভ ৰাজ্যৰ মাজত অৱস্থিত। কালিন

দী ৰাজ্যৰ লগত আমাৰ সুসম্পৰ্ক থকাত তেঁও খুব সাবধানত আগবাঢ়িছে। ইয়াৰ বাহিৰে, মৰাল ভূপতিৰ পুত্ৰ কালিন্দী ৰাজকুমাৰীৰ অপৰূপ সৌন্দৰ্য্যৰ কথা শুনি তাইৰ প্ৰতি আকৃষ্ট হৈ পড়ে।''

শ্ৰীদত্ত কথাকোৱা বন্দ কৰে। বিজয়দত্ত তেঁখেতৰ দেউতাৰ সেই ৰাজনৈতিক ঘটনাৰ বিবৰন মত দি শুনিছিল। হঠাৎ কথাকোৱা বন্ধ কৰাত তেঁখেত বিস্মিত হয়। তেতিয়া তেঁখেতৰ দেউতা এক দাৰ্শনিকৰ দৰে হাহিমুখত কলে, ''এজন জ্ঞানী কৈছিল, কঁটাৰে ভৰা গছৰ মাজত গোলাপফলৰ দৰে এজন ৰজাৰ জীৱন।''

দেউতাকৰ কথা শুনি তেঁখেত শংকিত হৈ ওঠে। তেঁখেত জানিছিল, কৌণ্ডিল্য আৰু কালিন্দী ৰাজ্যৰ দুয়ো পৰিবাৰেই বিচাৰিছিল শ্ৰীলেখাৰ লগত তেঁখেতৰ বিয়া হব। সৰুৰে পৰা সিঁহত দুজনে এইটো কথা জানিছিল। কিন্তু ৰাজনীতিৰ ঘোৰপ্যাঁচত সিহতৰ দুজনৰ প্ৰেম খেলৰ ঘুটিত পৰিনত হৈছে। সেই ৰাজনীতিৰ খেলাত বিজয়দত্ত কি জিঁকিব পাৰিব ? সকলো শত্ৰু নিধনৰ পাছতই কি তেঁখেত শ্ৰী লেখাক পাব ? তিমানদিন তেঁখেতে অবিবাহিত থাকিব ? চম্পক ৰাজ্যৰ ৰাজকুমাৰৰ লগত মনে বিয়া হলে কি কৰিব পৰা যাব ?

পিতা পুত্ৰ দুয়োজন নীৰব। গভীৰ চিন্তাত মগ্ন পুত্ৰ। পিতা পুত্ৰৰ মুখ দেখি তাৰ মানসিক অৱস্থা বুজিব চেষ্টা কৰিছে। গভীৰ চিন্তাৰ জাল ছিঙি যায়। যেন জ্ঞান উভতি আহে। পিতাক কয়, ''বলা পিতা।''

(ক্ৰমশ)



১৮৫৭ চনৰ বীৰত্ব কাহিনী

প্ৰথম স্বাধীনতা সংগ্ৰাম



[আগত যি ঘটিছে ঃ গোটেই দেশত দেশপ্ৰেমৰ জুই যত তত জ্বলি উঠিছে। স্বাধীনতা সংগ্ৰামৰ প্ৰধান দুজন যোদ্ধা ঝাঁসীৰ ৰানী আৰু নানা সাহেব। ঝাঁসীৰ ৰজাৰ মৃত্যুৰ পাছত বিনাকাৰনত সেই ৰাজ্য অধিকাৰ কৰাৰ প্ৰচেষ্টা কৰে ইংৰাজ। কিন্তু ৰানী হব দিয়া নাই। আক্ৰমনকাৰী ইংৰাজ সৈন্যদলৰ লগত সমানে যুদ্ধ কৰে। দুৰ্গৰ পতন অবশ্যম্ভাবী হৈ আহিলে তেঁখেতে শিশু দত্তক-পুত্ৰক পিঠিত বাঁন্ধি লৈ মাজৰাতিত পুৰুষৰ বেশত অশ্বাৰোহ নত ওলাই আহে দুৰ্গৰ প্ৰধান ফটক দি।.....]

ৰানী অশ্বাৰোহনত গৈ আছে। দুয়োফালে দুই বিশ্বস্ত পৰিচাৰিকা, মন্দাৰ আৰু কাশি। পিছফালে অনুসৰন কৰি আহি আছে সৰু কিন্তু পৰাক্ৰমী সেনাদল। মাজেমাজে ৰানী ঘোড়া ৰখাই শত্ৰুসেনাৰ মোকাবিলা কৰি বাধা দিবলৈ চেষ্টা কৰিছে।

গোটেই দিনটো তেঁখেতে বিশ্ৰাম নোলোৱাকৈ ঘোড়া চলাই গৈ আছে। প্ৰথম গন্তব্য স্থান কল্পী। আগদিনা মাজৰাতি যাত্ৰা আৰম্ভ কৰি তাত পাইছে সেইদিনা মাজৰাতিত।

নানা চাহেবৰ খুড়াকৰ লৰা ৰাও চাহেবৰ ৰাজ প্ৰাসাদৰ আগত হাতত সশস্ত্ৰ প্ৰহৰীসকলে পহাৰা দি আছে। তেঁখেত এজন প্ৰকৃত দেশপ্ৰেমিক।

''ৰানী! দেবীৰ দৰে ঝাঁসীৰ ৰানী ইয়াত।'' প্ৰহৰীসকলে বিস্মিত হৈ সিঁহতৰ মাজত আলোচনা কৰিছিল।

ৰাও চাহেব ওলাই আহি ৰানীক স্বাগত জনালে। ৰানী ঘোড়াৰ পৰা নামি আহে। প্ৰাসাদৰ পৰা কেইজন মান মাইকিমানুহ আহি ৰানীৰ টোপনিত থকা পুত্ৰৰ দ্বায়িত্ব লয়। কিন্তু হায়! বিশ্বস্ত অশ্বটোৰ কৰ্তব্য শেষ হৈছে, মাটিত বাগৰি পৰে আৰু মৃত্যু হয়। ৰানী বহি পেলাই প্ৰিয় অশ্বটোৰ প্ৰানহীন দেহত হাত ৰাখে। তাঁইৰ দুচকুৰে নামি আহে অশ্ৰুধাৰা, বিশ্বস্ত সেবকৰ প্ৰতি নীৰব শ্ৰদ্ধা, ভালপোৱা।



কিন্তু বিশ্ৰাম লোৱাৰ সময় নাই ৰানীৰ। ৰাতিপুৱাই তেওঁ ৰাও চাহেবৰ লগত পৰবৰ্তী ৰনকৌশল লৈ আলোচনাত বহে। ৰানীৰ গুপ্তচৰ আগতে আহিছে। সিঁহতে জনায় যে গোটেইদিন ঝাঁসীত লুট-পাট কৰাৰ পাছত ব্ৰিটিশ সেনাধ্যক্ষ স্যাৰ হাগ ৰোজ আধা সেনাবাহিনী লৈ এই ফালেই অগবাঢ়ি আহি আছে।

ৰানী, ৰাও চাহেব আৰু ইংৰাজ-বিৰোধী আন্দোলনৰ বেলেগ এজন নেতা তাঁতিয়া টোপী, সেই অঞ্চলৰ তিনি চাৰিজন ৰজা আৰু সামন্তৰ সৈন্যসকলৰ, যিসকল আহি অপেক্ষাত আছিল, সিঁহতক একেলগ কৰে। তাঁতিয়া টোপীৰ নেতৃত্বত এই সন্যদল ইংৰাজসকলৰ বিৰুদ্ধত আগবাঢ়ি যায়। কোম্পানীৰ সৈন্যদলৰ মুখামুখি হ'ল কুন্দ গাঁওত গৈ। দুয়োপক্ষত ৰক্তাক্ত যুদ্ধ হয়। দুৰ্ভাগ্য যে, তাঁতিয়া টোপী বিভিন্ন ৰজাৰ অধীনস্থ সন্যসকলৰ অলপ সময়ৰ মাজত সুসংগঠিত কৰাৰ সুযোগ পোৱা নাই। তাৰবাবে, অলপ সময় যুদ্ধৰ পাছত সিঁহতক পশ্চাদ পসৰন কৰিব লগা হয়। হাগ ৰোজৰ বাহিনী কল্পীতত প্ৰবেশ কৰি লুঠত ৰাজ কৰে, বিধবস্ত কৰি দিয়ে সেই নগৰ। ইংৰাজসকলৰ সবোতকৈ লাভ হয় ৰাও চাহেবৰ নিজৰ কাৰখানাত প্ৰস্তুত বন্দুক আৰু বহুতো গোলা-বাৰুদসহ অস্ত্ৰাগাৰ অধিকাৰ কৰি।

বিজয়লাভ কৰি ইংৰাজসকলে বৰ আনন্দ হয়। আনফালে, ৰানী লক্ষ্মীবাই, ৰাও চাহেব বা তাঁতিয়াটোপী, কাকো বন্দী কৰিব নোৱাৰি হতাশ হৈ পড়ে। তিনিজন নেতা সিঁহতৰ বাহিনীৰ পুনৰ্গঠিন কৰি গোয়ালিয়ৰ পায়গৈ। গোয়ালিয়ৰৰ শাসক সিন্ধিয়াৰাজ আছিল ইংৰাজৰ সমৰ্থক। কিন্তু ৰাজ্যৰ বিশিষ্ট ব্যক্তিসকল আৰু সাধাৰন প্ৰজাসকলে ইংৰাজ বিৰোধী আন্দোলনকাৰী সকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা কৰিছিল। দেশপ্ৰেমী ইংৰাজবিৰোধী সকল গোয়ালিয়ৰ পোৱাৰ সংবাদ পোৱামাত্ৰ সিন্ধিয়াৰাজ চহৰ এৰি গুচি যায়। ৰানী আৰু বাকীসকলক সাদৰ অভ্যৰ্থনা জনায় জনতা।

হাগ ৰোজ ইয়াৰ ফলত ভয়ানক ভাবে অপমান বোধ কৰে। তেঁখেতে জানিছিল, যদি সিন্ধিয়াক তাৰ গোয়ালিয়ৰৰ সিংহাচন উভতাই দিব নোৱাৰে তেতিয়া হলে বেলেগ ৰজাসকলে ইংৰাজ ইংৰাজসকলৰ ইস্ট-ইণ্ডিয়া কোম্পানীক তেঁখেতৰ ৰক্ষক হিচাপে মানি লব নোৱাৰে। ভাগ্য সহায় যে, ঝাঁসী সম্পূৰ্ণভাবে ইংৰাজ সকলৰ অধীনত আছে। তাত বিশাল বাহিনী ৰখাৰ প্ৰয়োজন নাই। তাৰবাবে সেনাবাহিনীৰ এটা বিৰাট অংশক মাতি নি গোয়ালিয়ৰৰ ফালে আগবাঢ়ি আহে। ইংৰাজ সেনাবাহিনীৰ সৰ্বসম্মুখত অশ্বাৰোহনত চলে সিন্ধিয়া, হাগ ৰোজ-ৰ

নির্দেশত। ৰনকৌশলৰ ফালৰ পৰা সাফল্য আহে ইয়াৰ পৰা। গোয়ালিয়ৰৰ প্ৰজাসকলে বিচাৰিছিল, বিদেশীসকলে সিঁহতৰ দেশ এৰি গুচি যাব। তাৰবাবে দেশপ্ৰেমী সংগ্ৰামীসকলক আনন্দত স্বাগত জনাইছিল। কিন্তু তাৰলগত পৰম্পৰাগত সিন্ধিয়া ৰজাসকলৰ প্ৰতি আছিল স্বাভাবিক আনুগত্য, সহানুভূতি। প্ৰজাসকলে যেতিয়া দেখে, ইংৰাজসকলৰ বিৰুদ্ধে যুদ্ধৰ অৰ্থ নিজৰ ৰজাসকলৰ বিৰুদ্ধত যুদ্ধ সিঁহতে নিৰপেক্ষ থাকি যায়।

ৰানী লক্ষ্মীবাই বীৰবিক্ৰমত ইংৰাজসকলৰ বিৰুদ্ধে যুদ্ধ কৰে, দৃঢ়নিশ্চিত হৈ সিঁহতৰ মুখামুখি হয়। যুদ্ধত সদায় তেঁখেতে সন্যসকলৰ সম্মুখত থাকি লড়াই কৰিছিল। দুৰ্ভাগ্য, তেঁখেতৰ বিশ্বস্ত ঘোড়াটোৰ আগতেই মৃত্যু হৈছে। নতুন ঘোড়াটো যুদ্ধক্ষেত্ৰত তেঁখেতৰ চলোৱাৰ অভ্যাস হৈ উঠা নাই। আনফালে, শত্ৰুপক্ষ তেতিয়া নিষ্ঠুৰ হৈ উঠে। হাগ ৰোজ আছিল এজন সুদক্ষ সেনানায়ক। ইংৰাজ সৈন্যসকল যুদ্ধত অভিজ্ঞ, অতীতৰ বহুতো যুদ্ধত সিঁহতে অংশ গ্ৰহন কৰিছিল। ৰানীৰ বয়স মাত্ৰ বিশ বছৰ। তাঁই নিজৰ সাহসত, দৃঢ়সংকল্প আৰু দেশপ্ৰেম লৈ ইংৰাজসকলৰ বিৰুদ্ধে বহুতো সময় যুদ্ধ কৰে।

তাঁইৰ সৈন্য সকলোৱেই আছিল দেশপ্ৰেমী, সমৰ্পিত, কিন্তু সিঁহতৰ বেছিৰ ভাগেই প্ৰশিক্ষন প্ৰাপ্ত নহয়। তাৰবাবে সিঁহত প্ৰশিক্ষন প্ৰাপ্ত পেশাদাৰ বিদেশী সৈন্যৰ লগত নোৱাৰে। যদি গোৱালিয়ৰৰ শাসক সিঁহতৰ লগত থাকিল হয়, তেতিয়াহলে পৰিস্থিতি বেলেগ হল হয়। কিন্তু সেয়া নাইহোৱা।

দ্বিপ্ৰহৰৰ পাছত, ৰানীৰ সেনাধিকাৰীসকল তাঁইক পশ্চাদপসৰন কৰাৰ পৰামৰ্শ দিয়ে, ''ইয়াত এনেদৰে আপোনাৰ মৰা উচিত নহয়। আপনি থাকিলে আপোনাৰ

পতাকাৰ তলত জনগন আকৌ আহি সংগঠিত হব।''

সিহতৰ পৰামৰ্শক মানি লয় ৰানীযে। মন্দাৰ, কাশি আৰু কেইজনমান সৈন্যৰ লগত তাঁই যুদ্ধক্ষেত্ৰ এৰি গুচি যায় ঘোড়া চলাই। শত্ৰুসৈন্য ক্ষুধিত বাঘৰ দৰে তাঁইক অনুসৰন কৰে। সৈন্যগন জানে, ৰানীক জীবিত বা মৃত অৱস্থাত ধৰিব পাৰিলে ইংৰাজ প্ৰভুৰ ওচৰত বহুমূল্য পুৰস্কাৰ পাব।

এটা চৌমাথাত আহি ৰানী সৰু গলিৰ ভিতৰত ঘোড়া চলাই গৈ থাকে। অনুসৰনকাৰী শত্ৰুসেনা বুজিব নোৱাৰে কোনফালে তাঁই গৈছে। সিঁহতে বিভক্ত হৈ সব ফালে যায়। ৰানীৰ দেহৰক্ষীসকল হঠাৎ ৰখি যায়, শত্ৰুসৈন্যদল আহিলে সিঁহতক পৰাস্ত কৰি হত্যা কৰে।

ৰানী কিছুদূৰ আগবাঢ়ি যায়। শত্ৰুসেনাৰ

আন এটা দল তাঁইক দেখা পাই খেদি আহে। আগত এটা নদী। আগৰ ঘোড়াটো থাকিলে সি ৰানীক লৈ পাৰ হৈ যাব পাৰিল হয়। কিন্তু নতুন ঘোড়াটোৰ সেই যোগ্যতা নাই। নদীৰ ওচৰত আহি ৰখি যায়।

সেইসময়ত শত্ৰুসৈন্য আহি ৰানীৰ সৈন্যসকলক আক্ৰমন কৰে। মন্দাৰ আহত হয়। ৰানী ইমানসময়ৰ মাজত এনে এটা ঠাইত আহে যত নদীৰ গভীৰতা হ'ল অকনমান। অতি সহজে ঘোড়া চলাই তাঁই পাৰ হৈ যাব পাৰিল হয়, কিন্তু আহত মন্দাৰৰ আৰ্ত চিঞৰ শুনি গুচি আহে। তাঁইৰ তৰোৱাল জিকমিকাই ওঠে, এটা আঘাতত লুটি পড়ে মন্দাৰৰ আক্ৰমনকাৰী ঘোড়াৰ পৰা নামি তাঁই আহত মন্দাৰৰ ওচৰত আহে। তেতিয়া এজন কাপুৰুষ শত্ৰুসৈন্য ৰানীৰ মুৰত আঘাত কৰাৰ বাবে তৰোৱাল তোলে। কিন্তু তাৰ আগতেই এজন দেহৰক্ষীৰ আঘাতত শত্ৰু বধ হয়। ৰানীও আহত হয় বৰ বেয়াভাবে। ৰক্তাক্ত অৱস্থাত তাঁইক ওচৰৰ ঘৰ এটাত লৈ অহা হয়।

''মোৰ বীৰ সন্তানসকল !'' ক্ষীনকণ্ঠত ৰানী কলে, ''মৃত্যুৰ লগে লগে মোৰ মৃতদেহ সৎকাৰ কৰিবা। শত্ৰু অতি শোনকালে আহি যাব। মোৰ গাঁ যাতে সিঁহতে ছোঁব নোৱাৰে।'' তাৰপাছতেই তাঁইৰ মৃত্যু হয়। তাঁইৰ বিশ্বাসী সেবকসকলে প্ৰচুৰ পৰিমানে শুকান কাঠ-পাতা সংগ্ৰহ কৰি আনি ৰানীৰ দেহৰ সৎকাৰ কৰে।

এক মহান ব্যক্তিত্বময় জীৱনৰ পৰিসমাপ্তি ঘটে এইদৰে। তাঁইৰ জীৱন একমাত্ৰ তুলনা কৰা যায় ইতিহাসৰ জান দ্য-আৰ্ক ৰ লগত।

জওহৰলাল নেহৰু কৈছিল, ''আন বহুতো নামৰ মাজত এটা নামক জনগন এতিয়া স্মৰন কৰে, তাঁইৰ নাম ঝাঁসীৰ ৰানী, ৰানী লক্ষ্মীবাই। বিশ বয়ষীয়া এই নাৰী দেশৰ বাবে

যুদ্ধৰত অৱস্থাত প্ৰানত্যাগ কৰে। যিসকল ইংৰাজ সেনাধ্যক্ষ তাঁইৰ বিৰুদ্ধে যুদ্ধ কৰিছে, সিঁহতৰ মন্তব্য ঃ ‘সৰ্বোত্তম আৰু সৰ্বশ্ৰেষ্ঠ বীৰ নাৰী।

ক্ৰমে সেইসময়ৰ স্বাধীনতা সংগ্ৰামৰ পৰিসমাপ্তি হয়। সাহসী বীৰ দেশপ্ৰেমী সকলে এজন এজনকৈ মৃত্যুবৰন কৰে, কোনোৱা যুদ্ধক্ষেত্ৰেত কোনোৱা ফাঁসীত।

বীৰত্ব, সাহ সিকতা, বিচক্ষনতা, নেতৃত্ব - ভাৰতত এইবোৰ গুনৰ কোনো অভাৱ নাছিল। পৰাক্ৰমী সেনাৰ অভাৱও নাছিল। অভাৱ আছিল কেবল সেইসময়ত বিভিন্ন দেশীয় ৰাজপুৰুষৰ মাজত ঐক্য, তাৰ পৰিবৰ্তে আছিস শত্ৰুতা। সিঁহতৰ মাজত বহুতে প ্ f ত প ক্ষ দেশীয় ৰাজাৰ বিৰুদ্ধে যুদ্ধ বাবে বিদেশী সকলৰ লগত হাত মিলাবলৈও কুন্ঠা বোধ কৰা নাই। ইয়াৰ বাহিৰে, ইংৰাজ সকলৰ আছিল উন্নতমানৰ অস্ত্ৰশস্ত্ৰ আৰু প্ৰশিক্ষন প্ৰাপ্ত পেশাদাৰ সৈন্যদল। ভাৰতীয় সেনা আছিল দেশপ্ৰেমত উদ্বুদ্ধ সাধাৰন মানুষ, যুদ্ধৰ কলাকৌশল সিহতে একোই নাজানিছিল।

স্বাধীনতা সংগ্ৰাম সমাপ্তিৰ পাছত ইস্ট-ইণ্ডিয়া কোম্পানিৰ সৈন্যসকল ভাৰতীয় সকলৰ ওপৰত নিৰ্মম অত্যাচাৰ কৰে। বহুতো নিৰীহ মানুহক হত্যা কৰে, শতশত গ্ৰাম জ্বলাই নিশ্চিহ্ন কৰি দিয়ে। প্ৰাসাদ আৰু দুগবিলাক ধ্বংস কৰে। স্বাধীনতা সংগ্ৰামীসকলক সমৰ্থন কৰাৰ ফলত শেষ মুঘল সম্ৰাট বাহাদুৰ শাহ জাফৰ ৰেঙ্গু নত নিৰ্বাসিত হয় আৰু তাতেই মৃত্যু হয়।

ইস্ট-ইণ্ডিয়া কোম্পানীৰ নিৰ্মম অত্যাচাৰ, নীচতা, অপশাসনৰ বিৰুদ্ধে ইংলণ্ডৰ জনগন আৰু নেতৃবৃন্দ মত প্ৰকাশ কৰে, ভাৰত শাসনৰ ভাৰ কোম্পানীৰ হাতৰ পৰা ৰানীৰ দায়িত্বত আহে। ৰানী ভিক্টোৰিয়া ৰাজক্ষমা ঘোষনা কৰি ভাৰতীয় ৰাজাসকলৰ স্বাধীনতা আৰু তৎকালীন অধিকাৰকত স্বীকাৰ কৰি লয়।





মুক্তি

ৰাজপ্ৰাসাদৰ প্ৰধান ফটকৰ আগত সদায় এজন সাধু আহি কৈ যায়, ''অসীম মোৰ বুদ্ধি, অসীম মোৰ সামৰ্থ্য। কিন্তু এনে কাকো পোৱা নাই যি মোৰ এই অসীম ক্ষমতাৰ সুযোগ লব পাৰে। কোনো বিশেষ কাৰনত, মই নিজেও এই সুযোগ গ্ৰহনত অসমৰ্থ।''

ৰজাৰ কানত যায় এই কথা। এদিন ৰজা তাঁক মাতি পঠায়। সাধু মানুহজন আহিলে ৰজা কয়, ''সদাই আহি আপনি এটা কথাকেই কৈ যায়। ইয়াৰ অৰ্থ কি ? মোক অলপ বুজাই কব পাৰিব ?''

''মহাৰাজ, মোৰ ওপৰত যদি আপনাৰ বিশ্বাস থাকে, তেতিয়া হলে মই যিমান টকাপইচা চাম তিমান মোক দিব। কেইদিন মানৰ পাছত, আপোনাৰ দিয়া টকাপইচা আপনাক ঘুৰাই দিম। আপনাৰ ৰাজভাণ্ডাৰ পূৰ্ণ কৰাৰ সামৰ্থ্য মোৰ আছে। আপনি সম্মত ? সাধুয়ে ৰজাক মুখামুখি কলে।

এবছৰৰ পাছত সাধু আহি ৰজাৰ লগত লগ কৰি কলে, ''মহাৰাজ মনত আছে চাগে, যোৱা বছৰত এই দিনত আপনি কথা দিছিলে মোৰ প্ৰয়োজন অনুযায়ী টকা দিব মোক। মোৰ কাম সম্পন্ন কৰিবলৈ অলপ টকাৰ প্ৰয়োজন। অলপ দিয়ে নেকি ?

মন্ত্ৰীৰ নিষেধ সত্বেও সাধুয়ে খোজা টকাপইচা ৰজা তাঁক দিয়ে। আকৌ এবছৰ পাছত সাধু-মানুহজন আহি কাম সম্পন্নৰ বাবে অলপ পইচা খুজিলে ৰজা সকলোৰ মতক অগ্ৰাহ্য কৰি তাক পইচা দিয়ে।

আকৌ এবছৰ পাছত সাধুজন আহিলে ৰজাই প্ৰথমে তাক সুধে, ''কি, আৰু টকাপইচা চোৱা নেকি ?''

''না মহাৰাজ। মোৰ কাম এতিয়া শেষ হৈছে। মহামন্ত্ৰীক লগত লৈ আপনি মোৰ লগত এতিয়াই আহক। আপোনি দিয়া টকাৰ সহায়ত মোৰ বুদ্ধি সামৰ্থ্য কিমান

ভাঙৰ টকাপইচাৰ অনুসন্ধান কৰিছে, চাব।''

অলপ সময় চিন্তা কৰি ৰজা সাধুজনৰ লগত যোৱাৰ বাবে সাজু হয়। কিন্তু মন্ত্ৰীৰ তেতিয়াও সন্দেহ যোৱা নাই। ৰজাক কলে, ''মহাৰাজ, নাজানো, কত লৈ যাব। ভালদৰে নাজানি পেলাই এনেকুৱা দুজনৰ যোৱাটো নিৰাপদ নহয়।''

''ইয়াৰ মাহাত্ম্য চোৱাৰ বাবে মই ধৈৰ্য ধৰি অপেক্ষা কৰি আছিলো। বিন্দুমাত্ৰ ভীতি আৰু দ্বিধা লৈ তাঁক বিশাল পৰিমান অৰ্থ দিয়া নাই।'' উত্তৰ দিলে ৰজা।

আগৰ পৰাই সাধুৰ ওপৰত মন্ত্ৰীৰ সন্দেহ, অবিশ্বাস। সাধু সেয়া ভালদৰেই গম পাইছিল। মন্ত্ৰীক তাৰবাবে কলে, ''মন্ত্ৰী মহোদয়, যদি কোনো অশুভ আশংকা আপোনাৰ থাকে, তেতিয়া হলে দেহৰক্ষী সকলক লগত লৈ বলক।''

''না, আমি দুয়োজনই অকল যাম আপোনাৰ লগত,'' ৰজা সাধুক জনালে।

সাধুৰ লগত ৰজা মন্ত্ৰীৰ সৈতে যাবলৈ ওলায়। মন্ত্ৰীৰ নিৰ্দিশত দুজন দেহৰক্ষী সিঁহতক অনুসৰন কৰি চলে। নগৰ, নদী, বন-জংগল আৰু পৰ্বত পাৰ হৈ তিনিওজন সমুদ্ৰৰ পাৰত আহে। তাত সৰু এটা নাও। মাঝি আৰু সেই তিনিজনৰ বাহিৰে নাওত কোনো ঠাই নাই। নাওখন এটা দ্বীপত আহি ৰখে। যিমানদূৰলৈকে চক্ষু যায় অকল ভস্ম, আৰু বক চৰাই চৰত ঘুৰি ফুৰিছে। ধূলিৰ মাজেৰে এটা পাকদণ্ডী ধৰি সিহত আগবাঢ়ি যায়।

''যেন লাগিছে কোনো মায়া-দানবৰ ৰাজত্বত আহি পাইছো, ক'ত লৈ গৈ আছে আমাক ?'' তৰোৱালত হাত ৰাখি ভয়ত মন্ত্ৰীয়ে সাধুক সুধিলে।

''ভয়খোৱাৰ একো নাই। আৰু মায়া মন্ত্ৰৰও ব্যাপাৰ নহয়। বিশাল ধনৰাশি লৈ এটা সৰু দ্বীপ। বহুতো মানুহ আহিলে ইয়াৰ বক চড়াই বিলাক ভয়খাব। সেয়া আপোনাৰ দেহৰক্ষী দুজনক উপকূলত থাকিব কৈছো।'' সাধুজন উত্তৰ দিলে।

গৈ গৈ এটা ঠাইত আহি ৰখি গ'ল। আগত এটা লোহাৰ দৰজা। দৰজাখন মেলি ৰজাক ভিতৰত যাবলৈ কয় সাধুজন। নিৰ্ভয়ত ৰজা আগবাঢ়ি যায়। ভিতৰত যাবলৈ কয় সাধুনত নিৰ্ভয়তা ৰজা আগবাঢ়ি যায় । ভিতৰত গৈ চায় তলত নমাৰ সিঁড়ি। ৰজা তলত নামিলে। মনিমানিক্যত ঘৰখন ভৰ্তি আছিল। ৰজা আচৰিত হৈ যায়। ভাঙৰ ভাঙৰ চকুৰে গোটেই ঘৰটো ঘুৰি চাই থকে। বহুতো সময় পাৰ হৈ যায়, তথাপি ৰজাক উভতি অহা নেদেখি মন্ত্ৰীৰ মনত

আশংকা জাগে। তৰোৱাল হাতত লৈ সাধুৰ হাত চেপা মাৰি ধৰে। তেতিয়াই ৰজা ওলাই আহি মন্ত্ৰীক গৈ চাই আহিব দিয়ে। মন্ত্ৰী তলত আহি অচৰিত হয়। বুজি পায় সাধুক সন্দেহ কৰা তেঁখেতৰ অন্যায় হৈছে। যেনেকে কৈছিল তেনেকৈ কৰিছে সাধুয়ে। বাহিৰত আহি তাঁৰ ওচৰত ক্ষমাভিক্ষা খোজে।

ৰজা বৈৰাগীৰ আগত গুপ্তধনৰ ৰহস্য জানিব বিচাৰিলে সাধুয়ে কয়, ''আচলতে মই এজন ব্যবসায়ী সদানন্দ নাম। ব্যবসায়ৰ বাবে সমুদ্ৰ পাৰ হৈ বহুতো দেশত, বহুতো দ্বীপত যাব লগা হৈছিল। সেইসময়ত এই দ্বীপৰ বিষয়ে জানিব পাৰো। দ্বীপৰ চাৰিওফালে শিল-পাথৰৰ প্ৰান্তৰ, তাত অগনন শামুক, ঝিনুক। ঘোৰাৰ বাবে বক সাৰস বিলাকে পানীৰ পৰা তুলি শিলৰ ওপৰত বহে। শামুক আৰু ঝিনুকৰ ভিতৰত থাকে মনিমুক্তা। এই মনিমুক্তা সংগ্ৰহ কৰাৰ বাবে ব্যস্ত হৈ যাও। কিন্তু, দুৰ্ভাগ্য যে দুৰ্ঘনাত পুত্ৰ আৰু স্ত্ৰীক অকালতে হেৰাবলগীয়া হয়। জীৱনৰ ওপৰত মোৰ কোনো আশা নাথাকে। কিন্তু দ্বীপত সংগৃহীত মনিমুক্তাৰ বিশাল ভাণ্ডাৰ মনত গাঁথি থাকে। এশ্বৰ্যৰ প্ৰতি আসক্তি থাকিলে প্ৰকৃত সন্যাসজীৱন লাভ কৰিব নোৱাৰি। হয়তো এই আসক্তিই পুনৰায় সংসাৰজীৱনত টানি লৈ যাব। ইয়াৰ পৰা মুক্তি পাব বিচাৰিছো। আপনাৰ পৰা অৰ্থ সাহায্য লৈ ইয়াৰ অৰ্থভাণ্ডাৰ তৈয়াৰ কৰি ইয়াক এনেকৈ সুৰক্ষিত কৰিছো। বক-সাৰসৰ দল মনিমুক্তাৰ ভাণ্ডাৰ দেখা নাই। তাৰপাছত কিছুমান মানুহক কামত লগাই ঝিনুকৰ ভিতৰৰ পৰা মুক্তা ওলিয়াই গোপনে এই কক্ষত ৰাখি দিয়ে। মোৰ সত্য ৰক্ষা কৰিলো। মোৰ কাম সমাপ্ত হ'ল। এতিয়া আপনি এইবোৰৰ অধিকাৰী। মই মুক্ত হৈ নিশ্চিন্ত মনত তপস্যা কৰিব বিচাৰো। আপনি সুখত থাকক।''

মনিমুক্তাৰ ভাণ্ডাৰ ৰজাৰ হাতত দি সাধুজন সকলো এৰি থৈ মুক্তি লৈ বিদায় লয়।



কাবেৰী নদীৰ তটভাগত - ৩

টিপুৰ ৰাজ্য

ৰচনা - জয়ন্তী মহালিঙ্গম চিত্ৰ - গৌতম সেন

কাবেৰী নদী কৃষ্ণ ৰাজ সাগৰৰ পৰা আৰও ৩৭ কি.মি. দক্ষিনপুব ফালে আগ বাঢ়ি যায়। তাৰপাছতই দুভাগত ভাগ হৈ প্ৰবাহিত হয়। তাতেই সৃষ্টি হয় কাবেৰীৰ প্ৰথম দ্বীপ, শ্ৰী ৰংগপট্টন। এই দ্বীপ দৈৰ্ঘ্য ৫ কি.মি. আৰু প্ৰস্থ ২ কি.মি.। কাবেৰী নদী সৃষ্ট আৰো দুটা ভাঙৰ দ্বীপ আছে, আৰু প্ৰতিটো দ্বীপ প্ৰতিষ্ঠিত আছে শ্ৰীৰংগনাথৰ মন্দিৰ। শ্ৰীৰঙ্গপট্টনৰ মন্দিৰটোক আগত 'আদিৰংগ' বুলি কোৱা হৈছিল।

মধ্যযুগৰ পৰা এই দ্বীপৰ গুৰুত্ব বুজা যায়, বিশেষ কৈ সামৰিক বৈশিষ্ট্যত। অষ্টদশ শতকৰ শেষৰ ফালে প্ৰথমে হায়দৰ আলী, পাছত তেঁখেতৰ পুত্ৰ টিপু সুলতান এই দ্বীপ অধিকাৰ কৰে। সিহঁতৰ ৰাজত্বকালত এই দ্বীপৰ গুৰুত্বও অধিক আছিল।

শ্ৰীৰংগপট্টনৰ প্ৰধান আকৰ্ষন ইয়াত অৱস্থিত দুৰ্গটো। বিজয়নগৰ ৰাজবংশৰ শাসনকালত ১৪৫৪ সনত এই দুৰ্গৰ নিৰ্মান হয়। ৫ বৰ্গ কি.মি. স্থান লৈ সৃষ্টি এই দুৰ্গৰ অভ্যন্তৰত গড়ি উঠিছে এটা চহৰ আৰু সেই চহৰৰ বৰ্তমান জনসংখ্যা ২০,০০০ ৰও বেচি। ৪,৫০০ মিটাৰ দৈৰ্ঘ্য এই দৰ্গৰ চাৰিটা ফটক আছে - সেইবিলাক যথাক্ৰমে ব্যাংগালোৰ, মহীশূৰ, দিল্লী আৰু ওয়াটাৰ গেট। তিনিটা প্ৰতিৰক্ষা প্ৰাচীৰ আৰু তিনটা পৰিখাসহ এই দুভেৰ্দ্য দুৰ্গৰ এখন ভংগা অৱস্থা হলেও এইটো এতিয়াও দেখিলগীয়া জেগা। এই দুৰ্গৰ ভিতৰত আছে শ্ৰীৰংগনাথ মন্দিৰ, টিপু কৰ্তৃক নিৰ্মিত মছজিদ, লালমহল, প্ৰাসাদ (এতিয়া ধ্বংসপ্ৰাপ্ত) আৰু আছে 'ডানজেন', ভূগৰ্ভস্থ এন্ধাৰ কাৰাকক্ষ।

চিত্ৰৰ অভ্যন্তৰত ঃ টিপু-সুলতান
শ্ৰীৰংগপট্টন দুৰ্গ



গুম্বজ

শেষ-এ-মহীশূৰ টিপু-সুলতান আছিল এনে এক ব্যক্তিত্বময় পুৰুষ যোনে সকলোৰ আগত স্বাধীনতাৰ মল্য দিছিল। কোনো কোনো ঐতিহাসিক বিশেষত এজন প্ৰখ্যাত ইংৰাজ, টিপু সুলতানক এজন গোঁড়া যথেচ্ছ চাৰী ব্যক্তি হিচাবে নিন্দা কৰে। কিন্তু এইটো নেহাতই অতিৰঞ্জিত এটা উক্তি। যেতিয়া শৃঙ্গেৰীৰ শংকৰাচাৰ্য তাঁৰ বিপদৰ সময়ত টিপুৰ ওচৰত সাহায্যৰ বাবে আবেদন জনায় তেতিয়া তেঁখেতে হস্তক্ষেপ কৰি তেঁখেতৰ হৃতসম্পদ আৰু জমি ঘুৰাই দিয়ে তেঁখেতক। হিন্দু মন্দিৰ আৰু ধৰ্মস্থানৰ বাবে হায়দৰ আৰু টিপু দুয়োজনেই উদাৰ মনেৰে দান কৰে। শ্ৰীৰংগনাথ মন্দিৰৰ বহুতো ৰৌপ্য পাত্ৰ সিঁহতৰ দিয়া। কোৱা হয়, যুদ্ধযাত্ৰাৰ আগত পিতা পুত্ৰ দুয়োজনেই শ্ৰীৰংগনাথৰ ওচৰত প্ৰাৰ্থনা জনাইছিল।

১৭৯৯ চনত চতুৰ্থ আৰু শেষ ইঙ্গ-মহীশূৰ যুদ্ধৰ সময় শ্ৰীৰংগপট্টন দুৰ্গ আক্ৰান্ত হয়। সেই যুদ্ধত টিপু ইংৰাজ আক্ৰমনৰ প্ৰতিৰোধ কৰিব নোৱাৰে। শেষ যুদ্ধটো হয় পুৰনি প্ৰাসাদৰ কাবেৰী নদীৰ মুখামুখি। 'ওয়াটাৰ গেট' ৰ আগত। পৰিশ্ৰান্ত টিপু আহত হয় ভালদৰে, অচেতন অৱস্থাত পড়ি যায়। জ্ঞান আহিলে অচলতে তেঁখেতে দুই প্ৰাচীৰৰ মাজত অপ্ৰশস্ত পথত হামাগুড়ি দি দুৰ্গৰ ফালে যোৱা আৰম্ভ কৰে। মীৰ সাদিক নামেৰে এজন বিশ্বাসঘাতকে পথত তাঁৰ মৃৰত গুলি কৰি হত্যা কৰে। যি স্থানত বীৰ টিপু সুলতানে লুটি খাই পড়ি পেলাই প্ৰান হেৰায়

সেই স্থানটোত মৰ্মৰ প্ৰস্তৰখণ্ড বহাই চিহ্নিত কৰি ৰখা হৈছে।

শ্ৰীৰংগপট্টন-এ টিপু-সুলতানৰ সৃষ্টি তিনিটা স্মৃতিৰক্ষক নিদৰ্শনাবলী দেখা যায়। সেই বিলাক হ'ল মছজিদ, দৰিয়া বাগ আৰু গুম্বজ।

১৭৮৭ চনত নিৰ্মিত মছজিদটোত আছে ২৫০ ধাপবিশিষ্ট এটা ঘুৰোবা সিঁড়ি, যি উখ মিনাৰ পৰ্যন্ত উঠি গৈছে। মিনাৰৰ ওপৰৰ পৰা সম্পুৰ্ন দ্বীপটোক একে নজৰত দেখা যায়। দৰিয়া দৌলত বাগ দুৰ্গৰ বাহিৰত অৱস্থিত টিপুৰ গৰমৰ দিনত প্ৰাসাদৰূপত ব্যৱহৃত হৈছিল। এই মহলৰ দেওয়ালত টিপু সুলতানৰ যুদ্ধৰ কাহিনী চিত্ৰিত কৰা আছে। আজিকালি ইটোক এটা সংগ্ৰহশালত পৰিনত কৰা হৈছে। চহৰৰ দক্ষিনপুবফালে অৱস্থিত গুম্বজ হ'ল টিপু আৰু তেঁখেতৰ মাক-দেউতাকৰ সমাধিস্থল। ঘন কোলা ৰঙৰ পাথৰত বনোৱা স্তম্ভ আৰু কাৰুকাৰ্যখচিত হাতীৰ দাঁতেৰ দৰজা, সাইপ্ৰেস বৃক্ষ ধুনীয়া এটা স্থাপত্য।

দুৰ্গৰ ভিতৰত অৱস্থিত ৰংগনাথস্বামী মন্দিৰটো দীৰ্ঘ সময় ধৰি ধাপে তৈৰী হয় বুলি ভাবা হয়। ৰংগনাথৰ বিশাল মূৰ্তিটোৰ দৈৰ্ঘ্য ৮.৫ মিটাৰ। ফনাবিস্তৃত সাতটা মূৰসহ নাগৰ কুণ্ডলীৰ ওপৰত ৰংগনাথস্বামী শায়িত। দেৱতাৰ মূৰৰ ওপৰত নাগ তাৰ ফনা বিস্তাৰ কৰি তেঁখেতক সদায় ৰক্ষা কৰি চলিছে। দৰ্শকসকলে এই দেৱমূৰ্তিৰ দৰ্শন গৰ্ভগৃহৰ বাহিৰত থাকি কৰি থাকে। তলত ঋষি গৌতম আৰু কাবেৰীৰ সৰু মূৰ্তি ৰখা আছে।

দ্বীপৰ পুবফালে শেষ প্ৰান্তত দুৰ্গৰ বাহিৰত এটা উপনগৰী গঞ্জাম-ৰ-পত্তনও

ৰংগনাথস্বামী মন্দিৰ

টিপু কৰে। এটা সময়ত ইয়াত উৎপাদিত ভুমুৰ, বস্ত্ৰ আৰু বহিপাত বিখ্যাত। অষ্টাদশ শতাব্দীত এক ফৰাসী পাদৰী আবে জুবোয়া কৰ্তৃক স্থাপিত ক্যাথলিক গিৰ্জাটো ইয়াৰ বিশেষ উল্লেখযোগ্য।

শ্ৰী ৰঙ্গপট্টনৰ পৰা চাৰিকিলোমিটাৰ দূৰও কাবেৰীৰ আন এটা সৰু দ্বীপ তাৰ চৰাই বসবাসৰ বাবে জনাজাত। জুনৰ পৰা ডিচেম্বৰ মাহলৈকে বহুত দূৰ দূৰনিৰ পৰা কনী পাৰিবৰ বাবে চৰাই তাত আহে, সেই সময়ও আকাশ ৰঙেবৰ অপূৰ্ব হৈ উঠে। ১৯৪০ চনত দ্বীপটোক পক্ষীতীৰ্থ ৰূপও ঘোষিত কৰা হয়। বিভিন্ন দূৰ্লভ জাতীৰ বিদেশী চৰাই তাত আহে। দ্বীপৰ মধ্যস্থলত নিৰ্মিত ওখ ঠাইত উঠিথে দৰ্শকে চৰাই চাব পাৰে।

শ্ৰী ৰঙ্গপট্টন পৰা প্ৰায় ২৫ কিলোমিটাৰ দক্ষিনও ধাৰ চাই আপবাড়ি গথে নদীৰ বাঁও তিৰও সোমনাথপুৰ নামে সৰু গ্ৰাম পোৱা যায়। তাত অবস্থিত কেশব মন্দিৰটো হয়মালা স্থাপত্য শিল্পৰ অপূৰ্ব নিদৰ্শন, বেলুড় - হেলেবিদ - ৩ অবস্থিত মন্দিৰৰ তুলনাত ইয়াৰ ৰক্ষনা বেক্ষনৰ কাম অনেক সুচাৰু ৰূপে কৰা হয়। ১২৫৮ চনত হয়সালা ৰজা তৃতীয় নৰসিংহ-ৰ এক মন্ত্ৰী সোমনাথ দন্ডনায়ক, আন, আন হয়সালা স্থাপনৰ অনুসৰন নক্ষত্ৰৰ আকাৰত এই মন্দিৰ নিৰ্মান কৰা হয়। বাহীৰৰ ফালৰ প্ৰাচীন ৰামায়ন মহাভৰতৰ কাহিনী অবলম্বন খোদত মূৰ্তি দেখিবলৈ পোৱা যায়, গৰ্ভগৃহৰ অভ্যন্তৰ ১৯৪ টা দেবদেবীৰ প্ৰস্তৰ মূৰ্তি দেখিবলৈ পোৱা যায়। মূথ গৰ্ভগৃহৰ পূৰ্বত প্ৰতিষ্ঠিত কেশবৰ মূৰ্তিটো এতিয়া আৰু নাই।

ভাৰতৰ বিখ্যাত মন্দিৰ যোৰ স্থাপন কাৰ আৰ নিৰ্মান কৰ্তাৰ নাম সমস্ত অজ্ঞাত, কিন্তু সোমনাথ পূৰ মন্দিৰৰ বাহিৰৰ ফালে দেওৱালৰ শিল্পীৰ স্বাক্ষৰ আছে অক্ষত ভাবে। এটি ফলক পোৱা যায় যাতে মন্দিৰ নিৰ্মান অৰ্থ দিয়া সকলৰ নামত ঘোষনা কৰা হয়। মন কৰা হয় সোমনাথ দন্ডনায়ক আৰু চাৰিটি মন্দিৰ নিৰ্মান কৰিছিল ইয়াত কিন্তু কেশব মন্দিৰ সহ পঞ্চ লিঙ্গেশৰ আৰ লক্ষীনৰসিংহ মন্দিৰ সময়ৰ কৰাল-গ্ৰাম হয় ধ্বংসৰ হাত এৰি টিকত ৰৈছে। অবশ্য ইয়াত তিনিটা মন্দিৰ ক্ৰমত ধ্বংসৰ দিকত আগবাড়ি গৈছে। চৰকাৰ যদি ইয়াত মন্দিৰ তিনিটাৰ ৰক্ষনা বেক্ষন্যৰ ব্যৱস্থা নকৰে তেনেহলে অপূৰ্ব কাৰুকাৰ্য্যলয় কেশব মন্দিৰ সহ সমস্ত ধ্বংস প্ৰাপ্ত হব।

আশীৰ্বাদ

বিপুল দেশেৰ এটা নগৰ, নাম ৰত্নগিৰি। নগৰৰ এজন ব্যৱসায়ী কুন্তল শেঠ। তেঁখেত বৰ বিশ্বাসী, তাৰবাবে নগৰৰ মানুহৰ লগত তেঁখেতৰ যথেষ্ট সদ্ভাব। সকলোৱেই তেঁখেতক ভাল পায়। ব্যৱসায়ীৰ জীৱনও আগবাঢ়ি যায় সুখত আনন্দত।

বৰুনা তেঁখেতৰ একমাত্ৰ সন্তান। সুন্দৰী আৰু নম্ৰ স্বভাৱৰ ! কোনো পুত্ৰ সন্তান নথকাত কুন্তল শেঠৰ বাসনা, দূৰ সম্পৰ্কীয় আত্মীয়ৰ পুত্ৰ বিনয়ৰ লগত বৰু নাৰ বিয়া দি পেলাই তাঁইক নিজৰ ওচৰত ৰাখিব, পুত্ৰৰ অভাৱ পূৰন কৰিব। তাৰবাবে তেঁখেতৰ মনোবাসনা ব্যক্ত কৰি বিনয়ৰ পিতাক খবৰ পঠায়।

বিনয়ক মাকৰ এই বিয়াৰ প্ৰস্তাৱ ভাল লাগে। স্বামীক কলে, ''হয়তো কুন্তলবাবু নাজানে যে, এই বছৰত ব্যৱসায়ত আমাৰ বহুতো ক্ষতি হৈছে, সেই কাৰনত দেনাত ভুবি আছো আমি। তাৰবাবে বিনয়ক ব্যৱসাৰ বাবে হাওয়াদ্বীপত পঠাৱ বিচাৰিছো। দ্বীপৰ ৰজাৰ স্বীকৃতি পোৱা গৈছে আৰু-বিনয়ও যোৱাৰ বাবে প্ৰস্তুত। তথাপি মোৰ মতে, হাওয়াদ্বীপত বিনয়ক নপঠাই কুন্তল শেঠৰ কন্যাৰ লগত তাৰ বিয়া কৰাক। যৌতুক হিচাবে যিখিনি পোৱা যাব তাৰে আমাৰ ধন শুধ কৰিব পৰা যাব। তাৰপাছত ব্যৱসায়ৰ পৰা যিখিনি আহিব তাৰে বাকী জীৱন শান্তিৰে গুচি যাব। বিদেশত পঠাই বিনয়ৰ বাবেও কোনো চিন্তা নাথাকিব। তাৰোপৰি, হয়তো ভগবানৰ কৃপা হলে সুদিন ঘুৰি আহিব পাৰে।''

মাকৰ কথা শুনি আছিলে বিনয়ে। ঘনীয়েকৰ ঘৰত থকাৰ অৰ্থ ঘৰজমাই হৈ থকা। তাৰ তুলনাত নিজৰ যোগ্যতাৰ বলত নিজৰ ভৰি খাঁৱা হৈ অৰ্থ উপাজন কৰাই তাৰ ইচ্ছা। সি মাকক কলে, ''মা, আজি

এনে আৰ্থিক দুৰবস্থাৰ বাবেই তুমি এনে কথা কব পাৰিছা। দাৰিদ্ৰ্যত ভৰা জীৱন কঠিন, কষ্টকৰ হব পাৰে, কিন্তু সদায় সেইটো বেয়া নহয়। কিন্তু ইয়াৰ বাবে আতংকগ্ৰস্ত হৈ থাকিলে বেয়াক আহ্বান কৰি অনা হয়।

''মোৰ পছন্দ নহয় যে বাহিৰৰ মানুহে আমাৰ সংসাৰৰ অভ্যন্তৰীন অৱস্থা সম্বন্ধে জানিব পাৰে। বিশেষ কৰি, যাৰ লগত আমাৰ সম্বন্ধ হবলৈ গৈ আছে। সেই পৰিবাৰৰ ছোৱালীক বিয়া কৰাই মই ঘৰজমাই হৈ তাত থাকিম, সিঁহতে জানিব মোৰ পৰিনতি কি হৈছে। তেতিয়া আমাৰ বিষয়ে কি ধাৰনা কৰিব ? কব, ধনৰ হাতৰ পৰা বাঁচিবলৈ এই বিয়া কৰাইছে। তেতিয়া আমাক হীন দৃষ্টিত চাব। কিমান নত হ'ব লাগিব ভাবিছা নে ? মোক সেইটো ঘৰত ভৃত্যৰ দৰে থাকিব লাগিব।

''মই সেইটো কোৱা নাই যে বৰুনাক বিয়া নকৰাও। কিন্তু মই বিচাৰো বিয়াৰ আগত সেইখন ঘৰৰ দৰে আমাৰও আৰ্থিক অৱস্থা সমান কৰিব। হাওয়াদ্বীপৰ ৰজা তাত যোৱাৰ অনুমতি দিছে, ব্যৱসায়ৰ অনুমতি পাইছো। তাত আমাৰ দেশৰ দ্বিগুন দামত বস্তুবাহিনী বিক্ৰি হয়। আৰু সোনা তাত খুব সস্তাত পোৱা যায়। দুই বছৰৰ মাজত তাৰপৰা বহু পৰিমানত সোনা লৈ আহিব পাৰো। সিঁহতৰ দৰে প্ৰতিষ্ঠিত ধনী হৈ উঠিব পাৰো। মা, মাত্ৰ দুটো বছৰৰ বাবে তাত যাবলৈ অনুমতি দিয়া।''

বিনয়ক কথা শুনি তাৰ দেউতা খুশি হয়। তাক সমৰ্থন কৰি স্ত্ৰীক কলে, ''চোৱা, ব্যৱসা-বুদ্ধি আমি বংশ পৰম্পৰাত পাই আহিছো। বিনয়ৰ কথাত যেন লাগে, সচাঁকৈ য়ে সি খাঁটি ব্যৱসায়ী। অভাৱৰ সময়ত কাৰোবাৰ ওচৰত মূৰ তলকৈ খাঁড়া হোৱা মোৰও স্বভাৱৰ বাহিৰত।'' তাৰপাছত





বিনয়ক উদ্দেশ্য কৰি কলে, ''মোৰ এটা পৰামৰ্শ। হাওয়াদ্বীপত যোৱাৰ আগত এবাৰ কুন্তলবাবুৰ লগত লগ কৰি যাব।''

বিনয় তাৰ দেউতাৰ লগত কুন্তলবাবুৰ লগত লগ কৰিব ওলায়। কুন্তল বৰ খুশি হলে। বিনয় ব্যৱসাৰ বাবে হাওয়াদ্বীপত গৈ আছে, এই কথা শুনি কুন্তল কলে, ''সমুদ্ৰ পাৰ হৈ দূৰ দেশত গৈ ব্যৱসা কৰা কঠিন আৰু বিপদত পূৰ্ণ। মোৰ বেলেগধৰনৰ ভাবনা হোৱা সত্ত্বেও তাক বাধা দিব নিবিচাৰো। তাত অৰ্থোপাজন হলে নহলেও, দুবছৰৰ পাছত উভতি আহিলে তেতিয়াই তাৰ লগত মোৰ ছোৱালীৰ বিয়া দিম।''

বৰুনাক দেখে বিনয়। তাৰ ৰূপ সৌন্দৰ্য তাক মোহিত কৰি তোলে। বৰুনাক অকলে মাতি নি পেলাই স্পষ্ট কলে, ''তোমাৰ লগত লগ হোৱাৰ পাছত মোৰ হাওয়াদ্বীপত যোৱাৰ ইচ্ছা হোৱা নাই। মোৰ মাৰও ইচ্ছা তাকেই।''

কিছুসময় ৰখি আকৌ কলে, ''তোমাৰ কি ইচ্ছা ?''

অলপ সময় নীৰব থাকি বৰুনা কলে, ৰত্ন গিৰি সৰু এটা নগৰ। ভাঙৰ ব্যৱসা আৰু আপনাৰ দৰে এজন প্ৰতিভাবান ব্যৱসায়ীৰ বাবে এই নগৰ উপযুক্ত নহয়। যিসকল প্ৰকৃত ব্যৱসায়ী সিহঁতে নতুন নতুন ক্ষেত্ৰ সদায় বিচাৰি ফুৰে। মোৰ মতে আপনিও নতুন দেশত গৈ বহু-উপাজন কৰক, এজন ভাঙৰ ব্যৱসায়ী হৈ উঠক। দেশ বিদেশত আপোনাৰ খ্যাতি হওক। কিমান উপাজন হল সেইটো জানিব নালাগে, মোৰ আনন্দ আৰু গৰ্ব হব যেতিয়া সকলোৱে কব যে এজন বিদেশ-ভ্ৰমন বিখ্যাত ব্যৱসায়ীৰ পত্নি মই। দুবছৰৰ পাছত আপনি যেতিয়া বিদেশৰ পৰা ঘুৰি আহিব তেতিয়া মোৰ আনন্দ সীমা

নাথাকিব। সেইঠাইৰ অভিজ্ঞতা ইয়াত আপনাক আৰু বেশি সুখ্যাতি আৰু অৰ্থ আনি দিব। হাওয়াদ্বীপৰ ৰজাৰ অনুমতি আপনি পাইছে, তাৰ যোগ্য ব্যৱহাৰ কৰক। উজ্বল ভবিষ্যত গঠনৰ বাবে বৰ্তমানৰ কিছু সুখক ত্যাগ কৰা বুদ্ধিমানৰ কাম।''

''তোমাৰ কথাখিনি ঠিক। বুজি পালো, পুৰুষৰ সাফল্যৰ ক্ষেত্ৰত স্ত্ৰীৰ প্ৰেৰনাৰ কিমান আবশ্যক।'' বিনয় বৰুনাক কলে। সকলোৰ শুভেচ্ছা লৈ বিনয় হাওয়াদ্বীপত যায়। তাত ব্যৱসায়ত খুব সাফল্য আহে তাৰ। দুই বছৰত বহুতো অৰ্থ উপাজন কৰে। উপাৰ্জিত অৰ্থৰ ভাঙৰ অংশ মাজে মাজে সি তাৰ মা-দেউতাকৰ ওচৰত পঠাই দিছে, যাতে ঋন শোধ কৰি দিব পৰা যায়। হাওয়াদ্বীপত এজন প্ৰতিভাবান কৰ্মঠ ব্যৱসায়ী হিচাবে বিনয় যথেষ্ট সুখ্যাতি অৰ্জন কৰে।

ইতিমধ্যে হঠাৎ এটা অপ্ৰত্যাশিত ঘটনাৰ ফলত সকলোৱে শংকিত হৈ ওঠে। হাওয়াদ্বীপৰ ৰজাৰ জীৱননাশৰ চেষ্টা ভাগ্যবশত ব্যৰ্থ হয়। অনুসন্ধান চলে ষড়যন্ত্ৰকাৰীৰ। জনা যায়, ষড়যন্ত্ৰকাৰী সকলে পলাই বিপুল দেশত আশ্ৰয় লৈছে। তেতিয়া হাওয়াদ্বীপৰ ৰজা দূতৰ মাধ্যমত ৰজাৰ ওচৰত খবৰ পঠায়, ''অনুসন্ধানত জনা গৈছে, মোত হত্যা কৰাৰ বাবে যাৰ প্ৰচেষ্টা আছিল সিঁহতে আপোনাৰ ৰাজ্যত লুকাই আছে।আপনাৰ ৰাজ্যক আমি মিত্ৰৰাজ্য হিচাবে জানো। মিত্ৰৰাজ্য হিচাবে আপনাৰ কৰ্তব্য, সিহঁতক বন্দী অৱস্থাত মোৰ দেশত পঠোৱা। এই গুৰুতৰ পৰিস্থিতিত আপোনাৰ একান্ত সহযোগিতা নাপালে আমি স্বীকাৰ কৰিবলৈ বাধ্য হ'ম যে আপনি মিত্ৰ নহয়, আমাৰ শত্ৰু। আৰু সেই অপৰাধীক আপনি নিজৰ ইচ্ছাত আশ্ৰয় দিছে।''

শেষত সতৰ্ক কৰি দি লিখে, ''যদি এইটো কামত আপনি যথেষ্ট তৎপৰ নহয় তেতিয়াহলে আমাৰ ৰাজ্যত ব্যৱসা বা বেলেগ কামৰ বাবে বসবাসকাৰী আপনাৰ নাগৰিকসকলক নিৰ্দয়ভাবে হত্যা কৰিম।''

বিপুল দেশৰ ৰজা চিঠি পঢ়ি চিন্তাত পড়ে। ৰাজ্যৰ গুপ্তচৰ সকলক মাতি বিচাৰিবলৈ কলে। প্ৰথমে চোৱা প্ৰয়োজন, হাওযাদ্বীপৰ ৰজা যি দোষাৰোপ কৰিছে সেয়া কিমানদূৰ সঁচা, সঁচা হলে অপৰাধী যিমান সম্মানীয় ব্যক্তিই নহওক কিয় তাক যিমান মোনকালে হওক ধৰিব লাগিব।

বিপুলদেশৰ সকলো ঠাইত অপৰাধীক ধৰাৰ বাবে জাল বিছাই ৰখা হৈছে। সকলো সন্দেহজনক মানুহৰ ওপৰত কেড়া নজৰ ৰখা হৈছে। বিনয়ৰ ভাবী শ্বশুৰ কুন্তল তাৰ ভিতৰত এজন। সেইসময়ত তাৰ চিনাকী মানুহ সকলে কোনো এজনৰ ঘৰত বিয়াৰ পাছত পুৰোহিত আৰু এজন কবি আহি সিহঁতৰ ঘৰত আলহি হয়। এটা বাহিৰ ফালৰ ঘৰত সিহঁতৰ থকাৰ ব্যৱস্থা হয়।



পুৰোহিত দেওয়ালৰ এটা ঠাইত কঁটাত ওলোমা ছোলাটো আনিব গলে ছিঙি যায়। সেয়া দেখি কবি টিপ্পনী দিয়ে, ''মূৰ নাই হাড় নাই, হাত আছে কিন্তু ভৰি নাই। সেইটো গেলি কি হ'ল ?'' কৈ কবি হাঁহিবলৈ আৰম্ভ কৰে।

''আপোনাৰ পদ্য বন্ধ কৰক কবি মহাৰাজ, সুইসুতা দি সিলাই কৰিম মই,'' পুৰোহিত বিৰক্ত হৈ কয়।

সেইসময়ত বৰুনাক দেখি কবি তাইক মাতি কলে, ''এনে এটা বস্তু আনি দিয়া যাৰ এটা চকু কিন্তু কাউৰী নহয়। লগত এনে এটা বা সমুদ্ৰৰ দৰে ভাঙৰ হয়, আৰু চাঁনৰ নিচিনা গোলাকাৰত্ত হয়। কিন্তু সেয়া সমুদ্ৰ বা চাঁন এটাও নহয়। সেয়া দুঠাৰে পুৰোহিতে তেঁখেতৰ কাম পূন কৰিব বিচাৰে।

হেঁয়ালি শুনি বৰুনা বিস্মিত হয়। তাৰ দেউতাও শুনিছে। কবিক গালি পাৰি কুন্তল কলে, ''এই অৰ্থহীন কথাখিনি কৈ মোক বিপদত পেলাব ? গোটেই দেশত গুপ্তচৰ ঘৰি ফুৰিছে। এইধৰনৰ ভাষা শুনিলে সন্দেহ হবই আৰু মোক আপেনাক দুয়োজনকেই জেলত যাব লগীয়া হব।'' কিয় গুপ্তচৰ ৰাজ্যত ঘুৰি আছে সেইখিনি কবিক জনায়।

কুন্তল শেঠৰ ভয় দেখি কবি হাঁহি কলে, ''মোৰ কথা কোনো ৰহস্যজনক নহয়। এটা চকু অৰ্থা ৎ সূচ। আৰু আনটো সুতা। কবিসকলৰ স্বভাৱ এনেধৰনৰ শব্দ ব্যৱহাৰ কৰা। আপনি আশ্ৰয়দাতা, আপোনাক আশীৰ্বাদ কৰো। ন্যায়কবিৰ মুখৰ পৰা ওলোৱা শব্দ ব্ৰহ্মাবাক্যৰ সমান। পলোৱাৰ বাবে ষড়যন্ত্ৰকাৰী সকলে সদায় মন্দিৰ বা ধৰ্মস্থান বাছি লয়। মোৰ বিশ্বাস, ইয়াতো একেই। অলপ আশীৰ্বাদ আৰু অলপ অভিশাপ - এই মিশ্ৰনৰ চমৎকাৰিত্বত আপোনাক মই আশীৰ্বাদ কৰিলো। এই সংকেত সেই পক্ষীত বুজি পাব যিটোক পক্ষীৰাজ বুলি মান্য কৰা হয়।''

কুন্তল শেঠ একোই বুজি পোৱা নাই। কিন্তু তেঁখেতৰ ঘৰৰ ওচৰত থকা গুপ্তচৰৰ কানত

এইকথাখিনি যায়, সিহঁতে যেন ষড়যন্ত্রকৰী সকলৰ সংকেত পাই যায়। কবিয়ে ব্যৱহাৰ কৰা শব্দৰ অৰ্থ ধৰি লয় এনে এটা দেৱমন্দিৰ যত দেৱতাৰ বাহন পক্ষী অৰ্থাৎ গৰুড় আছে, সেইটো নিশ্চয়ই বিষ্ণু মন্দিৰ। গুপ্তচৰ সকলে পৰিশ্ৰম কৰে আৰু অনুসন্ধান চলাই সচাঁকৈ বহুদিনৰ পুৰনি পৰিত্যক্ত ভগ্ন প্ৰায় এখন মন্দিৰৰ সন্ধান পায়। বিষ্ণুৰ অৱতাৰ নৰসিংহৰ মন্দিৰ, কোনো এক সময়ত সেই মন্দিৰটো প্ৰতিষ্ঠা কৰে গৰুড় নামে এজন ধনী মহাজন। দেবালয়ৰ চাৰিওফালে তল্লাসি কৰি গুপ্তচৰ সকলে হাওয়াদ্বীপৰ সকলো ৰাজদ্ৰোহী সকলক ধৰে।

ৰজা সকলো ৰাজদ্ৰোহীক বন্দী কৰি হাওয়াদ্বীপৰ ৰজাৰ হাতত তুলি দিয়ে। বিনয় আৰু বিপুল দেশৰ বেলেগ যিবিলাক প্ৰজা আছিল তাত, সকলোৱে স্বদেশত উভতি আহে।

কুন্তল শেঠৰ ছোৱালীৰ লগত বিনয়ৰ বিয়া হয় মহা ধুম ধামেৰে। ৰজা স্বয়ং তাত উপস্থিত থাকি নৱ দম্পতিক আশীৰ্বাদ কৰে। ৰজা সেই বিয়াৰ সময়ত সেই কবিক বহুমূল্য উপহাৰ দি সম্মান জনায়। তেঁখেতৰ ৰহস্যময় শব্দই গুপ্তচৰসকলক নিশানা দি ষড়যন্ত্ৰকাৰী সকলক বন্দী কৰিবলৈ সাহায্য কৰে, দেশটোক এটা ভাঙৰ বিপদৰ পৰা ৰক্ষা কৰে।

সফল ব্যৱসায়ী বিনয় সকৃতজ্ঞচিত্তত চিন্ত কৰি থাকে বৰুনাৰ কথা। তাঁইৰ প্ৰেৰনা উৎসাহ তাক এই সাফল্য সুখ্যাতি আনি দিয়ে। আৰু খ্যাতিসম্মান প্ৰতিভাবান ব্যৱসায়ী যুবকক স্বামী হিচাবে পাই বৰুনাও বৰ সুখী, গৰ্বিতও।

মহাভাৰত

ধৃতৰাষ্ট্ৰ পুত্ৰ দুৰ্যোধনক বোজাবলৈ চেষ্টা কৰে যে, যুদ্ধ সকলোৰ বাবেই সৰ্বনাশ মাতি লৈ আহিব। যেনেকৈ হওক সৰ্বনাশা যুদ্ধক কৰিব লাগিব। কিন্তু দুৰ্যোধন কোনো কথাই শুনিবলৈ ৰাজী নহয়। সভাসদ সকলে বুজি পায়, যুদ্ধ সুনিশ্চিত। যুদ্ধ প্ৰস্তুতিৰ ভাবনা লৈ সকলে বিদায় লয়।

ধৃতৰাষ্ট্ৰৰ আশা আৰু দৃঢ় বিশ্বাস যে, যুদ্ধ তাঁৰ পুত্ৰৰ জয় হব। তেঁখেতে সঞ্জয়ক অকলে মতি কলে, ''সঞ্জয়, পাণ্ডৱ আৰু কৌৰবসকলক কোৱা যে পৰাক্ৰম বিষয়ে তুমি ভালদৰে জানা। তুমি মোক কোৱা, পাণ্ডৱসকলৰ পক্ষত যিসকল আছে সিহঁতৰ মাজত যুদ্ধৰ বিষয়ে কোনে উৎসাহী আৰু কোনে উদাসীন ? তুমি তাত গৈছিলা, তোমাৰ সকলো জনা সম্ভৱ।''

''মহাৰাজ, অকলে আপোনাক একো কব নোৱাৰো, মোৰ কথা শুনি আপোনাৰ মনত প্ৰবল ঈৰ্ষাৰ সৃষ্টি হব। সেইকাৰনে ব্যাস আৰু গান্ধাৰীৰ আগতেই আপোনাক সকলো জনাম।'' উত্তৰ দিয়ে সঞ্জয়।

ব্যাসদেৱ আৰু গান্ধাৰীক মাতি পঠায় ধৃতৰাষ্ট্ৰ। সিহঁতে আহিলে সিহঁতৰ উপস্থিতিত ধৃতৰাষ্ট্ৰক সম্মান প্ৰদৰ্শন কৰি সঞ্জয় কলে, ''ৰাজন কৃষ্ণ অবতাৰ পুৰুষ আৰু-অৰ্জুন মহাবীৰ। ত্ৰিলোকৰ সকলো যোদ্ধা সমবেত হৈ যদি সিহঁতৰ শ্ৰী কৃষ্ণ মন দি ধৰ্মৰাজৰ কথা শুনে। তাৰপাছত কঠিন কন্ঠত কলে, ''যুধিষ্ঠিৰ, পাণ্ডৱ আৰু কৌৰব, দুই-ই মোৰ ওচৰত সমান। দুয়ো পক্ষৰ মঙ্গলচিন্তা কৰি কৌৰব সকলৰ লগত আলোচনা কৰিম আৰু তোমাৰ বাসনা যাতে

সম্পন্ন হয় তাৰবাবে চেষ্টা কৰিম। এই পুন্যকামত সফলতা আহিলে কৰাল মৃত্যুৰ পৰা বহুমানুহক ৰক্ষা কৰাৰ সুযোগ মোৰ হ'ব, সংসাৰত কোনো ধৰনৰ হাহাকাৰ নোঠে।

''কিন্তু দুৰ্যোধন কেতিয়াও তোমাৰ কথা মানি নলয়। ৰাজ ন্যবৰ্গ যিসকল তেঁখেতৰ দলত আছে সিহত সকলে তেঁখেতৰ মতত মত দিব। ত্ৰনেকুৱা কোনোও নাই যে সচাঁটো প্ৰকাশ্যত সমৰ্থন জনাব বা তোমাক সমৰ্থন কৰিব। সিহতৰ কথাবতৰা সিহতৰ ব্যৱহাৰ যদি তোমাক বিন্দুমাত্ৰ আঘাত দিয়ে, সেয়া মোৰ অসহ্যৰ বাহিৰত হ'ব।'' ধৰ্মৰাজ কলে।

''মই দুৰ্যোধনৰ বিষয়ত সকলো জানো ধৰ্মৰাজ। তাৰ দলত যিসকল আছে সিহঁতক ও মই ভালদৰে জানো। মোক অপমান কৰা বা আক্ৰমন কৰাৰ সাহস সিহঁতৰ নাই। যদি এই দুঃসাহস কোনোবা চাব আহে তেতিয়া হলে তাৰ সৰ্বনাশ হৈ যাব। যদি সিহতৰ দ্বাৰা অপমানিত হোৱাৰ ভয়ত শান্তিৰ এই শেষ প্ৰচেষ্টা নকৰা হয় তেতিয়াহলে মোক সকলোৱে দোষাৰোপ কৰিব। সেয়া, কৌৰবহতে মোৰ লগত যি ব্যৱহাৰ নকৰক কিয়, মোক তাত যাব লাগিব।'' দৃঢ়কণ্ঠত কৃষ্ণ কলে।

শ্ৰীকৃষ্ণৰ দৃঢ়তা দেখি ধৰ্মৰাজ যুধিষ্ঠিৰ শান্ত হৈ কয়, ''তোমাৰ যোৱা বন্ধ কৰাৰ মনোভাৱ লৈ মই এই কথা কোৱা নাই কৃষ্ণ। তোমাৰ পৰামৰ্শ অনুযায়ী আমি চলিব বিচাৰো। তুমি আমাৰ প্ৰথপ্ৰদৰ্শক। হস্তিনাপুৰত তুমি নিশ্চয়ই যাবা, আৰু শান্তিস্থাপনৰ এই শেষ চেষ্টা অবশ্যই কৰিবা। প্ৰয়োজন হলে সিহঁতৰ লগত তুমি কঠোৰ ব্যৱহাৰ কৰিবলৈ দ্বিধা নকৰিবা।''

''ধৰ্মৰাজ, তুমি ধৰ্ম আশ্ৰয় কৰিই বৈছা, কিন্তু দুৰ্যোধন অধৰ্মৰ অবতাৰ। ধৰ্মক ৰক্ষাৰ বাবেই যুদ্ধ কৰা ক্ষত্ৰিয়ৰ ধৰ্ম জয় বা পৰাজয়, ইয়াৰ সম্বন্ধে নাভাবি যুদ্ধৰ বাবে প্ৰস্তুত থকাই উচিত। ক্ষত্ৰিয় কেতিয়াও ভিক্ষা নাচায়। নিজৰ অধিকাৰ ৰক্ষাৰ বাবে সি তাৰ স্বাভাবিক প্ৰকৃত্তিক প্ৰয়োগ কৰে। বিৰুদ্ধে খাড়া হয় তথাপি কৃষ্ণক পৰাস্ত কৰা সম্ভৱ নহয়। আপোনাৰ লৰাক বিনাশ কৰাই তাঁৰ সংকল্প।

''সঞ্জয়, এই মহান ৰহস্য তুমি কেনেকৈ জানি লা ? মই কিয় জানিব নোৱাৰি লো ? ধৃতৰাষ্ট্ৰ প্ৰশ্ন কৰে।

''মহাৰাজ, আপোনাৰ অজ্ঞানতাৰ

বাবেই আপনি জানিব নোৱাৰিলে। আপোনাৰ মন তামসিক গুনত পূৰ্ণ হৈ আছে, কলুষিত হৈ আছে। সঁচা জ্ঞানৰ সহায়েৰে কৃষ্ণৰ এই মাহাত্ম্য জনা যায়। মই সেই দৰেই জানিব পাৰিছো।'' নিৰ্ভয়ত নিংসংকোচত সঞ্জয় জনালে। ব্যাসদেব তেতিয়া ধৃতৰাষ্ট্ৰক কলে, ''সঞ্জয় পূৰ্ণজ্ঞানেৰে কৃষ্ণক জানে। তাৰ পৰামৰ্শানুযায়ী চলিলে তোমাৰ মঙ্গল হব।''

উপপ্লাব্য হবলৈ সঞ্জয় হস্তিনাপুৰত গুচি গলে ধৰ্মৰাজ যুধিষ্ঠিৰ কৃষ্ণক কয়, ''কৃষ্ণ এই ঘোৰ সংকটত একমাত্ৰ মিত্ৰজনেই আমাক সহায় কৰিব পাৰে। অকল তুমি বাদে, আমাৰ কোন নো মিত্ৰ থাকিব পাৰে। তোমাৰ ওপৰত নিৰ্ভৰ কৰিই আমি কৌৰব সকলক বিনাশ কৰিব উলাইছো আমালোকৰ বচোঁৱাৰ দায়িত্ব তোমাৰ ওপৰত।''

''তোমাৰ যি কোৱাৰ নিশ্চিন্তত নিৰ্ভয়ত কব পাৰো, '' কৃষ্ণ আশ্বাস দি কলে।

''সভাগৃহত সঞ্জয় যি কৈছে, তুমি সকলো শুনিছা। ধৃতৰাষ্ট্ৰৰ কথাই প্ৰতিধ্বনিত কৰি গল তেঁখেতে। সিহঁতে সাম্ৰাজ্যৰ অংশ ঘুৰাই নি দি শান্তি স্থাপনৰ আশা কৰিছে। ধৃতৰাষ্ট্ৰক বিশ্বাস কৰাৰ ফলত আমাৰ এনে কঠোৰ বনবাস জীৱন ভোগ কৰিব লগা হৈছে। আমাৰ মাতা আৰু হিতৈষী সকলৰ কোনো সুখ দিব পৰা নাই। দুৰ্যোধন যিটো বিচাৰে সেয়া সকলোৱে কৰে। দুযোধনৰ ইচ্ছাই সকলোৰ ইচ্ছা।

''মই কৈছিলো, পাঁচটা গাঁও যেন আমাক দিয়ে। ইয়াতও দুৰ্যোধনৰ অসম্মতি। ক্ষত্ৰিয়ধৰ্ম বৰ কঠিন, নিষ্ঠুৰ। ক্ষত্ৰিয় হৈ

ক্ষাত্ৰধৰ্ম এৰি দিবও নোৱাৰো। শান্তিৰ চেষ্টাও ব্যাৰ্থ হয়। বাধ্যত পৰি ন্যায়ৰ বাবে আমাৰ যুদ্ধ কৰিবলগীয়া হব।

''কৃষ্ণ, তুমি কোৱা, আমাৰ কি কৰিবলগীয়া আছে ? এই পৰিস্থিতিত কোনটো বাঁটেৰে চলিম ?''

''যিমানসময় তুমি সিহঁতৰ প্ৰতি সহানুভূতি দেখা পাবা, তিমানসময় সিহতে তোমাৰ প্ৰতি ধৃষ্টতাপূৰ্ণ ব্যৱহাৰ কৰি যাব, তোমাৰ ৰাজ্য অধিকাৰ কৰি ৰাখিব। এইটোৱেই সিহঁতৰ আসুৰিক প্ৰবৃত্তিৰ প্ৰকাশ।'' শ্ৰী কৃষ্ণ যুধিষ্ঠিৰক বুজাই কৈ থাকে। আৰু কয়, ''এতিয়ালৈকে, তোমালোকৰ প্ৰতি যিমান অন্যায় কৰিছে, যিমান অধৰ্ম কৰিছে, সেই সম্বন্ধে সিহঁতৰ



মনত বিন্দুমাত্ৰ অনুশোচনা নাই। মই নিশ্চিত যে, আমালোকৰ শান্তি-প্ৰস্তাৱ সিহঁতে প্ৰত্যাখ্যান কৰিব। আৰু তুমিও এই ভ্ৰান্তি মনত পোষন কৰি নাৰাখিবা যে, ধৃতৰাষ্ট্ৰ বা পিতামহ ভীষ্ম শান্তিৰ পক্ষত দৃঢ়মত প্ৰকাশ কৰিব। তোমালেকৰ সকলোৰে মঙ্গল সম্বন্ধে চিন্তা কৰি মত প্ৰকাশ কৰিব। ভাণ্ডৰ হিচাবে সিহঁতৰ প্ৰতি তোমাৰ ভক্তিভাৱ লৈ আশা কৰা নিশ্চয়ই অনুচিত।

''কৌৰৱসভাত মই সিহঁতৰ সকলো বেয়াকাম সম্বন্ধে বিস্তাৰিত কম, তোমালোকৰ সঁচা আৰু ন্যায়পৰায়নতা সম্বন্ধে কম। শান্তি স্থাপনাৰ বাবে মই যথাসাধ্য চেষ্টা কৰিম, তোমালোকৰ হিত যেন হয় তাৰবাবে প্ৰচেষ্টা কৰিম। পৰিস্তিতি সকলো বিচাৰ কৰিলে সম্ভৱত, যুদ্ধ অনিবাৰ্য। যিমানদিন দুৰ্যোধন জীয়াই থাকিব, তোমালোকৰ প্ৰাপ্য ৰাজ্য তোমালোকে নোপোৱা। সেয়া যুদ্ধৰ বাবে প্ৰস্তুত হোৱা উচিত।''

ইয়াৰ পাছত ভীম কোমলসুৰত কৃষ্ণক কলে, ''কৌৰৱসকলৰ সভাত উপস্থিত হৈ শান্তিৰ প্ৰয়াস কৰা তোমাৰ আৱশ্যক। সকলোৰে উপস্থিতিত দুৰ্যোধনক বুজোৱা। সেই দুষ্টক বুজোৱা দুঃসাধ্য কাম জানি ও কৈছো তাৰ প্ৰতি স্নেহশীল আৰু মত্ৰীভাৱ লৈ কথা কবা। আমালোকৰ কুৰু-পাণ্ডৱ বংশৰ ওপৰত বিনাশৰ মেঘ যেন নাহে। ধৰ্মৰাজ, অৰ্জুন আৰু মোৰ যুদ্ধৰ প্ৰতি কোনো আসক্তি নাই। আমাৰ সকলোৰে কাম্য যুদ্ধক যেন বাতিল কৰা যায়।

ভীম কোনো ও দিন কৌৰৱ সকলৰ প্ৰতি এনে কোমল সহৃদয়পূৰ্ণ মন্তব্য কৰা নাই। শান্তিৰ বাবেও কোনোও দিন এনে আন্তৰিক নাছিল। ভীমৰ এনে মন্তব্য শুনি শ্ৰীকৃষ্ণ নিৰাশ হৈ যায়। দুষ্ট কৌৰৱ সকলে তাঁক অপমান কৰাৰ ফলত তাঁৰ মনত যি ঘৃনা সঞ্চিত হৈছিল, তাৰ পৰিবৰ্তন দেখি শ্ৰীকৃষ্ণ অলপ আচৰিত হৈ যায়। ভীমক উদ্দেশ্য কৰি কয়, ''ভীম, আজি তোমাক বৰ দয়াবান যেন লাগিছে। ধৃতৰাষ্ট্ৰৰ পুত্ৰসকলক হত্যা কৰাৰ সংকল্প কি তুমি পাহৰিলা ? যুদ্ধৰ যেতিয়া সম্ভৱনা নাছিল তেতিয়া এই যুদ্ধৰ প্ৰতীক্ষাত আহাৰ নিদ্ৰা ত্যাগ কৰি অধৈৰ্য্য হৈ আছিলা। এতিয়া তুমি শান্তিৰ বাবে ভিক্ষা কৰিছা। সিহঁতৰ বল-পৰাক্ৰম সম্বন্ধে জানি কি তুমি ভয় খাই গৈছা ? আৰু তাৰ কাৰনই শান্তি-কামনা ? মই হঠাৎ বিশ্বাস কৰিব পৰা

নাই যে তুমি ভীম হৈ এনেধৰনৰ কথা কব পাৰা।

''তামাৰ এই কাপুৰুষতা শোভা নাপায় ভীম। তুমি কি তোমাৰ নিজৰ বল পৰাক্রমৰ বিষয়ে পাহৰি গৈছা, সন্দেহবান হৈ উঠিছা ? পৃথিবীত এনে কোনো মহাবলী নাই যি তোমাৰ অগত খাঁড়া হব পাৰে। কিমান মহান কাম কৰি তোমাৰ জীৱনত কৃতবান হৈ উঠিছা। তোমাৰ নিচিনা শক্তিমান আৰু মহাবলী কিহৰ ওপৰত নিৰ্ভৰ কৰিব - নিজ শক্তিবলত অৰ্জিত ৰাজ্য ভোগ বা আনৰ দান ?''

শ্রীকৃষ্ণৰ কথা শুনি ভীমৰ পেশীবল যেন জাগি ওঠে। জাগি ওঠে মনৰ যুদ্ধলিপ্সা। ক্রোধত কৈ ওঠে, ''তুমি মোক পাহৰি গৈছা কৃষ্ণ। তুমি মোক ভালদৰে জানা। তথাপি কিয় এনেদৰে কথাবোৰ কৈ আছা ? নিজৰ শক্তি সম্বন্ধে মই যথেষ্ট সচেতন। যিমান শক্তিশালি নহওক কিয়, মোৰ হাতৰ ওচৰত যিসকলে আহিব সিহঁতৰ কোনেও বাঁচি যাব নোৱাৰে। যুদ্ধৰ সময়ত মোৰ বল-চাবা। কাকো মই ভয় নকৰো - দেৱ, অসুৰ, যক্ষ, কিন্নৰ, যি নহওক কিয়।

''ভৰত বংশক সৰ্বনাশৰ পৰা বচাঁবৰ বাবেই এই শান্তিৰ কামনা কৰি আছো।''

শ্রীকৃষ্ণ ভীমৰ মন্তব্য শুনি হাঁহি কলে, ''ভীম ! তোমাক সৰু কৰাৰ বাবে মই এইবোৰ কথা কোৱা নাই। তোমাৰ শক্তি শৌৰ্যৰ সম্বন্ধে তুমি অৱশ্যই জানিবা, কিন্তু তুমি যিখিনি জানা তাতকৈ মই বেচি জানো। মই নিজেও যুদ্ধৰ সমৰ্থন কোনোও ধৰনে নকৰো। তোমালোকৰ মঙ্গলসাধন

কেনেধৰনে সম্ভৱ, এই বিষয়ে সজাগ থাকি শান্তিৰ বাবে মই প্ৰচেষ্ঠা কৰিম। তথাপি, যদি মোৰ শান্তিৰ প্ৰয়াস ব্যৰ্থ হয় তেতিয়া হলে যুদ্ধ হবই। এনে অৱস্থাত যুদ্ধৰ সকলো দায়িত্ব তোমাৰ ওপৰত, তুমিই চলাব লাগিব। যুদ্ধৰ বাবে সকলো ফালৰ পৰা প্ৰস্তুত থাকিব লাগিব, আৰু এই প্ৰস্তুতিত যেন কোনোও ফাঁক থাকি নাযায়, তাৰ বাবেই মই কলো। তুমি মোৰ বক্তব্যক বেলেগ ধৰনে নাভাবিবা।''

ইয়াৰ পাছত অৰ্জুন তাঁৰ মনৰ কথাখিনি ব্যক্ত কৰি শ্ৰীকৃষ্ণক কলে, ''অগ্ৰজ ধৰ্মৰাজ আগতেই তাঁৰ মনৰ ভাব প্ৰকাশ কৰিছে। মই আৰু নতুন কৈ মোৰ ফালৰ পৰা কব নিবিচাৰো। মইও তোমাৰ লগত একমত পোষন কৰো। তুমি যেনেকৈ চাবা আমি



দ্ৰৌপদী দুখ আৰু ৰোষভৰা কন্ঠত কলে, ''ধৰ্মৰাজ যুদ্ধ বাদ দি শান্তি ৰক্ষাৰ বাবে অকল পাঁচটা গাঁও বিচাৰিছিল, কিন্তু দুৰ্যোধন তাকো দিবলৈ অস্বীকৃতি জনায়। কৃষ্ণ, আমি এতিয়া আমাৰ প্ৰাপ্য সম্পূৰ্ণ ৰাজ্যভাগ বিচাৰো। এই কথা সিহঁতক জনাব। তেতিয়া হলে শান্তি প্ৰতিষ্ঠা হব। মোৰ দৃষ্টিত এয়া হ'ল ধৰ্ম আৰু সত্যৰ প্ৰকৃত পথ। দুষ্ট কৌৰব সকলক বিনাশ কৰিবলৈকে সামৰ্থ্য বহুতো। আপনি যেতিয়া আমাৰ লগত আছে তেতিয়া ভয় ঘেৱাৰে কি আছে?

''দুৰ্যোধন মোক চৰম অপমান কৰিছে। তেনেধৰনৰ বেয়াকৈ অপমান কৰাৰ পাছত আজিও প্ৰান লৈ জীৱিত আছে, মোৰ পাঁচজন পৰাক্ৰমী স্বামী থকা সত্বেও। যি অপবিত্ৰ কলুষিত হাতত মোৰ কেশৰাশি মুঠি-কৰি ধৰি বলপূৰ্বক টানি লৈ গৈছে, সেই হাত যিমানদিনলৈকে দেহৰ পৰা বিচ্ছিন্ন খণ্ডিত নহব তিমানদিনলৈকে মই শান্তি নহও। তিমানদিনলৈকে মোৰ হৃদয়ত প্ৰতিশোধৰ জুই জ্বলি থাকিব। সন্ধি স্থাপনৰ যদি কোনো আলোচনা কৰে তেতিয়া হলে মোৰ এই কথাখিনি তেতিয়া বিস্মৃত নহব।''

পাণ্ডৱসকলৰ সকলোৱেই এজন এজনকৈ সিহঁতৰ মনৰ কথা ব্যক্ত কৰিলে। শ্ৰীকৃষ্ণ সকলোৰ বক্তব্য মন দি শোনে। তাঁৰ শুনিবলৈ আৰু একো নাই। তেঁও সকলো জানে। কি কৰিব লাগিব আৰু তাৰ পৰিনতি কি হব সেইটোও গম পায়। তথাপি তাঁক শুনিব লাগে। সকলোকে সুযোগ দিয়ে নিজৰ মনৰ ভাব ব্যক্ত কৰিবলৈ। তেঁও সকলোৱে সেইদৰেই কৰিম। মোৰ বিশ্বাস যে তুমি যি কৰিবা বা কৰিব বিচৰা, সেইবোৰ আমাৰ মঙ্গলৰ বাবেই। যদি সিহঁতৰ শান্তি-প্ৰস্তাৱ প্ৰত্যাখানত যুদ্ধ অনিবাৰ্য হয় তেতিয়া হলে আমি যুদ্ধই কৰিম। এতিয়া, তুমি স্থিৰ কৰা আমাৰ মঙ্গল কেনেকৈ হব।''

অৰ্জুনৰ বক্তব্যক অনুমোদন কৰি নকুল কলে, ''কৃষ্ণ, অৱস্থা আৰু পৰিস্থিতি অনুসাৰে যেনেকৈ উচিত বুলি ভাবিবা তেনেকৈ কৰিবা।''

যুদ্ধৰ পক্ষত সমৰ্থন জনাই সহদেৱ কলে, ''যদি কৌৰবসকলে যুদ্ধ নিবিচাৰে তথাপি এনে প্ৰয়াস কৰিবা যাতে যুদ্ধ অৱশ্যেই হয়।''

সাত্যকি সহদেৱৰ মন্তব্যক সমৰ্থন কৰিলে।

যেনেকৈ কব পাণ্ডৱ সকলে তেনেকৈ কৰিব এইটোও জানে।

শ্ৰীকৃষ্ণ প্ৰস্তুত হৈ লয়। এতিয়া তাঁক হস্তিনাপুৰত যাব লাগিব সন্ধিৰ প্ৰস্তাব লৈ। শেষ চেষ্টা, যদি যুদ্ধ ৰখিব পাৰে, কৌৰৱসকলক জনোৱা প্ৰয়োজন।

সাত্যকি ৰথ লৈ প্ৰস্তুত। সকলোৰ ওচৰত বিদায় লৈ কৃষ্ণ যাত্ৰা আৰম্ভ কৰাৰ আগত সাত্যকিক শ্ৰী কৃষ্ণ কলে, ''সাত্যকি, শংঘ, চক্ৰ, গদা আৰু কিছুমান অস্ত্ৰ আমাৰ লগত ৰখা প্ৰয়োজন। তুমি যিবিলাক এইবোৰ আনি ৰথত ৰাখা। দুৰ্যোধন ভয়ানক দুষ্ট, তাৰ তুলনাত শকুনি, কৰ্ণ আৰও বেচি দুষ্ট, যিকোনো পৰিস্থিতিৰ সম্মুখীন হব লাগিব। আমাৰ সামৰ্থ্য আছে ঠিক, কিন্তু কেতিয়াও শত্ৰুৰ শক্তিক সৰুকৈ চোৱা উচিত নহয়।

বিদায় দিয়াৰ আগত ধৰ্মৰাজ শ্ৰীকৃষ্ণক আলিঙ্গন কৰি বিনীত কন্ঠত কলে, ''সখা, আমাৰ মাতা কুন্তীৰ সংবাদ তুমি লৈ আহিবা। তাঁই আমাক কিমান কষ্ট কৰিব লগা হৈছে, এতিয়া হৈ আছে। পুত্ৰ হৈ তাঁইৰ সেৱা কৰাৰ সুযোগ আমি পোৱা নাই। তাঁইও নিশ্চয় দুখভৰা হৃদয় লৈ জীৱন যাপন কৰি আছে। তাঁইক আমাৰ শুভসংবাদ দিবা, তাঁইক আশ্বাস ভৰসা দিবা। আমাৰ প্ৰনাম জনাবা।

''পিতামহ ভীষ্ম, ধৃতৰাষ্ট্ৰ, দ্ৰোন, কৃপাচাৰ্য, সোমদত্ত, বাহিলক প্ৰমুখ গুৰুজন সকলক আমাৰ সশ্ৰদ্ধ প্ৰনাম আৰু বিদুৰক আমালোকৰ ভালপোৱা জনাব। সিহঁতৰ শুভাশীৰ্বাদ আমি প্ৰাৰ্থনা কৰো।

তাৰ পাছত সকলোৱে মিলি পেলাই শ্ৰীকৃষ্ণ আৰু সাত্যকিক শুভেচ্ছা জনাই বিদায় দিয়ে। শ্ৰীকৃষ্ণ আৰু সাত্যকি ৰথত গৈ আছে। পাণ্ডৱ সকল, ধৃষ্টকেতু, দ্ৰুপদ, কাশিৰাজ, ধৃষ্টদ্যুম্ন, বিৰাট প্ৰমুখ ৰজাসকল অলপ দূৰলৈকে ৰথৰ লগত খুজকাঢ়ি আহে। সাৰথি ৰথ চলায় দ্ৰুতবেগত।

হস্তিনাপুৰ যোৱাৰ পথত শ্ৰীকৃষ্ণ সেইদিনা ৰাতি বৃকস্থল নামৰ এটা গাঁওত বিশ্ৰাম লয়। গাঁওৰ সকলো প্ৰধান ব্যক্তি সকলে সিহঁতক সম্মান জনায়, আপ্যায়ন কৰে। শ্ৰীকৃষ্ণ ও সকলোকে প্ৰীতি সম্ভাষন জনায়, কুশল আদান প্ৰদান কৰে।

(ক্ৰমশ)



দম্ভোদ্ভৱ

ঐশ্বৰ্য সম্পদত পৰিপূৰ্ণ এটা ৰাজ্যৰ দক্ষ কুশলী ৰজা দম্ভোদ্ভৱ। ধৰ্মপথত থাকি প্ৰজাসকলক সুশাসন কৰিছিল। কিন্তু তেঁখেতে আছিল বৰ দাম্ভিক আৰু উচ্চাকাংখী। তেঁখেতৰ একান্ত বাসনা, পৃথিৱীৰ সকলো ৰজা তেঁখেতক সৰ্বশ্ৰেষ্ঠ ৰজা আৰু মহোত্তম পুৰুষ হিচাবে মান্য আৰু সম্মান কৰিব। ক্ৰমে তেঁখেতৰ এই চিন্তাধাৰনা প্ৰবল হৈ ওঠে। সদাই সিংহাসনত আহিয়েই সুধিছিল, ''মিত্ৰগন, সেনাপতি আৰুপ্ৰতিনিধি বিন্দ ! মোৰ তুলনাত অধিক শ্ৰেষ্ঠ, শক্তিসম্পন্ন, মহান কোনো মানুহ কি এই পৃথিৱীত আছে ? যদি থাকে তেতিয়াহলে কওক।''

কোনেও ৰজাৰ ক্ৰোধৰ শিকাৰ হব নিবিচাৰে। সকলোৱে মুক্তকন্ঠত কয়, ''না প্ৰভু, কোনো নাই। আপোনাৰ তুল্য কোনো ৰজা এই পৃথিৱীৰ বুকত নাই।'' ৰজা আনন্দত উৎফুল্ল হয়।

কেইদিনমান পাছত সেই ৰজাৰ ওচৰত এজন সাধু আহে। ৰজা সাধুক এটা প্ৰশ্ন কৰে। সাধু নিৰ্ভয়ত, নিঃসংকোচত কয়, ''হে ৰাজন, এজন নহয়, দুজন আছে।''

''কোন সিহত ? ক'ত থাকে ? ৰজা আচৰিত হৈ সুধে।

''সিহঁত হ'ল নৰ আৰু নাৰায়ন। গন্ধমাদন পৰ্বতত বসবাস কৰে আৰু সিহঁত পৃথিৱীৰ শ্ৰেষ্ঠ পুৰুষ।'' এয়া কৈ সাধুজন গুচি যায়।

সাধুৰ উত্তৰ শুনি ৰজাৰ অত্যন্ত ক্ৰোধ হয়। অহংকাৰৰ প্ৰৰোচনাত গন্ধমাদন পৰ্বতৰ ফালে সেনা লৈ যাত্ৰা কৰে। বহুকষ্টৰ পাছত তাত গৈ দেখে পৰ্বতৰ শিখৰত দুজন শীৰ্নকায় সাধু ধ্যানমগ্ন হৈ বহি আছে।

সিহঁতক দেখি ৰজা বৰ নিৰাশ হৈ যায়। ইমানদূৰ আহিছে, তাৰবাবে একো নকৰি ঘুৰি যাব নোৱাৰে। উচ্চকন্ঠত সিহঁতক মাতে। কিন্তু সাধুসকলৰ চকু উন্মীলণ নহয়, শান্ত ধ্যানমগ্ন। তেতিয়া ৰজা বাক্যবানত সিহঁতক বিদ্ধ কৰাৰ চেষ্টা কৰে। তথাপি কোনো ফল নহয় শেষত ৰজা সিহঁতক অকথ্য অশ্ৰাব্য ভাষাত গালি দিবলৈ আৰম্ভ কৰে।

তেতিয়া দুজন সাধুৰ মাজত এজনে চকু মেলে। তেঁখেতৰ ওচৰত আছিল অলপ তৃনমূল। তাৰ পৰা এটা তুলি লৈ সেইটো চাৰিটা ভাগ কৰি ৰজাৰ ফালে দলিৱাই দিয়ে। ৰজাৰ দেহৰক্ষী সন্যসকল অন্ধ হৈ যায়, সিহঁতৰ ৰূপ বিকৃত হয়, একো কাম কৰিব নোৱাৰা হৈ পৰে সিহঁতে।

ৰজাৰ বুজিবলৈ দেৰী নহয় যে, সাধুসকলৰ আধ্যাত্মিক তপঃশক্তিৰ ওচৰত তেঁখেতৰ সৈন্যশক্তি অতি নগন্য। ৰজাৰ অহংকাৰ মুহূৰ্তত চূৰ্নবিচুৰ্ণ হৈ যায়। নিজৰ অপৰাধৰ ক্ষমা বিচাৰি ৰজা নৰ আৰু নাৰায়নৰ চৰনত পৰে। মুনিসকলে ৰজাক ক্ষমা কৰে, তেঁখেতৰ সন্যসকলৰ দৃষ্টি আৰু স্বাভাৱিক ৰূপ ঘুৰাই দিয়ে। ৰজাক নৰয়ে উপদেশ দিয়ে, ''প্ৰজাসকলৰ প্ৰতি ভালপোৱা ৰাখিবা, সংযত কৰি ৰাখিবা। তেনেহলেই তুমি সঁচাকৈ শ্ৰেষ্ঠ ৰজা হব পাৰিবা।''

নিজৰ ৰাজ্যত ঘুৰি আহে ৰজা। তেঁখেতৰ ভাৱনাৰ সম্পূৰ্ণ পৰিৱৰ্তন হয়। প্ৰজাসকলৰ প্ৰতি সদায় সদ্ভাৱ ৰাখি সুখ শান্তিত জীৱন কটাই দিয়ে।

যিসকল ইংৰাজৰ বিৰুদ্ধে যুদ্ধ কৰিছে
ৰানী চেন্নাম্মা
কাহিনী ঃ মীৰা উগ্ৰা
চিত্ৰ ঃ গৌতম সেন
দক্ষিন পশ্চিম ভাৰতৰ সৰু কিন্তু সমৃদ্ধ ৰাজ্য আছিল কিটুৰ
ইয়াৰ ৰজা শিৱলিঙ ৰুদ্ৰ সাৰ্জৰ ১৮২৪ চনত মৃত্যু হয়। মৃত্যুৰ সময়ত দত্তকপুত্ৰক তাঁৰ সৎমা চেন্নাম্মা হাতত সপি দিয়ে।
ধাৰওয়াৰৰ ইংৰাজ ৰাজনৈতিক প্ৰতিনিধি থ্যাকাৰৰ ৰজাৰ দত্তকপুত্ৰক উত্তৰাধিকাৰী ৰূপে স্বীকাৰ নকৰে।
ৰানীক খবৰ পঠোৱা আমি কিটুৰ অধিকাৰ কৰিম।
চৌদ্দ দিনৰ মূৰত
ৰানীমা, ইংৰাজসকল আমাৰ কোষাগাৰত তলা লগাই দিছে।
গুৰু সিদ্দপ্পা, সিহঁতক আমি উচিত শিক্ষা দিম। আমাৰ ৰাজ্য ইমান সহজে নিদিও।


উভয় পক্ষই যুদ্ধৰ বাবে প্ৰস্তুত হয়। ২৩ অক্টোবৰ থ্যাকাৰে অভিয়ান আৰম্ভ কৰে।
দুৰ্গৰ দৰজা খুলি দিয়া !
ৰানী চেন্নাম্মাৰ আদেশ অভ্যন্তৰত তোমালোকৰ প্ৰবেশাধিকাৰ নাই।
তোমালোকৰ ৰানীক জনোৱা, ২০ মিনিটৰ মাজত আত্ম সমৰ্পন কৰাৰ বাবে, হলে গোলাবৰ্ষন আৰম্ভ হব।
প্ৰত্যেক শ্বাসৰুদ্ধ অৱস্থাত অপেক্ষা কৰি আছে ৰানীৰ প্ৰত্যুত্তৰৰ বাবে। সময় যেতিয়া উত্তীৰ্ন প্ৰায়-
আগবাঢ়ি যোৱা
আঘাত কৰা !
হঠাৎ আক্ৰমনত ইংৰাজ সকলে প্ৰচণ্ড ভয় খাই যায়...
এই পাজীটো
আঃ !
ইংৰাজসকলৰ সম্পুৰ্নভাবে বিনাশ কৰা হয়। থ্যাকাৰও নিহত হয়।

চেন্নাম্মা জানিছিল, আৰু এটা যুদ্ধ অনিবাৰ্য।
আৰো মানুহ লগোৱা। কোলাপুৰ ৰজাৰ ওচৰত সহায়তৰ আবেদন পঠাও।
তেঁখেতৰ পঠোৱা পথৰমাজত ইংৰাজ সকলে বন্দী কৰে।
কিন্তু প্ৰজাসকলে আহি ৰানীৰ ওচৰত সমবেত হোৱাৰ বাবে আৰম্ভ কৰে
ৰানীমা ! যুবা বৃদ্ধ সকলোৱেই আমাৰ হৈ যুদ্ধ কৰাৰ বাবে আহি আছো।
এ ৰায়ান্না, সাঙ্গেলী গাঁওৰ চৌকিদাৰ
স্বাগত জনাও ৰায়ান্না, তোমাৰ নিচিনা মানুহ প্ৰয়োজন।
১ ডিচেম্বৰ, কৰ্নেল ম্যাকলাউড ২৫,০০০ সৈন্য আৰু কামান গোলা লৈ দুৰ্গ ঘিৰি পেলাই।
বৰ মজবুত দুৰ্গ। মানুহসকল ও দুৰ্ধৰ্ষ যোদ্ধা। কিন্তু মনে হয় যেন ঘুষ দি মাধ্যমত দুৰ্গৰ ভিতৰত যাব পাৰিব।
দু-দিন মান অপেক্ষা কৰি দুৰ্গৰ ওপৰত গোলাবৃষ্টি আৰম্ভ কৰে.....
BOOবুমM !



অমৃত ভাৰতী, ভাৰতীয় বিদ্যাভবন, ১৯৯৬

জাদুকৰীৰ বিনাশ

মাখনলাল আৰু ভৰদ্বাজ দুই বন্ধু। প্ৰথমজন ধনী খেতিয়ক, দ্বিতিয়ক ব্যৱসায়ী। একে গাঁওত বাস কৰে, সেয়া দুয়ো পৰিবাৰৰ মাজত বৰ ঘনিষ্ঠতা। দুয়ো বন্ধু স্থিৰ কৰে, সিহঁতৰ লৰা আৰু ছোৱালীৰ বিয়া দিব। ভৰদ্বাজৰ ছোৱালী ললিতা আৰু মাখনলালৰ লৰা নৰহৰি। দুয়োজনেই প্ৰায় বয়সৰ ফালৰ পৰা সমান। সৰুৰে পৰা সিহঁতে প্ৰায় একেই লগত ডাঙৰ দীঘল হৈ ওঠে, তাৰবাবে সিহতৰ মাজত ভালপোৱা দৃঢ় হৈ ওঠে।

ললিতাৰ যেতিয়া ষোল বছৰ বয়স, ভৰদ্বাজ তেতিয়া গাঁওৰ পৰা চহৰত গুচি আহে ব্যৱসাৰ বাবে। চহৰত অহাৰ ফলত ভাগ্যলক্ষ্মী যেন তাৰ সহায় হয়। কেইবছৰ মানৰ ভিতৰত লাঘ টকা সঞ্চয় হয়। ঘৰ বনায়। চহৰত তেঁখেত এজন সন্মানিত ব্যৱসায়ী।

ললিতাৰ বিশ বছৰ হ'ল, এতিয়া তাঁইৰ শ্বশুৰেকৰ ঘৰত যোৱাৰ সময় হৈছে। ভৰদ্বাজ গাঁওত যায় মাখনলালৰ লগত কথা কবলৈ। আগত কথা হলেও নতুনকৈ আকৌ কথা হব, দিনক্ষন দেনা পাওনা সকলো স্থিৰ কৰা প্ৰয়োজন।

গাঁওৰ পৰা ৰাতি উভতি আহে ভৰদ্বাজ। মুখখন গম্ভীৰ। ললিতাৰ মাকক কলে, ''বিপদ হ'ল, ললিতাৰ আৰু বিয়া নহয়। এয়া কি সৰ্বনাশ হৈ গ'ল ! সমাজ যিয়েই নকওক, ললিতাৰ বাবে মই বেলেগ লৰাৰ সন্ধান কৰিম। মোৰ ছোৱালীৰ সৰ্বনাশ হব নিদিও।''

ললিতাৰ মাক চিন্তাত পড়ে। স্বামীৰ ওচৰত জানিব বিচাৰে, এনেকুৱা কি ঘটিছে যাৰ বাবে এনেধৰনৰ উক্তি। ''এমাহৰ আগত নৰহৰি গাঁওৰ ঘৰৰ পৰা ওলাইছে, উভতি অহা নাই। বিচাৰি মেলি জনা গ'ল, গাঁওৰ পুবফালৰ গভীৰ জংগলত তাক কোনোবা দেখিছে। পুখুৰীৰ পাৰত এটা সৰু

ঘৰত থাকে। কাৰো লগত লগ নকৰে, কথাও নকয়। মাখনলাল, তেঁখেতৰ পত্নী, সকলোৱেগৈছে ঘুৰাই আনিবলৈ কিন্তু কোনোলাভ হোৱা নাই। সকলোৱে কৈ আছে, সি সাধু হৈ গৈছে। কি হব ললিতাৰ, কি হ'ব নৰহৰিৰ সেয়া ভাবিছো। মাখনলাল আধামৰা হৈ গৈছে।'' ভৰদ্বাজ সকলো কলে।

সকলোৱে চিন্তিত। নৰহৰি ভৰদ্বাজ পৰিবাৰৰ লৰাৰ দৰে। ললিতা অকল কান্দি থাকে। গোটেই ৰাতি চিন্তা কৰে, কি কাৰনত সি সাধু হ'ল ? সচাঁই কি সি গৃহত্যাগী হ'ল, না বেলেগ কোনো কাৰন আছে ? তাঁইক জনা দৰকাৰ সঁচা নো কি ? যিকোনো বিপদ নহওক, সি সেই জংগলত গৈ নৰহৰিৰ লগত লগ কৰিব।

পিছদিনা মা-দেউতাকক জনায়, গাঁওত থকা ঘৰটো গৈ কেইদিন মান থাকিব। বুজায় সিহঁতক। অনেক চেষ্টাৰ পাছত সিহঁতে সন্মতি দিয়ে। গাঁওত থকা ঘৰটোত বহুতো মানুহ আছে। আৰু তাঁই মাজে মাজে তাত গৈ থাকে।

ললিতা এদিনাখন ৰাতিপুৱা গাঁওত থকা ঘৰটোৰ পৰা অকলে ওলাই যায়। গভীৰ জংগলত গৈ অনুসন্ধান কৰে পুখুৰীৰ পাৰত সৰু ঘৰটোৰ। বিচাৰি বিচাৰি প্ৰায় গধূলি হৈ গ'ল। সেই সময়ত এটা পুখুৰীৰ পাৰত দেখা পায় নৰসিংহ বহি আছে। ললিতা ওচৰত আহে। তাঁইক দেখি নৰসিংহ স্তম্ভিত হৈ যায়। ললিতা কান্দি পেলায়। নিজক সামলাই লৈ সুধে, ''কিয় তোমাৰ অৰন্যবাস, এই সন্ন্যাস জীৱন ? কি কাৰনত তুমি এই পথ বাছি লৈছা ?''

ললিতাৰ প্ৰশ্নৰ উত্তৰ নিদি খঙত নৰসিংহ সুধে, ''তুমি অকলে ইয়াত কিয় ?''

''তোমাৰ সন্ধান লবলৈ, জানিবলৈ,'' বিনা সংকোচত ললিতা কলে।

''কোনো কথা নবঢ়াকৈ এতিয়াই গুচি যোৱা ইয়াৰ পৰা।''

''না, কাৰন এজনাকৈ ইয়াৰ পৰা নাযাও মই। কব লাগিব, কিয় তোমাৰ এই অৰন্যবাস ?'' দৃঢ়কন্ঠত ললিতা জনায়।

''মই কব নোৱাৰো। যদি ভালে চোৱা তেনেহলে এই ঠাই এৰি গুচি যোৱা।'' ক্ষিপ্তকন্ঠত কথাবোৰ কলে নৰহৰি। তাঁৰপাছত খুজকাঢ়ি নিজৰ ঘৰটোত সুমাই দৰজা ভিতৰৰ পৰা বন কৰি দিয়ে।

বেলি বহি আছে। অন্ধকাৰ যেন সকলো পৃথিবীক ঢাকি পেলাইছে। ললিতা কান্দি আছে, ''মোৰ জীৱনৰ এয়া কি শেষ নিয়তি !'' আকাশৰ ফালে নক্ষত্ৰৰ খোঁজত চায়। তাতও বিশাল মেঘ সিহতক গিলি পেলাইছে। মাজে মাজেই গৰ্জন কৰে মেঘ। বিদ্যুৎ চমকি আছে। বনৰ জীৱজন্তু বিলাক ভয়ত ঘুৰি ফুৰিছে। বজ্ৰ-বিদ্যুতৰ লগত প্ৰৱল বৰষুন আহে। ললিতা ভাবে, তাই ঘৰত উভতি যাব। কিন্তু তাই নৰহৰিৰ ঘৰটোৰ ওচৰত আহে। দৰজাত ধাক্কা দিয়ে, দৰজা নোখোলে। হঠাৎ চকুত পড়ে ওচৰৰ এটা খিড়িকেৰে পোহৰ আহি বাহিৰত পড়িছে। মনত সাহস আনি খিড়িকিৰে ভিতৰটো চাই আচৰিত হৈ ওঠে। বজ্ৰবিদ্যুতসহ ঘন জংগলৰ বৃষ্টিত ললিতাৰ সাহস অলপও ম্লান হোৱা নাই কিন্তু ভিতৰৰ দৃশ্য চাই সকলো সাহস নোহোৱা নয়। ঘৰৰ ভিতৰত নৰহৰিৰ পৰিবৰ্তে এটা পালংত এটা ভাঙৰ শকুনি শুই আছে। ভয়ত ললিতা জ্ঞান হেৱাই তাতেই পড়ি যায়।

ৰাতিপুৱা নৰহৰি দৰজা খুলি বাহিৰত আহি ললিতাক দেখি আচৰিত হয়। তাঁইক

মাতে। ঝাঁকুনি দি তুলি ধৰাৰ পাছত ললিতাৰ জ্ঞান আহে। চকু মেলিই নৰহৰিক সুধে, ''ৰাতি তুমি কত আছিলা ? তোমাৰ বিছনাত এটা ভাঙৰ শকুনি শুই আছিল।''

ললিতাৰ প্ৰশ্ন শুনি নৰহৰি কৈ ওঠে, ''আঃ। তুমি শকুনিক দেখা পালা ?'' অলপসময় চুপ থাকি আকৌ কলে, ''মই বিচৰা নাই যে তুমি শকুনিক দেখা পোৱা। যেতিয়া দেখিলা, তেতিয়া তোমাক সকলো কথা কম।'' তাৰপাছত কবলৈ আৰম্ভ কৰেঃ

এমাহ মান আগত চহৰত যোৱাৰ বাবে যাত্ৰা কৰো। কামও হব, তোমাৰ লগতও দেখা হব। দীৰ্ঘপথক কম কৰাৰ বাবে জংগলৰ পথ ধৰো। কিন্তু পথ হেৰাই পেলাও। বেলি বহি যায়। এটা সৰু ঘৰ দেখা পাই ওচৰত আহো। দেখা পাও, দড়িৰ

খাটিয়াৰ ওপৰত এটা বিকৃত আৰু বিকট আকাৰৰ মাইকীমানুহ বহি আছে। তাঁইৰ চুলিৰ ৰঙ ৰঙা তামৰ নিচিনা। চুলি আঁচড়িছে। গাটো কোলা, নাকটো শকুনিৰ উঠৰ নিচিনা। মোক চাই কয়, ''বহুদিনৰ মূৰত ধুনীয়া এজন যুৱক আহিল। কোৱা কত গৈ আছা যুৱক।''

মই ৰুক্ষস্বৰত জনালো, ''চহৰত গৈ আছো, তোমাৰ কোনো আপত্তি আছে ?''

''নিশ্চয়ই আছে। মই এতিয়াও কুমাৰী। বলা দুয়োজনে বিয়া কৰি লও।'' শকুনিৰ দৰে নাকটো বঢ়াই দি কয়।

''মোক তুমি ধুনিয়া কলা। নিজৰ চেহেৰা আয়নাত কেতিয়াবা চাইছানে ? শকুনিৰ নিচিনা নাক, কোলা হাঁড়িৰ দৰে ৰঙ।'' মোৰ মুখৰ পৰা কথাবিলাক ওলাই যায়।

তাই বৰ খংখাই ওঠে। চকু ৰঙা কৰি কয়, ''শকুনিৰ নাক কৈ মোক অপমান কৰিছা ? ঠিক আছে, ৰাতিৰ এন্ধাৰত তুমিও শকুনিত পৰিনত হৈ যাবা, দিনত নিজৰ ৰূপ ঘুৰাই পাই বহুতো যাতনা ভোগ কৰিবা।'' তাৰপাছত এটা মন্ত্ৰ উচ্চাৰন কৰে।

মনত যেন লাগে, সেই কুৎসিত নাৰী কোনো জাদুকৰী। জাদুমন্ত্ৰৰ মায়া মোৰ ওপৰত মাৰিছে। তথাপি তাইৰ মন্ত্ৰক ভ্ৰূক্ষেপ নকৰি মই আগবাঢ়ি যাও। কিন্তু যেতিয়া ৰাতি হয়, দেখা পাও শকুনিৰ ৰূপত পৰিবৰ্তন হৈ গৈছো। গোটেই ৰাতি এটা গছত বহি থাকো। ৰাতিপুৱা আকৌ মানুহ হৈ যাও। জাদুকৰীৰ ওচৰত উভতি আহি কান্দি পেলাই ক্ষমা চাও। কিন্তু তাইৰ মন্ত্ৰ তাই ঘুৰাই নলয়।

এতিয়া তাইৰ মন্ত্ৰৰ জ্বালাত মোৰ গোটেই জীৱন জ্বলিব লাগিব, এইয়া মোৰ নিয়তি।

সম্পূৰ্ণ কথাখিনি শেষ কৰি নৰহৰি দীৰ্ঘশ্বাস ত্যাগ কৰি কলে, ''মই বিচৰা নাই, মোৰ এই অৱস্থা কোনেও জানক। অকলে অকলে এই নৰক যন্ত্ৰনা ভোগ কৰি চলি আছো।''

ললিতা প্ৰতিজ্ঞা কৰে, যেনেকৈ হওক এই জাদুকাৰীৰ শাপৰ পৰা নৰহৰিক মুক্ত কৰিব, লাগিলে প্ৰান যাউক। ঈশ্বৰক স্মৰন কৰে, দৃঢ় সংকল্প লৈ সেই শয়তান নাৰীৰ লগত লগ কৰিব যায়। তাঁত পাওতে পাওতে দুপৰীয়া হৈ যায়। সেই সময়ত জাদুকৰী পালংত বহি ছোলা খাই আছিস।

নিজৰ সহোদৰৰ নিচিনা ললিতা গৈ তাঁইৰ ওচৰত বহি মিঠা কৈ কলে, ''বাউদেউ এতিয়া দুপৰীয়াৰ খোৱাৰ সময়, কিয় ছোলা

খাই পেট ভৰ্তি কৰি আছা ? তাৰবাবেই তুমি ইমান পাতল।''

''কোন এজনী ? পালংৰ ওপৰত কাহত বহি এনেকৈ কথাবিলাক কৈ আছ যেন আমাৰ কিমান পুৰনি সম্পৰ্ক।'' জাদুকৰীয়ে কলে।

''ভাবি লোৱা তোমাৰ ভনি। ভিনদেউ কত ?'' ভিঙি চাপড়ি ধৰি গদগদকৈ ললিতায় কলে।

''এনেকুৱা ভাগ্য মোৰ কত। গোটেই জীৱন কুমাৰী হৈ থাকিব লাগিব। মোৰ লগত মোৰ মন্ত্ৰশক্তি ও শেষ হৈ যাব।'' জাদুকৰীয়ে কলে।

''এনে কিয় কৈছা বাইদেউ ? তোমাৰ বাবে ইমান নো কি ডাঙৰ কাম এইটো। কোনো যুৱকক যদি পছন্দ হয় তেতিয়া হলে কিয় তোমাৰ মন্ত্ৰশক্তিৰ বলত তাৰ মন পৰিবৰ্তন কৰা নাই ?'' ললিতায় হাঁহি কলে।

জাদুকৰী দীৰ্ঘশ্বাস এৰি কলে, ''হায়ৰে ! হয়তো কৰিব পৰা যায়, কিন্তু সেয়া শিখা নাই। হিমালয়ৰ পৰা এজন জাদুকৰ আহিছিল। তেঁখেতৰ ওচৰত যিমান ক্ষতিকৰ মন্ত্ৰ শিকিছো, কিন্তু দেবমন্ত্ৰ, মন পৰিবৰ্তনৰ মন্ত্ৰ আনৰ মনৰ বিচাৰ কৰাৰ মন্ত্ৰ, মানুহৰ ভালকৰাৰ মন্ত্ৰ আদি শিখা হোৱা নাই। কাৰন পানীৰ বুদবুদিৰ নিচিনা হঠাৎ জাদুকৰ অদৃশ্য হৈ যায়।''

ইতিমধ্যে ঘৰত সুমাই আহে এটা মেকুৰী, চাগে ছোলা খোৱাৰ বাবে। জাদুকৰী এটা মন্ত্ৰ পাঠ কৰি অলপ ধূলি লৈ মেকুৰীটোৰ ওপৰত দলিয়াই মাৰে। লগে লগে সেইটো জেঠীত পৰিনত হৈ যায়।

''কি অদ্ভুত ক্ষমতা !'' হাতে তালি মাৰি

আনন্দত কৈ ওঠে ললিতায়। শয়তান মহিলাৰ মন জয় কৰাৰ বাবে আদৰ কৰি আকৌ কয়, ''বাইদেউ, ইয়াক আকৌ বদলি কৰিব পাৰিবা ?''

''না, সেই মন্ত্ৰ মই নাজানো। ইটোক নিকৃষ্ট কীটত পৰিনত কৰিব পাৰিম, কিন্তু পুনৰায় একেই ৰূপত পৰিনত কৰিব নোৱাৰো। অবশ্যে যিকোনো ৰূপত নিজৰ পৰিবৰ্তন কৰিব পাৰো।'' জাদুকৰিয়ে তাঁইৰ মন্ত্ৰশক্তিৰ বিৱৰন দিয়ে।

ললিতা কৌতূহল দেখাই প্ৰশ্ন কৰে, ''তেতিয়া হলে সেইটো গোটেই জীৱন জেঠী হৈ থাকিব, কেতিয়াও তাৰ পৰা মুক্তি নাপায় ? মৰাৰ পাছতও ?''

জাদুকৰী হো হো কৰি হাঁহি উত্তৰ দিয়ে, ''এই জন্মতেই ইয়াৰ মুক্তি হব বাৰে, কিন্তু

মোৰ মৃত্যুৰ পাছত। সকলো জাদুকৰৰ মৃত্যুৰ পাছত তাৰ মন্ত্ৰৰ প্ৰভাৱও নষ্ট হৈ যায়।''

মনে মনে কিবা চিন্তা কৰি ললিতা আকৌ কলে, ''আচ্ছা, ঠিক আছে, মই তোমাৰ ভাশুৰৰ লগত বিয়া দিম।''

''সচাঁকৈ ? কেনেকৈ ? সকলোৱে মোক কুৰূপা কয়। তোমাৰ ভাশুৰক ৰাজী কৰিব পাৰিব ?

''ধৰি লোৱা তোমাৰ ভাগ্য ঘুৰি আহিছে। কোনো মহাত্মা ৰুষ্ট হৈ মোৰ ভাশুৰক শাপ দিছিল যে, যদি কোনো সুন্দৰীৰ লগত তাৰ বিয়া হয় তেতিয়া হলে মাথা ফাটি টুকুৰা টুকুৰা হৈ যাব। তাৰবাবে তেঁখেত এতিয়াও অবিবাহিত। বহুদিন হ'ল, আমি সকলোৱে তাৰ বাবে এজনী কুৰূপা যুৱতী বিচাৰি আছিলো। ভাগ্য ভাল, তোমাৰ লগ পালো। এতিয়া বুজি পালা, কিয় তোমাক বাইদেউ বুলি কৈ আছো ?'' ললিতা হাঁহিমুখত কলে।

''কি আনন্দ ! আজি মোৰ কুৰূপ সাৰ্থক হ'ল। শুভকামত আৰু দেৰী কিয় ? বলা মোনকালে।'' আনন্দ কৈ ওঠে জাদুকৰীয়ে।

''ধৈৰ্য্য ধৰা, ধৈৰ্য্য ধৰা। মোৰ ভাশুৰক তোমাৰ পছন্দ হয় কি নহয় সেইটো চোৱা প্ৰয়োজন। ভালে হব, তুমি তাঁইক লুকাই এবাৰ চোৱা। তাৰপাছত বিয়াৰ কথাহব।'' বুদ্ধি কৰি ললিতায় কলে।

''সচাঁকৈ কৈছা তুমি। চড়াই হৈ তোমাৰ লগত যাম। যদি মোৰ পছন্দ হয় তেতিয়া হলে নিজৰ ৰূপত ঘুৰি আহিম।'' এইবুলি কৈ জাদুকৰীয়ে চড়াই হৈ ললিতাৰ হাতত বহে। ললিতায় লগে লগে চড়াইটোক ধৰি তাৰ ডিঙিটো মুচড়ি দিয়ে, পাখি বিলাক ভাঙি ছিঙি পেলায়। তাৰপাছত মৰা চড়াইটোক লৈ নৰহৰিৰ ওচৰত আহে। ৰাতি হৈ যোৱাত নৰহৰিৰ ৰূপ বদলি হৈ শুকুনিত পৰিবৰ্তন হৈ ছে।চড়াইটোক শকুনিৰ ফালে দলিয়াই মাৰি ললিতায় কলে, ''এইয়া হ'ল তোমাৰ শকুনিৰ দৰে নাকথকা জাদুকৰী। ইটোক মই মাৰিলো। তুমি এতিয়া শাপমুক্ত।'' নৰহৰি শাপমুক্ত হৈ তাৰ আচল ৰূপত ঘুৰি পায়। ''তুমি মোক নতুন জীৱন দিছা। অকল এই জীৱনত নহয়, জন্ম-জন্মান্তৰত তোমাৰ ওচৰত ধনী হৈ থাকিলো।'' নৰহৰিয়ে কলে।

ললিতা হাঁহে, ''মোৰ ওচৰত নহয়, বিধাতাৰ ওচৰত।''

গুলবাজৰ গল্প

একে গাঁওত বাস কৰে তিনিজন। সিহতৰ ভিতৰত এজন চৌকিদাৰ, দ্বিতীয়জন বাঁগিচাৰ মালী, আৰু তৃতীয়জন ৰখীয়াল। তিনিওজন একেলগে চহৰত আহিছে বজাৰ কৰাৰ কাৰনে। ৰাতি হৈ যায়। এটা সৰাইখানাত আশ্ৰয় লয়।

নতুন ঠাইত টুপনি নাহে। গল্প আৰম্ভ কৰে। প্ৰথমে ৰখীয়ালে কয়, ''মই যেতিয়া মহৰ মাতৰ নিচিনা ঢেকুৰ তুলো তেতিয়া ওচৰৰ পথাৰত চলি থকা জন্তু বিলাক ভয়ত গুচি য়ায।''

চৌকিদাৰ কয় ইয়াৰ পাছত, ''মই যেতিয়া মাতো তেতিয়া চোৰ বিলাকে ভয়ত লুকাই যায় চুড়ি কৰা বাদ দি। যদি সেইসময়ত কোনো চিতা বা হায়না গাঁওৰ ফালে আহে তেতিয়াহলে সিহঁতে মোৰ মাত শুনি নিঃশব্দত জংগলৰ ভিতৰত গুচি যায় প্ৰানৰ ভয়ত।''

মালীয়ে মুখ খুলে, ''তোমালোক এনে ধৰনৰ সৰুসৰা ঘটনা লৈ সন্তুষ্ট থাকা। মই যেতিয়া ৰাতিপুৱা কুকুৰাৰ মাঁতত মাতো, তেতিয়া সেই মাতত বেলি ওঠে।

সেই ঘৰৰ আন এটাফালে এজন মানুহ শুই আছিল, টুপনিৰ ভান কৰি চুপ মাৰি শুনিছিল সিহঁতৰ কথা। সেই তিনি গুলবাজৰ কথা শুনি সিহঁতৰ লগত অলপ মজা কৰাৰ ইচ্ছা হ'ল। মুখেৰে চিতাৰ নকলত মাতি ওঠে জোৰ দি। শব্দ শুনি সেই তিনিজন কৈ ওঠে, ''ঘৰৰ ভিতৰত চিতা!'' এই বুলি কৈ সৰাইখানাৰ পৰা পলাই যায় পাগলৰ দৰে।



শতাব্দিৰ শেষ উপনিবেশ

এনেকোৱা কোনো উপনিবেশ আছেনে যি স্বাধীনতা অৰ্জন কৰিব পাৰিছে বিকল্প নোহোৱাকে যিটো শান্তি পূৰ্নই অথবা অশান্ত ? এনে কোনো দেশ আছেনে যি কোনো বিদ্ৰোহ নোহোৱাকৈ সিহঁতৰ অধিপতি সকলৰ এৰি দিবলৈ সক্ষয় হৈছিল ?

উত্তৰটো হৈছিল ম্যাকা ও হৈছে চীনদেশৰ এটী দীপ। কিন্তু যোৱা ৪৪২ বছৰ পৰা পতুসীসকলৰ দখলত। ই এচিয়া আৰু ইউৰোপৰ এটী উন্নতশীল বানিজ্যকেন্দ্ৰ। ইয়াৰ ফলত চীন খুব উপকৃত হয়। অসংখ চীনৰ বস্তু বাহীনি ইউৰোপত যাব এই ম্যাকাত্তৰ মাধ্যমত।

ভাৰতবৰ্ষৰ গোৱাও আছিল এটি পতুগীজ উপনিবেশ। শক্তিৰ প্ৰদৰ্শন কৰি ভাৰতক সোৱাৰ স্বাধীনতা লাভ কৰিব লগিয়া হৈছিল। কিন্তু ইয়াৰ মাজত সময়লাৰ লগত বহু পাৰ্থক্য দেখিবলৈ পোৱা গৈছিল। পতুগাল সকলো প্ৰায় চীনকে তাৰ উপনিবেশ উৎসৰ্গ কৰিব বিচাৰিছিল কিন্তু চীনৰ কোনোৱেই নাছিল তাক ঘূৰাই লবলৈ।

ম্যাক ও ৰ জনসংখ্যা হৈছে ৪,৩৬,০০০ বিংশ শতাব্দীৰ শেষ স্বাধীন উপনিবেশ। গোটাই পৃথিবীত এই শতাব্দীতে উপনিবেশ বিলাক লাহে লাহে যি হৈছিল সেইটো হল ''ম্যাকা ও প্ৰতিৰক্ষা বাহিনীৰ ৪ জন প্ৰতিনিধি জাতিয় পতাকাটো ভাজ কৰি পতুগীজ ৰাজ্যপালক শ্ৰী ভাসকো ৰোচা ভিয়েৰাক দিছিল। শ্ৰী ভিয়েৰা পতাকাখন বুকুত তুলি লৈছিল শেষ বাৰৰ নিচিনা তেখেতৰ চৰকাৰী প্ৰসাদেৰ পিনে চালে যত তেখেত কৰ্মস্থল আছিল ১৯১১ এপ্ৰিলৰ পৰা।

এজন মুখপাত্ৰই কৈছিল যে ৰাজ্যপাল পতাকাখন লিসবন দি লৈ যাব যত ম্যাকা ও কালাচাৰালা ৰিচাচ ইন্সটিউট-ত প্ৰদৰ্শন কৰা হব।

পতুগাশেৰ প্ৰেসিডেন্ট জৰ্জ স্যামপি ও কৈছিল ''মোৰ এটী মিশ্ৰিত অনুভূতি হৈছে। এই পাচশ বছৰৰ ইতিহাস এটা চলচিত্ৰৰ নিচিনা চলি গৈছে যাৰ স্থায়িত্ব মাত্ৰ কয়েক মূহুৰ্ত.''

এনেদৰে ঘটনা ঘটিছিল !

শতাব্দিৰ উপহাৰ ?

সময়ৰ লগে লগে চমৎকাৰে পৰিনত হয় সাধাৰন বস্তুত। ১৯৯৪ চনত যেতিয়া পানামা খানিৰ উদ্বোধন হয় তেতিয়া তেখেতক ইতিহাসৰ এক অসামান্য কীৰ্তি আখ্যা দিয়া হৈছিল। মাত্ৰ পঞ্চাশ মাইল দীখল এই খাল পানামা ৰাজ্যৰ মাজে দি বোৱাই দিয়ে প্যাসিকিক আৰু অতলান্তিক মহাসাগৰক। এই খাল নিৰ্মান কৰোতে প্ৰায় ৬ হাজাৰ মানুহৰ মৃত্যু হয়। ই নিউইয়ক আৰু সান ফ্ৰানসিসকৰ সমুদ্ৰ যাত্ৰাক প্ৰায় ৪০০০ মাইলৰ নিচিনা সংক্ষিপ্ত কৰি দিয়ে। ই অতি কম সময়ত মাল পৰিবহনক প্ৰায় একশ ওন বঢ়াই দিয়ে।

এই পানামা খাল আছিল আমেৰিকান প্ৰেসিডেন্ট ৰুসভেলৈৰ কল্পনা প্ৰসুত। তেখেত নিজেও এই খালত যাত্ৰা কৰিছিল। ইয়াৰ আগত ক্ষমতাত থকা সময়ত কোনো প্ৰিসিডেন্ট তেখেতৰ ৰাজ্যৰ বাহিৰত যোৱা নাছিল।

আজি কিন্তু চিত্ৰটো সম্পুৰ্ন অন্যৰকম। আগত খালটোৰ চোৰা চিতা কৰিছিল আমেৰিকানসকলে। কবলৈ যাওতে এই টো আছিল আমেৰিকানসকলৰ সম্পত্তি। এই খালটোৰ পাৰ ধৰি গঢ়ি উঠিছিল আমেৰিকানসকলৰ উপনিবেশ। ইয়াৰ জংগলৰ মাজত আমেৰিকাৰ সৈন্যসকল সিহঁতৰ অস্ত্ৰ চচা অভ্যাস কৰিছিল, এই অস্ত্ৰ শস্ত্ৰ পৰীক্ষা কৰিবলৈ যা ও তে অসৰ্তকভাবে বহু স্থানীয় অধীবাসী যিসকল কাঠ আদি নিবলৈ আহিছিল সিহঁতক মাৰিপেলাইছিল। পানামাৰ অধীবাসীসকল এই ঘনৈকে লৈ প্ৰচন্ড ক্ষুব্দ হয়।

আজি এই খাল তাৰ গুৰুত্ব ছেৰাই পেলাইছে। আজি কালি সাধাৰনত মালপত্ৰ বহন কৰা হয় মালবাহী উৰাজাহাজ অথবা স্থলপথেদি বহু আধুনিক জাহাজ সিহঁতৰ কৰিব নোৱাৰে। পানামাৰ অধিবাসীকলে এই খাল সিহঁতৰ বিশাল আকাৰৰ কাৰনে এই খালৰ মাজেৰে চলাচল কৰিব নোৱাৰে পানামাৰ অধিবাসীকলে এই খাল সিহঁতৰ সম্পত্তি হিচাপে দাবী কৰি আহিছিল। ১৯৭৭ চনত আমেৰিকাৰ তেতিয়াৰ প্ৰেসিডেন্ট জিমি কাটাল এই চুক্তিৰ মাধ্যমত পানামাৰ খালৰ অধিকাৰ পানামাৰ হাতত তুলি দিয়ে। ৩১ ডিসেম্বৰ অনুষ্ঠানিক ভাবে এই হস্তান্তৰ কৰা হয়।

চান্দমামা

প্ৰায় আধাশতিকা ধৰি চান্দামামাই ভাৰতবৰ্ষৰ শিশুসকলক ৰামধেনু সেতুৰ দৰে পৰিবেশন কৰি আহিছে। ইংৰাজী আৰু সংস্কৃতকে ধৰি আন বাৰটা (১২) স্থানীয় ভাষাত ইজনে সিজনৰ লগত কথা পাতি আহিছে।

বহু লাখ যুব পঢ়োৰৈ আৰু তেওঁলোকৰ অভিভাৱকে এটা নতুন ধৰনৰ অতিজ্ঞতা লাভ কৰিছে।

নতুন শতিকাৰ আৰম্ভনিত দেশ আৰ নতুনশতিকাক আপোনাৰ আলোচনীয়ে নতুন দিশত মনযোগ দিছে। ভাৰতৰ সবাতোকৈ ভালপোৱা বিক্ষাত কাহিনীকাৰ ৰুচকিন বশু আৰু মনোজ দাসক সম্পাদকৰ উপদেষ্টা ৰূপে পোৱাতো।

আৰ এবাৰ চান্দমামাৰ সমৃদ্ধ বিষয়বস্তুৰ ওপৰত চকু ফৰোৱা যাওক।

চান্দমামা 2000

ভাৰতবৰ্ষৰ কাহিনী :

গোটেই পৃথিবীত বহুতো সভ্যতা আছে, কিন্তু ভাৰতবৰ্ষৰ সভ্যতা আৰু সংস্কৃতি যি নেকি বছৰ দিন ধৰি নিৰিবিছিন্নভাবে আছে, সেইতো আন কোনো দেশেই দাবী কৰিব নোৱাৰে। কিন্তু কিহে এই ধাৰাতো এতিয়াও ধৰি আছে ? অতীতৰ সেই মহামানব আৰু ধূনীয়া চৰিত্ৰসমূহে, যিতো এতিয়া উদ্ধাৰ হোৱা নাই।

ভাৰত তেতিয়া আৰ এতিয়া :

কিয় এতিয়াৰ আধুনিক গুৱাহাটী তেতিয়াৰ প্ৰাগজ্যোতিষপুৰ বুলি জনা গৈছিল ? কেনেকৈ মুম্বাই এখন আধুনিক মহানগৰীলৈ ৰূপান্তৰিত হ'ল যি নেকি আগৰ ক্ষুদ্ৰ সমষ্টি আছিল। গোটেই পৃথিবীৰ ভিতৰতে ভাৰতবৰ্ষত সকলোতকৈ বেছি সংক্ষাত নগৰ দীঘলীয়া জীৱন কালৰ সৈতে আছে, সেইবোৰৰ কাহিনী আৰ বুৰঞ্জী এতিয়াৰ সময়ৰ।

এতিয়াৰ পৃথিবী :

ঘটনা সমুহত দৃষ্টি নিক্ষেপ কৰা ।

এই মাহৰ ব্যক্তি :

এই চলিত মাহত এজন প্ৰভাবশালী ব্যাক্তিৰ জন্ম হয়।

ডিচকভাৰী অব ইণ্ডিয়া :

ভাৰতবৰ্ষৰ সাহিত্য, সংস্কৃতি আৰু দৰ্শনৰ ওপৰত কুইজ। জ্ঞান আৰ সাহিত্যৰে ভৰপুৰ প্ৰায় আধাডজন গল্প। ইয়াৰ ওপৰিও ভাল ইংৰাজী, বাতৰিৰ অংশ বিশেষ, অবিশ্বাস্য সত্য কাহিনী আৰু কুপিৰ দৰে তথ্য।

চান্দমামা ২000 - আপোনাৰ জীবনৰ সহযোগিতা আৰ সঠিক দিক্-নিৰ্ণয়যে

নতুন দিগন্ত দেখাব।



ফোটো নামকৰণ প্ৰতিযোগিতা

ফোটো-নামকৰণ দুই-তিনিটা শব্দেৰে হ'ব লাগিব।
প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব -
লাগিব। ২০০০ চনৰ জানুয়াৰী মাহৰ।

**ফোটো-
নামকৰণ
প্ৰতিযোগিতা**

২৫ তাৰিখে আমি পোৱাকৈ পঠাব লাগিব। সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। কেৱল প'স্টকাৰ্ডত লিখি যথাসময়ত পোৱাকৈ তলৰ ঠিকনালৈ পঠাব লাগিব।

ছবিৰ শিৰোনামৰ পাতা.

শিৰোনামাৰ বিজয়ীৰ ব্যবে ডিসেম্বৰৰ ১৯৯৯ সংস্কাৰনত যি ছবিৰ কাবনে যি শিৰোনাম চোৱা হৈছিল সিটো প্ৰকাশিত হোৱানাই। ইয়াৰ বাবে আমি দুখ প্ৰকাশ কাৰিছো।

চান্দমামাৰ বছৰেকীয়া বৰঙণি :

ভাৰতত ১২০.০০ টকা মাথোন

Payment in favour of CHANDAMAMA INDIA LIMITED for details address you enquires to:

Publication Division, Chandamama Buildings, Vadapalani, Chennai–600 026

"I want the very best for my home. Nothing but a Sumeet will do"

payal rajaratnam
corporate executive

Sumeet. loved by millions. worldwide.

"Even my brother in Australia depends on a Sumeet"

aila sharma
fashion designer

"Whatever the task, I know my Sumeet won't let me down"

ritika banker
interior designer

"Sumeet is the best. I recommend it"

tripta khanna
housewife

"The Sumeet is very popular even in Sri Lanka"

sujaya menon
business consultant

Whether it's for grinding chick peas in the West Indies or coffee beans in New Zealand, ice kachang in Malaysia or peanut butter in the U.S. millions of customers trust only a Sumeet. If you want the best the world has to offer, bring home a Sumeet today!

DOMESTIC
India's first mixer grinder

ASIA KITCHEN MACHINE
The world's toughest mixer-grinder

DOMESTIC PLUS
The family mixer-grinder

Sumeet®
STRONG & RELIABLE

Sumeet is the registered trademark of Sumeet Research & Holdings Ltd.

Sumeet Marketing Centre, 571, Anna Salai, Chennai 600 018. Tel : 044-4343316 / 4348123 / 4349755. Fax : 044-4341479 / 4917213

FIFTH ESTATE : 3828

CHANDAMAMA (Assamese) FEBRUARY 2000 Registrar of Newspapers, India RN30278/76

nutrine

Maha Cruise



Nutrine Maha Lacto. The Best Lacto in Town.